নগাওঁ ছোৱালী কলেজ

# আলোচনী

NOWGONG GIRLS' COLLEGE
চৰৈবেতি চৰৈবেতি
ESTD. 1962
NOWGONG-ASSAM

প্ৰথম প্ৰকাশ : ১৯৭০

# নগাওঁ ছোৱালী কলেজ আলোচনী

প্ৰথম প্ৰকাশ ঃ ১৯৭০

# নগাওঁ ছোৱালী কলেজ আলোচনী

প্ৰথম প্ৰকাশ ঃ ১৯৭০

## আলোচনা


| | | |
|---|---|---|
| বেজবৰুৱাৰ মালিতা— | ১ | লীলাৱতী শইকীয়া। |
| গীতাৰ কৰ্ম্মযোগ— | ৯ | শেৱালি মহন্ত। |
| বৰগীতত যশোদা— | ১২ | আৰতি বৰা। |
| অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ অৱদান— | ১৬ | নলিনী চৌধুৰী। |
| বৈষ্ণৱ কবি অনন্তকন্দলী— | ২২ | অধ্যাপক তিলক চন্দ্ৰ মজুমদাৰ |
| চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰোমান্টিকতা : প্ৰতিমাত— | ২৯ | নিৰুপমা শইকীয়া। |
| চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মাধুৰী' আৰু 'সৌন্দৰ্য্য'-- | ৩৪ | ৰীণু শৰ্ম্মা। |
| বেজবৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম— | ৩৭ | অধ্যাপিকা তৰু বৰুৱা। |
| শিল্পী, সমাজ আৰু সংস্কৃতি— | ৪৩ | নীলিমা বৰা। |
| মন-বননিৰ কথা : অন্ধ জীৱনৰ— | ৪৬ | কমলা ভূঞা। |

## কবিতা


| | | |
|---|---|---|
| গীত— | ৪৯ | অধ্যাপক ইদ্রিছ আলি। |
| সঁচাৰ-কাঠী— | ৫০ | পুণ্যপ্ৰভা বৰদলৈ। |
| মই এলচেচীয়ান নহয়তো ?— | ৫২ | কনকলতা শইকীয়া। |
| দহোটা বস্তি— | ৫৩ | গীতাঞ্জলি দাস। |
| শান্তৰূপ : প্ৰকৃতিৰ— | ৫৪ | ৰুণুমা ভট্টাচাৰ্য্য। |
| পৃথিৱীৰ আঁচনিৰে- | ৫৫ | মনোৰমা ভূঞা। |
| স্বপ্ন ভঙ্গ— | ৫৬ | ৺লক্ষ্যদা বৰদলৈ। |
| নৰস্ফুৰণ— | ৫৭ | অপৰা গোহাঁই। |
| সাত সমুদ্ৰৰ পাৰৰে- | ৫৯ | উষাৰানী হাজৰিকা। |


## গল্প


| | | |
|---|---|---|
| হেৰোৱা সুবাস বিচাৰি— | ৬১ | বীনা শৰ্ম্মা। |
| চিৰন্তন— | ৭০ | সুনীতি বৰুৱা। |
| উপলক্ষ্য— | ৭২ | অনুসূয়া দাস। |
| আন্ধাৰ আঁতৰি গলে- | ৭৬ | লুকু খাওন্দ। |

আমাৰ কথা


# বেজবৰুৱাৰ মালিতা।


লীলাৱতী শইকীয়া
৩য়বাৰ্ষিক।


বেজবৰুৱাৰ মালিতাৰ বিষয়ে আলোচনা কৰাৰ আগতে মালিতা কি, ইয়াৰ মূল (origin) ক'ত, লক্ষণ কি— এইবোৰৰ বিষয়ে থূলমূলকৈ জনা দৰকাৰ। নহলে বেজবৰুৱাৰ মালিতা কেইটা ভালকৈ হৃদয়ঙ্গম কৰাত অসুবিধা হব। মালিতাক ইংৰাজীত Ballad বোলা হয়।ই ফৰা -চী Baller শব্দৰ পৰা আহিছে। Baller ৰ অৰ্থ নৃত্য। নৃত্যৰ সহায়েৰে অথবা হাতৰ অঙ্গীভঙ্গীৰ সহায়তএই কবিতা বা গীত বোৰ গোৱা হৈছিল। অসমীয়াত ইয়াক কাহিনী গীত বোলা হয়। কিন্তু বেজবৰুৱাই ইয়াৰ নাম দিছে মালিতা। গতিকে বেজবৰুৱাৰ কাহিনী গীত কেইটা আলোচনা কৰোতে 'মালিতা' শব্দটো প্ৰয়োগ কৰিলেহে সুন্দৰকৈ বজিতা থাব।

এতিয়া আমাৰ প্ৰশ্ন হ'ল মালিতা সমূহৰ মূল কি বা ইয়াৰ গুৰি ক'ত? ইয়াৰ উত্তৰত আমি কব পাৰো যে প্ৰাচীন বেলাড সমূহেই আধুনিক মালিতাৰ মূল (origin)। কিন্তু আধুনিক কবি সকলে প্ৰাচীন বেলাডৰ অন্ধ অনুকৰণ কৰা নাই। প্ৰাচীন বেলাডৰ ৰচনা-ৰীতিৰ লগত আধুনিক ৰচনাৰীতি সংমিশ্ৰন কৰি তেওঁলোকে এক প্ৰকাৰ নতুন মালিতা সৃষ্টি কৰিলে। এই থিনিতে প্ৰাচীন বেলাডৰ লক্ষণ সমূহ দাঙি ধৰা হ'ল—

১। কাহিনী প্ৰধান।
২। নৈৰ্ব্যক্তিকতা।
৩। কালনিৰূপনৰ সমস্যা।
৪। গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি।
৫। প্ৰকাশ ভঙ্গীৰ সৰলতা।
৬। ৰোমাঞ্চকৰ বৰ্ণনা বা বীৰত্ব ব্যঞ্জক বৰ্ণনা
৭। নাটকীয় গুন বিশিষ্টতা।
৮। ছন্দৰ ক্ষীপ্ৰ গতি।
৯। একেটা বাক্যৰে পুনৰাবৃত্তি।
১০। দোহা বা দিহা দিয়াৰ নিয়ম।

১১। গীত বিলাকত ব্যঞ্জনা বা ইঙ্গিত নাই, ভাৱৰ মুকলি প্ৰকাশ আছে; চিন্তা নাই, কাৰ্য্য আছে; বিশ্লেষণ নাই, সৰল বৰ্ণনা আছে আৰু সৰ্ব্বশেষত ভাৱৰ তন্ময়তা নাই যদিও স্বাভাৱিক উচ্ছাস আছে।

১২। অলৌকিক বা অতি প্ৰাকৃত বৰ্ণনা আছে

১৩। পৌৰাণিক আখ্যানৰ উপস্থাপন ।

কিন্তু সকলোতকৈ মন কৰিব লগীয়া বিশেষত্ব হৈছে এই মালিতা বোৰত কবিৰ ব্যক্তিগত ভাৱ অনুভূতিতকৈ কোনো কাহিনীৰ বৰ্ণনাইহে প্ৰাধান্য লাভ কৰে। F. Sidgewick এ কৈছে— "The first and foremost quality about ballad is not its personality but its impersonality."

এই বিভিন্ন লক্ষণেৰে ভাৰাক্ৰান্ত প্ৰাচীন বেলাডৰ অনুকৰণত অসমীয়া সাহিত্যত বেজবৰুৱাকে আদি কৰি বিভিন্ন আধুনিক কবিয়ে মালিতা লিখাৰ প্ৰয়াস কৰিছে যদিও তেওঁলোকৰ মালিতাত প্ৰাচীন মালিতাৰ সকলো লক্ষণ দেখা নাযায়। প্ৰাচীন মালিতাত ৰচকৰ নাম নাই আৰু সেইবোৰৰ ৰচনা কালো জনা নাযায়। কিন্তু আধুনিক কবি সকলৰ মালিতাত ৰচকৰ নাম আছে আৰু সেইবোৰ কেতিয়া লিখা হৈছিল তাৰ চন তাৰিখো আছে। সেই কাৰণেই সমালোচক সকলে আধুনিক কবি গোষ্ঠীৰ মালিতাক প্ৰকৃত মালিতা নুবুলি 'কৃত্ৰিম মালিতা' বুলি অভিহিত কৰিছে। অষ্টাদশ শতিকাৰ শেষ ভাগত ইংলেণ্ডত যেতিয়া ৰোমাণ্টিক সাহিত্যৰ জোৱাৰ উঠিছিল, সেই সময়তে ৰোমাণ্টিক কবি সকলে অতীতৰ প্ৰতি স্পৃহাৰ কাৰণেই বোধ হয় অনাদৰত লোপ পাবলৈ ধৰা গীত মাত বোৰ পুনৰুদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছিল। কবি বাৰ্ণচ, স্কটআদিয়ে স্কট লেণ্ডৰ পাহাৰী অঞ্চলৰ পৰা বহুতো গীত মাত সংগ্ৰহ কৰিয়েই ক্ষান্ত নাথাকি পুৰণি কাহিনী গীতৰ আহিৰে নতুন কবিতা সৃষ্টি কৰিছিল। বহুত সময়ত এই কবি সকলে পুৰণি গীত একোটিক সময়োপযোগী কৰি নতুন সাজপাৰ পিন্ধাই নতুন ৰূপত প্ৰকাশ কৰিছিল। সমালোচক সকলে পুৰণি কাহিনী গীতৰ পৰা পৃথককৈ দেখুৱাবলৈ এনে ৰো[...] ৰচনাক কৃত্ৰিম কাহিনী গীত বুলিলে। অসমীয়া আধুনিক সাহিত্যৰ প্ৰথম ছোৱাৰ প্ৰেৰণা আছিল ইংৰাজী ৰোমাণ্টিক সাহিত্য। সেয়ে বাৰ্ণচ, স্কট আদিৰ আহিত আমাৰ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদি কবি সকলেও অসমৰ পুৰণি মালিতাৰ চানেকীৰে নতুন কাহিনী গীত বা মালিতা ৰচনা কৰিলে।

কৃত্ৰিম মালিতা প্ৰাচীন মালিতাৰ প্ৰভাৱ মুক্ত নহয় যদিও কৃত্ৰিম মালিতাৰ স্বকীয় বৈশিষ্ট্য আছে। কৃত্ৰিম মালিতাৰ কাহিনী সুসংবদ্ধ আৰু ব্যাপক; ইয়াৰ ৰচনা প্ৰনালী অধিক কলা সুলভ। আধুনিক মালিতা সম্পৰ্কে হাডচনে কৈছে— "For these, while they have all the sterling qualities of the old Ballads, have nothing merely imitations about them, but are, on the contrary, essentially modern and original poems" কৃত্ৰিম মালিতা সমূহ সহজ সৰল জীৱনৰ একোটিহঁত অনুপম চিত্ৰ। ইয়াত কাহিনী আছে, অতিবাস্তৱ বৰ্ণনা আছে, বীৰ নাইবা কৰুণ ৰসৰ প্ৰাধান্য আছে। ইয়াৰ পৰিনতি মিলনাত্মক বা কৰুণাত্মক।





কাবৰ ব্যক্তিগত ভাৱানুভূতিৰ প্ৰভাৱে ই সমুজ্বল।

কবি প্ৰতিভাৰ কীৰ্ত্তিস্তম্ভ 'কদম কলিয়েই বেজবৰুৱাৰ একমাত্ৰ কবিতা পুথি। 'কদম-কলি'ত "ধনবৰ আৰু ৰতনী", "ৰতনীৰ বেজাৰ", "নিমাতী কন্যা" "তিলকা" নামৰ চাৰিটা আধুনিক মালিতা আছে। নিমাতী কন্যাৰ বিষয়বস্তু 'ককাদেউতা আৰু নাতি ল'ৰা" নামৰ বেজবৰুৱাৰ সাধু কথাৰ পুথি খনিত থকা এটি পুৰণি কলীয়া সাধুকথাৰ পৰা লোৱা হৈছে। 'নিমাতী কন্যা'ৰ কাহিনী অতি সুসংবদ্ধ আৰু আকৰ্ষনীয় ইয়াৰ পৰিনতি মিলনাত্মক। এটি পুৰণি সাধু কথাক বেজবৰুৱাই বিচক্ষনতাৰে কবিতাৰ ৰূপ দিয়াত যথেষ্ট সফলতা লাভ কৰিছে। ধনবৰ আৰু ৰতনী, ৰতনীৰ বেজাৰ আৰু তিলকাতো একোটি কাহিনী আছে। কিন্তু সকলোতকৈ 'ধনবৰ ৰতনী'ৰ কাহিনীয়েই বেছি সুসংবদ্ধ। ধনবৰ আৰু ৰতনীৰ পিছৰ ছোৱা ঘটনা অৰ্থাৎ ধনবৰৰ লুইতত আত্ম বিলুপ্তিৰ ফলত ৰতনীৰ অন্তৰত যি প্ৰতিক্ৰিয়া হৈছিল, তাৰেই বিৱৰণ আছে 'ৰতনীৰ বেজাৰ' ত। 'তিলকা'ৰ কাহিনীটো স্বয়ং সম্পূৰ্ণ নহয়। মাত্ৰ মাক বাপেক নোহোৱা তিলকাই বুঢ়ী মাকৰ শৰটো আগতলৈ ইনাই বিনাই কান্দি থকাৰ পৰাই ছুফাঁকি মান বেজবৰুৱাই কবিতা আকাৰে দাঙি ধৰিছে।

ইয়াত ফুলতে ৰিধবা হোৱা জনম দুখুনী তিলকাৰ বুকু ভঙা বিননি "আগলি কলাপাত লৰে কি চৰে, চিলনী আই মোৰ আগতে পৰে" নামৰ লোক আখ্যানৰ ছন্দত অন্তৰ পৰশা হৈ উঠিছে। এই কবিতাটিৰ পৰিণতিও করুনাত্মক।

'নিমাতী কন্যা'ৰ বাহিৰে বাকী তিনিটা আধুনিক মালিতাৰে আগকথা লিখি দিয়াত, সেই কেইটা বুজাত অলপো অসুবিধা নহয়। উদাহৰণ স্বৰূপে 'ৰতনীৰ বেজাৰ' কবিতাৰ আগ কথা লিখি দিয়াত সেইখিনি পঢ়িয়েই কবিতাটো কেনে ধৰনৰ হব বা কবিতাৰ মূল বিষয় বস্তু কি হব তাৰ বিষয়ে আমাৰ এটা স্পষ্ট ধাৰনা হয়।

বেজবৰুৱাৰ আধুনিক মালিতা ধৰ্ম্মী কবিতা কেইটাত আছে লোক জীৱনৰ খৰিকা জাঁই যেন সুৰভি, ৰোমাণ্টিক কল্পনাৰ বিস্ময় বিমুগ্ধ জিল্‌মিল্‌ৰূপ। বহুবছৰ ধৰি নিজৰ মাতৃভূমীৰ পৰা আঁতৰি আছিল যদিও বেজবৰুৱাৰ মনটো আছিল অসমৰ চহা পাটভূমি মুখী। উইল ডুৰাণ্টৰ মতে দূৰত্বৰ জৰিয়তে স্মৃতি ৰঞ্জিত যি স্বপ্নৰ সৃষ্টি হয় সেই স্বপ্ন উজ্জ্বল, স্নিগ্ধ হবলৈ বাধ্য। দূৰত্বই দৃশ্যপটক সঠিক সম্মোহন প্ৰদান কৰে। এইষাৰ কথা বেজবৰুৱাৰ জীৱনত সুন্দৰকৈ প্ৰয়োগ কৰিব পাৰি। টি, এছ, ইলিয়টৰ লেখীয়া আধুনিক ইংৰাজ কবিয়ে লোকগীত বা প্ৰাচীন সাহিত্যৰ ৰচনাৰীতি নিজৰ কাব্য ৰচনাত প্ৰয়োগ কৰি পৰিচিত এক সুন্দৰ পৰিবেশ সৃষ্টি কৰিছিল। বেজবৰুৱাইও নিজৰ বুদ্ধি অনুসাৰে এনে ৰচনা ৰীতি প্ৰয়োগ কৰি এক শ্ৰেণীৰ নতুন মালিতাজতীয় সাহিত্য সৃষ্টি কৰি সেইবোৰত স্বধৰ্ম্মিতা প্ৰদান কৰিছিল। পুৰণি বিহু গীত বা বনগীতৰ দৰেই অন্তৰৰ পোনপটীয়া আবেদন ঘৰুৱা চিনাকি উপমাৰে বেজবৰুৱাৰ মালিতা কেইটাও মূৰ্ত্ত হৈছে।

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো"—

এই বিহুগীতৰ সুৰতে সুৰ মিলাই বেজবৰুৱাইও গাইছে—

"পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰোঁ মই,
লতা বগাবলৈ টান;"

যদিও ওপৰৰ বিহুগীত ফাঁকিৰ লগত এই কবিতা ফাঁকিৰ ভাৱৰ মিল নাই, তথাপি বিহুগীতৰ যিটি সুৰ; সেই সুৰটি এই ফাঁকি কবিতাতো শুনা যায়। এই দৰে বিহু গীতৰ সুৰতে সুৰ মিলাই বেজবৰুৱাই 'ধনবৰ ৰতনী' কবিতাটোত কিছুমান প্ৰাকৃতিক চিত্ৰৰ সহায়েৰে ধনবৰ আৰু ৰতনীৰ অনুভূতিপূৰ্ণ জীৱনক চিত্ৰধৰ্ম্মী ৰূপ দিছে। বিহুগীতৰ ঠাঁচতে লিখা—

" ফেনে-ফোটোকাৰে বৰ লুইত বৈছে
বুকুতলৈ খাগৰিৰ জাঁজি,
বুকু উদং কৰি ৰতনী গলে মোৰ
কাকে লৈ বৈ ৰাম মই আজি"—

—এই কবিতা ফাঁকিয়েও ধনবৰৰ উদং হিয়াৰ বাতৰি কৈ দিয়ে। বনগীত বা বিহু গীতৰ যি সহজ সৰল আকৰ্ষণ, সেই আকৰ্ষণ 'ধনবৰ আৰু ৰতনী'ৰ প্ৰতি শাৰীতে প্ৰতিধ্বনিত হৈছে। বিশেষকৈ ইয়াৰ মাজত চিত্ৰিত কৰা প্ৰকৃতিৰ বিভিন্ন চিত্ৰই বেজবৰুৱাৰ প্ৰকৃতি প্ৰীতিৰ কথাকে সোঁৱৰাই দিয়ে।

ধনবৰ আৰু ৰতনীৰ পৰিবেশ স্মৃতি ভাৰাক্ৰান্ত। ইয়াৰ পট ভূমি হৈছে ধনশিৰী আৰু দিখৌ নামৰ দুখন নৈ— যি আমাৰ বিহুগীত, বনগীতত জ্বলন্ত হৈ আছে। বিহুগীতত আছে—

" দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী,
জাঁজী নৈ এৰিব পাৰোঁ;
তোমাৰে ভাৱনা এৰিব নোৱাৰোঁ
নেখায়ো থাকিব পাৰোঁ।"

দিখৌৰ পাৰ বিহুগীত, বনগীতৰ সুৰ মূৰ্চ্ছনাৰে জাতিকাৰ হৈ থকা পটভূমি। ৰতনী ধনশিৰী নৈৰ পাৰৰ মিৰি গাভৰু। নদীমাতৃক অসমৰ সাংস্কৃতিক জীৱনলৈ দিখৌ নৈৰ দৰে ধনশিৰী নৈৰ অৱদান লেখত লব লগীয়া। সমগ্ৰ কাহিনীটো দুটা স্বগত উক্তিৰে এটা ধনবৰৰ আৰু আনটো ৰতনীৰ, ব্যক্ত কৰা হৈছে। এই দুটাৰ ভিতৰত ধনবৰৰ উক্তিটো অধিক প্ৰানস্পৰ্শী। 'ৰতনীৰ বেজাৰত' ৰতনীৰ যি বিলাপ, সি অধিক সংযত। ৰতনীৰ বিলাপৰ সংযম কীটছৰ নাইটিঙ্গেল কবিতাৰ সংযমৰ সৈতে বহুদূৰ ৰিজাব পাৰি। নাইটিঙ্গেল চৰাইৰ গীত অন্তৰত উথলি উঠি সাগৰৰ বুকুত ঢউ মাৰ যোৱাদি অন্তৰতে মাৰ যায়। ৰতনীৰ বিলাপ সেই একেদৰে অন্তৰত উথলি উঠি চকুপানীত বন্দী হৈ পৰে। গতিকে দুয়োটাৰ স্বৰূপ সমধৰ্ম্মী। ধনবৰ ৰতনীতকৈ 'ৰতনীৰ বেজাৰ'ত লোকগীতৰ আহিৰ প্ৰভাৱ বেছি। ইয়াত পুৰণি কাহিনী গীতৰ অন্যতম লক্ষণ একেটি বাক্যৰে পুনৰাবৃত্তি লক্ষ্য কৰা যায়। যেনে—

"মোক নি ধনাইক দে
কুশল তোৰ হোক,
হে কুশল তোৰ হোক॥"

সেইদৰে ধনবৰ বিহীন সংসাৰখন অন্ধকাৰময় দেখা ৰতনীয়ে যেতিয়া কৈছে—

"সৰগত ধনবৰ
পৃথিৱীত মই,





দুটি প্ৰাণী এটি কৰা
পুইণ কাম হয়,
হে পুইণ কাম হয়॥"

তেতিয়াও 'পৃথিৱীত মই' এই বাক্যৰ পুনৰাবৃত্তি কৰাত কবিতাটোৰ আবেদন ডৰাং নহৈ গভীৰ হে হৈছে।

বেজবৰুৱাৰ আটাইকেইটা মালিতাধৰ্ম্মী কবিতাৰে কেন্দ্ৰীয় ভাৱ হ'ল প্ৰেম। সৰল প্ৰাণৰ ডেকা উজনিৰ ধনবৰে ভালপালে ভাটীৰ ৰতনী আজলীক। কিন্তু তেওঁলোকৰ প্ৰণয়ে পৰিনতি লাভ কৰিব নোৱাৰিলে। কিয়নো ৰতনীৰ মাকে দুখীয়া ধনবৰলৈ ছোৱালী নিদিয়ে।

"ৰতনী সোনাইকে ৰবাব পাৰোঁ মই
মাকক বুজাবলৈ টান।"

দুদিনৰ বাবে ধনবৰৰ ঘৰত অ'লহী হোৱা ৰতনী আৰু ভাইৰ মাক নিজৰ ঘৰলৈ ঘূৰি গলগৈ। ৰতনীক জীৱনৰ লগৰী স্বৰূপে পোৱাৰ আশা হেৰুৱাই ধনবৰে জীয়াই থকাৰ প্ৰেৰণাও হেৰুৱালে। সেয়ে এদিন নৈৰ বুকুত জাপ দি ধনবৰে সংসাৰ এৰিলে। এই কাহিনীটোৱেই বেজবৰুৱাৰ 'ধনবৰ ৰতনী'ত ৰূপ পাইছে। হোজা ধনবৰৰ মনৰ ভাৱ কবিয়ে বৰ সৰল প্ৰকাশ ভঙ্গীৰে বৰ্ণাইছে—

" ক'ৰে ঐ ৰতনী ক'ৰে ঐ শাঁখিনী
কিনো কুটেশালে তই !
সকলো লুটিলি ধনাইকে বধিলি
কেনেকৈ জী থাকোঁ মই।"

ইয়াত শাঁখিনী, কুটশাল আদি শব্দই বেজবৰুৱাৰ ঘৰুৱা শব্দৰ প্ৰতি থকা হেপাহঁৰ কথা সোঁৱৰাই দিয়ে।

'ধনবৰ ৰতনী'ত দেখা যায় সহজ সৰল চহা মিৰি জীৱনৰ প্ৰতি কবিৰ স্পৃহা। প্ৰেমিক প্ৰেমিকাৰ যেতিয়া বিচ্ছেদ হয় অৰ্থাৎ ইজনে সিজনক হেৰুৱাব লগা হয়, তেতিয়া তেওঁলোকে সংসাৰ খন অৰ্থহীন বুলি ভাৱে। সংসাৰৰ প্ৰতি তেওঁলোকৰ বিতৃষ্ণা জন্মে। হুলস্থূলীয়া সংসাৰখন তেওঁলোকে তেতিয়া ভাল নাপায়; ভালপায় মাথো নিৰ্জ্জনতা; নিৰ্জ্জনপ্ৰান্তত বহি হিয়াৰ অব্যক্ত কথাবোৰ চিঞৰি চিঞৰি কৈ দিবলৈ। সেয়েহে আমাৰ ব্যৰ্থ প্ৰেমিক ধনবৰেও ৰতনীৰ পৰা বিচ্ছিন্ন হৈ তাকে কৰিছে; নিৰ্জ্জন ব্ৰহ্মপুত্ৰৰ পাৰত বহি ইনাই বিনাই কান্দি বুকুৰ দাডিব নোৱাৰা বেদনাগধুৰ ভাববোৰ প্ৰকাশ কৰিছে। কিন্তু অকল তাকে কৰিয়েই ক্ষান্ত নাথাকিল। চেনেহী ৰতনীৰ জীৱন্ত স্মৃতি বুকুত সাৱটি অৱশেষত ব্ৰহ্মপুত্ৰৰ বুকুতে নিজৰ ব্যৰ্থ জীৱনৰ অৱসান ঘটালে।

ইফালে 'ৰতনীৰ বেজাৰ'ত ব্যৰ্থ প্ৰেমিকা ৰতনীৰ আকুল হিয়াৰ ব্যাকুল বিননি অনুৰনিত হৈছে। ইয়াতো কবিয়ে ৰতনীয়ে ধনবৰক হেৰুৱাই ইনাই-বিনাই কন্দাৰ পৰিবেশটো বঢ়িয়াকৈ অঙ্কন কৰিছে— "... তিনি পৰমান ৰাতি যোৱাত উঠি ঘৰৰ পৰা বাহিৰলৈ ওলাই গৈ চোতালৰ আগৰ বৰগছ এজোপাৰ তলত বহি এইদৰে বিনাই কান্দিছিল। কৃষ্ণ পক্ষ। নৱমী তিথি। খীন জোনে আকাশত খীন পোহৰ দিছিল। জোনটোৰ অলপ আঁতৰতে অকলশৰীয়াকৈ জ্বলি থকা তৰা এটি আছিল। সেই তৰাটিলৈকে চাই ৰতনীয়ে বিনাইছিল'—

মৰি গৈ সোণ সৌ
তৰা এটি হ'ল
হে তৰা এটি হ'ল।

এইদৰে কাহিনীৰ লগত খাপ খুৱাই সুন্দৰ পৰিৱেশ সৃষ্টি কৰাত বেজবৰুৱাই যথেষ্ট সফলতা লাভ কৰিছে।

অন্তৰত যেতিয়া শোকৰ হেঁচা বেচি হয়, তেতিয়া মানুহ 'কিং কৰ্ত্তব্য বিমূঢ়' হৈ পৰে। ধনবৰক নেপাই ৰতনীৰ অন্তৰতো বিচ্ছেদ শোকৰ তীব্ৰ দাবানল জ্বলি উঠিছিল। বেজাৰৰ খুন্দাত তেওঁ বিবুধি হৈ পৰিছিল। সেয়ে উপায়-বিহীনা ৰতনীয়ে বনৰ পখীকে সুধিছে—

"কেনেকৈ লগপাম
সৰগৰে তৰা
হে সৰগৰে তৰা।
পখী হেৰ বুধি দে
কি কৰোঁ, কৰা
হে কি কৰোঁ কৰা।"

'ধনবৰ ৰতনী' আৰু 'ৰতনীৰ বেজাৰ' দুয়োটাই উৎকৃষ্ট ৰোমাণ্টিক ধৰ্ম্মী সাৰ্থক মালিতা। সৰল অনাড়ম্বৰ চহাজীৱনৰ প্ৰতি ৰোমাণ্টিক কবি সকলৰ এটি বিশেষ আকৰ্ষণ দেখা যায়। ধনবৰ ৰতনীৰ কাহিনীও চহাজীৱনৰ ভিতৰুৱা। ৰোমাণ্টিক কবিতাৰ বিষয় বস্তুৱে ব্যক্তি বিশেষৰ সুখ-দুখ; বিৰহ-মিলন, প্ৰনয়-বিচ্ছেদ আদিৰ কাহিনীকো সামৰে। "ধনবৰ ৰতনী"তো ধনবৰ আৰু ৰতনীৰ প্ৰেম আৰু বিচ্ছেদৰ কাহিনীয়ে বৰ্ণিত হৈছে। বেজবৰুৱা ৰোমাণ্টিক কবি। গতিকে ৰোমাণ্টিক কবিৰ কবিতা হিচাপে "ধনবৰ ৰতনী"কো উৎকৃষ্ট ৰোমাণ্টিক কবিতা বুলি কলে সম্ভৱ বে[...] কোৱা নহব। তাৰোপৰি ৰোমাণ্টিক কবি[...] আৰু প্ৰাচীন মালিতাৰ অন্যতম লক্ষণ আলে[...] কিকতাৰ স্থানো 'ধনবৰ ৰতনী'ত নোহোৱা নহয়[...]

'কুটুকাৰ তলতে যখিনী ছোৱালী
টুকু টুক চাপৰি বায়।'

আদি বৰ্ণনাই এটা অলৌকিক পৰিৱে[...] সৃষ্টি কৰাত সহায় ক'ৰছে। এই কবিতা ফাঁকি[...] লগত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতা[...]

— "আহঁতৰ তলে নাচিছে দুজনী
পিন্ধি বনফুল সাজ
মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুকু টুক্"

--এই কবিতা ফাঁকিৰ সাদৃশ্য দেখা যায় আকৌ—

'নৈৰে পাৰতে কাৰে এৰাবাৰী
চপৰা চপৰে খহে।'

আদি বৰ্ণনাইও বেজবৰুৱাৰ অতীতৰ প্ৰতি থকা ভালপোৱাৰ চিনাকি দিয়ে। বিয়ানামৰ সুৰে[...] 'ধনবৰ ৰতনী'ত শুনা যায়—

"চৰায়ে তুলিলে ঐ ছ'ৰা পোৱালি
গছৰ ডাল শুৱনি কৰি।"

আদি বৰ্ণনা সাধাৰণতে বিয়ানামতহে পোৱা যায়। কিন্তু বেজবৰুৱাই সেই বিয়ানামকো তেওঁৰ মালিতাৰ অন্তৰ্ভুক্ত কৰিছে। 'ধনবৰ ৰতনী'ৰ পৰিনতি বিষাদাত্মক। কৱিতাটোৰ শেষত থকা—

"ৰোপাই মোৰ লুইত ঐ সামৰি লোৱা মোক
কোলাত থান একেৰি দিয়াঁ,
ৰতনী হেৰাল মোৰ, সকলো পৰিল ওৰ
আৰু মোৰ একো নাইৰিয়া"





এই উক্তিটোৱেই ধনবৰৰ বেজাৰৰ চূড়ান্ত নিদৰ্শন। ৰতনীৰ বেজাৰৰ পৰিনতিও বিষাদাত্মক — যাৰ অন্তৰালত প্ৰিয়হীন ৰতনীৰ কৰুণ বিননি ধ্বনিত হৈছে।

মুঠতে, 'ধনবৰ আৰু ৰতনী', 'ৰতনীৰ বেজাৰ' – এই দুয়োটা কবিতা তীব্ৰ অনুভূতিসিক্ত, তীব্ৰ আবেগ অনুৰাগৰ প্ৰকাশ। প্ৰকৃতিৰ দৃশ্যপটে ৰহণ সনাৰ উপৰিও ধনবৰ আৰু ৰতনীৰ যুৱক-যুৱতী যোৰাৰ মনস্তত্বকো ৰূপ দিছে। এইখিনিতে বেজবৰুৱাক বড় ছৱৰ্থৰ সৈতে বিজাৰ পাৰি। যি আবেগেৰে ৰজনী বৰদলৈয়ে 'মিৰি জীয়ৰী' উপন্যাস ৰচনা কৰিছিল, সেই একে আবেগৰে বেজবৰুৱাই 'ধনবৰ আৰু ৰতনী' কাহিনী গীত বা মালিতাটো ৰচনা কৰিছে। আনহাতে গণজীৱনৰ ছন্দ, ভাষা উপমা আদিক সাৰ্থক ভাৱেই বেজবৰুৱাই তেওঁৰ উক্ত মালিতা দুটাত ৰূপ দিছে।

আধুনিক অসমীয়া সমাজত প্ৰচলিত "নিমাতী কন্যা" কবিতাটো সাধুৰ পদ্যৰূপ। ইয়াৰ অন্তৰ্নিহিত বক্তব্য হ'ল আপোন অস্তিত্ব বিলোপ কৰিব পৰা প্ৰেম আৰু সঙ্গীতৰ যাদুকৰী শক্তিৰ স্বৰূপ, যি যাদুয়ে নিষ্প্ৰাণ জড় পদাৰ্থত সুৰৰ প্ৰাণ সঞ্চাৰ কৰে; নিমাতৰ মুখতো **পৃথিবীৰ সকলো সুৰেৰে** সুৰীয়া কৰি, মাত উলিয়াব পাৰে—

"সাৰেঙ্গ গান্ধাৰ কামদ ৰাগিনী,
অমৃত বৰষি গ'ল।
নিমাতী কইনাৰ হৃদয় বুৰিল,
সকলো স্তম্ভিত হ'ল।
ধ্বনি প্ৰতিধ্বনি ৰোল উঠি গ'ল,
আনন্দত নাচিল জীৱ।
কোঁৱৰৰ ডিঙিত ওলমি মইনাই
মাতিলে "প্ৰাণ প্ৰিয়"।

'নিমাতী কন্যা' এটি বুৰঞ্জীমূলক কাহিনী গীত। কমতাপুৰৰ ৰজাৰ কোঁৱৰ এজনে কেনেকৈ ৰতনপুৰৰ ৰজাৰ, নিমাতী জীয়েকৰ মাত উলিয়াই শেষত তেওঁক লাভ কৰিলে তাৰেই এটি সুসংযত বিৱৰণ এই মালিতাটিত পোৱা যায়।

'বেজ গিয়ানীৰ যতন বিফল,
ৰজা-ৰাণী বিকলীয়া
পূজা সেৱা দান-দক্ষিণা বিফল,
বেজাৰে দহিছে হিয়া॥"

—এই উক্তিয়ে সেই সময়ৰ সামাজিক নীতি নিয়মৰ কথা কৈ দিয়ে। ৰজা-ৰাণী পাত্ৰ মন্ত্ৰী আদি নামবোৰেও কবিতাটোযে বুৰঞ্জীমূলক তাৰ প্ৰমাণ দিয়ে। প্ৰাচীন মালিতাৰ অন্যতম লক্ষণ পৌৰাণিক আখ্যানৰ উপস্থাপনো নিমাতী কন্যাত মনকৰিব লগীয়া। ইয়াত যিটো আখ্যান বৰ্ণনা কৰা হৈছে সেইটো সম্পূৰ্ণই পৌৰাণিক আখ্যান। ইয়াৰ প্ৰকাশ ভঙ্গী সৰল যদিও 'ধনবৰ ৰতনী'তকৈ বেলেগ। ধনবৰ ৰতনীত শুনিবলৈ পোৱা বিহুগীত বা বনগীতৰ সুৰ ইয়াত নাই। ইয়াৰ প্ৰকাশ ভঙ্গীত কিছু গাম্ভীৰ্য্য লক্ষ্য কৰা যায়।

'তিলকা'ৰো কেন্দ্ৰীয় ভাৱ হ'ল মানবীয় প্ৰেম। বিধবা তিলকা'ৰ বুঢ়ী মাকৰ প্ৰতি ভালপোৱাৰ মাজেদি আচলতে কবিয়ে মানৱ প্ৰেমৰ কথাকেইহে কৈছে।

"উঠ আই ৰাঙলী নাযাবি এৰি।

মোকো তোৰ লগতে লৈ যা মাৰি।’ বুলি ইনাই বিনাই যেতিয়া তিলকাই কান্দিছে তেতিয়া বুঢ়ীমাকৰ প্ৰতি থকা তিলকাৰ ভালপোৱাৰ গভীৰতা সুন্দৰকৈ প্ৰকাশ পাইছে। ইয়াৰ প্ৰকাশভঙ্গী সহজ সৰল আৰু পোনপটীয়া। পুৰণি অসমীয়া সাহিত্যত দেখা পোৱা ‘কৈলে’ শব্দৰপ্ৰয়োগে বেজবৰুৱাৰ ওপৰত পুৰণি সাহিত্যৰ প্ৰভাৱ পৰিছে বুলি ভাবিবলৈ বাধ্য কৰায়।

মুঠতে বেজবৰুৱাৰ ধনবৰ ৰতনী, ৰতনীৰ বেজাৰ; তিলকা, নিমাতী কন্যা — এই আটাইকেইটি আধুনিক মালিতা অসমীয়া লোক গীতৰ ছন্দত দোলায়িত, অসমীয়া লোক মানসৰ উপমাৰে মুখৰিত। বিশেষকৈ সংবেদনশীল মানৱীয় আবেদনে এই মালিতা কেইটিৰ সোনত সুৱগা চৰাইছে বুলি কব পাৰি। সেইবাবে বেজবৰুৱাৰ কাব্য প্ৰতিভাই সীমাৱদ্ধ ৰচনাৰ মাজেৰে সমাদৰ লাভ কৰিছে।

---

“উচ্চ শিক্ষাৰ বাট কি মতা, কি তিৰুতা, সকলোলৈকে মুকলি কৰি নিশ্চয় থোৱা হওক। যাৰ গাত বল আছে, মূৰত শকতি আছে, সি সেই বাটেদি গৈ খনা, লীলাৱতী বা গ্লেডষ্টোন, ব্ৰাইট, মৰ্লি, বসু, ঠাকুৰ যি পাৰে হওক। কিন্তু মতা আৰু তিৰুতাৰ কাৰ্য্যক্ষেত্ৰৰ বেৰ ভাঙি দি সকলোকে একেটা ভাত-চৰুৰ তলত জুই দিবলৈ লগাই দিলে ডেৱা খিচিৰি হলেও পৰমান্ন নহয়।”

— কৃপাবৰ বৰবৰুৱা।

# গীতাৰ কৰ্ম্মযোগ

শেৱালি মহন্ত
দ্বিতীয় বাৰ্ষিক শ্ৰেণী

গীতা হিন্দুৰ পবিত্ৰ গ্ৰন্থ। মহাভাৰতৰ ভীষ্ম পৰ্ব্বত বৰ্ণিত এই মহান গ্ৰন্থ খনিয়ে পৃথিবীৰ সকলো সাহিত্যৰ ওপৰতে প্ৰভাৱ বিস্তাৰ কৰিছে। বিশ্ব সাহিত্যৰ আকাশত গীতা এটি উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি আছে। গীতাৰ মাহাত্ম্যক বিশ্বৰ সকলো সাহিত্যই আদৰি লৈছে। বিশ্ব সাহিত্যত গীতাৰ স্থান আৰু খ্যাতি অনান্য ভাৰতীয় সাহিত্যৰ বহুতো ওপৰত।

কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জ্জুনে আত্মীয়-স্বজনৰ লগত যুদ্ধ কৰিবলৈ অমান্তি হোৱাত পাৰ্থসাৰথি শ্ৰীকৃষ্ণই অৰ্জ্জুনক নানা উপদেশেৰে যুদ্ধত প্ৰবৃত্ত কৰাইছিল। শ্ৰীকৃষ্ণৰ মুখৰ পৰা ওলোৱা সেই বাণী সমূহেই গীতা শাস্ত্ৰ বুলি পণ্ডিত সকলে মত প্ৰকাশ কৰি থৈ গৈছে।

গীতা হিন্দুৰ পবিত্ৰ ধৰ্ম্ম গ্ৰন্থ হলেও ইয়াৰ বুকুত সকলো মানৱেই জীৱনৰ উহ বিচাৰি পায়। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে গীতাই সকলো মানৱকে মুক্তিৰ সুগম পথৰ সন্ধান দিছে। মনোবৈজ্ঞানিক দৃষ্টি ভঙ্গিৰে চাবলৈ গলে জীৱনটোৱেই হল এখন কুৰুক্ষেত্ৰ। কুৰুক্ষেত্ৰৰ যুদ্ধত যেনেকৈ কৌৰৱ আৰু পাণ্ডৱ সকলে যুদ্ধ কৰিছিল ঠিক সেইদৰে আমিও জন্মৰ পৰা মৃত্যুলৈ জীৱনৰ লগত যুজ কৰিব লাগিছো। কুৰুক্ষেত্ৰৰ ৰণত শ্ৰীকৃষ্ণই ৰথ পৰিচালনা কৰাৰ দৰেই আমিও জীৱনৰ ৰথ খনক পৰিচলনা কৰিব লাগিছো ইক। তেন্তে আমাৰ শৰীৰটোৱেই হল একো একোখনি ৰথ, আত্মা ৰথী, বুদ্ধি ৰথৰ ঘোৰা আৰু মনটোৱেই হৈছে ঘোৰাৰ লাগাম।

ওঠৰটা অধ্যায়েৰে পৰিপূৰ্ণ গীতা শাস্ত্ৰ খনিয়ে কৰ্ম্মৰ ওপৰত বিশেষ গুৰুত্ব অৰোপ কৰিছে। কৰ্ম্মময় ক্ষন্তেকীয়া জীৱন কৰ্ম্মহীন দীঘলীয়া জীৱনতকৈ বহুত মূল্যবান। স্বাৰ্থত্যাগ আৰু নিষ্কাম কৰ্ম্মৰ দ্বাৰা আমি ভগবানৰ ওচৰ চাপিব পাৰো। জীৱন আৰু জীৱনৰ উদ্দেশ্য, কৰ্ম্ম, মুক্তি, আদি জীৱনৰ চাৰিও দিশৰে পুংখানুপুংখ ৰূপটি আমি গীতাৰ বুকুত বিচাৰি পাওঁ।

বৈচিত্ৰ্যময় পৃথিবীত জীৱ শ্ৰেষ্ঠ মানৱৰ প্ৰধান লক্ষ্য হৈছে ভগবানৰ সান্নিধ্য লাভ কৰা। ভগবানৰ সুদৃষ্টি নহলে জীৱন যুদ্ধত জয়লাভ কৰা অসম্ভৱ। সেয়েহে ভগবানে গীতাত কৈছে—।

“যে তু সৰ্ব্বানি কৰ্ম্মানি ময়ি সংন্যস্য মৎপৰাঃ।
অনন্যেনৈব যোগেন মাং ধ্যায়ন্ত উপাসতে॥
তেষামহং সমুদ্ধৰ্ত্তা মৃত্যু-সংসাৰ-সাগৰাৎ।
ভবামি ন চিৰাৎ পাৰ্থ ময্যাবেশিতচেতসাম্॥”
( ১২শ অধ্যায় )

কৰ্ম্মবহুল জীৱনটোক পবিত্ৰ অন্তৰেৰে ভগবানৰ নামত উচ্ছৰ্গা কৰিব পাৰিলেহে আমি সংসাৰৰ বৈতৰণী নদীত সুকলমে সাঁতুৰি পাৰ হব পাৰিম।

মানৱ সেৱাৰ যোগেদি আমি ভগবানৰ সুদৃষ্টি আকৰ্ষণ কৰিব পাৰো। লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্য্য এই ছয় ৰিপুক বশ কৰি মানৱ সেৱা কৰিব পৰিলেই আমি ভগবান পূজাৰ নিৰ্দ্দাং-কৰম সমাধান কৰিব পাৰিম। সেয়েহে কৱিয়েও গাইছে—

“মানুহেই দেৱ মানুহেই সেৱ,
মানুহ বিনে নাই কেওঁ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লৈ
জয় জয় মানৱ দেৱ॥

আকৌ গীতাত কৈছে—

“লোক সংগ্ৰহমেবাপি সংপশ্যন্ কৰ্ত্তুমৰ্হসি॥
যদ্ যদাচৰতি শ্ৰেষ্ঠস্তত্তদেবেতৰো জনঃ। (৩য় অধ্যায়)

মানুহেই দেৱতা “Man is the highest temple of God.” এতেকে মানৱ সেৱাৰ দ্বাৰাই আমি ভগবান সেৱাৰ ফল লাভ কৰিব পাৰিম।

লোভ, মোহ, হিংসা, দ্বেষ অন্তৰৰ পৰা সমূলকে ধ্বংস কৰি দয়া আৰু ক্ষমাৰ মন্ত্ৰেৰে মানৱ সেৱাৰ ব্ৰতত— ব্ৰতীহৈ করুণাময়ৰ আশীষ নিৰ্ম্মাল্যৰে জীৱনক মহীয়ান কৰিব পাৰি। মানৱ প্ৰেমৰ প্ৰৱাহে যাৰ অন্তৰ পবিত্ৰ কৰি তোলে সেই জন লোকেই ভগৱানৰ সহায়েৰে সংসাৰ সমুদ্ৰৰ বুকুত জীৱনৰ পালতৰা নাও খনিক সাংসাৰিক বতাহ ধুমুহাৰ প্ৰচণ্ড অত্যাচাৰৰ পৰা ৰক্ষা কৰি নিৰ্ব্বিঘ্নে জীৱনৰ ঘাট সামৰিবলৈ সক্ষম হয় আৰু তেৱেঁই ভগৱানৰ প্ৰিয় পাত্ৰ হ'বলৈও সক্ষম হয়।

গীতাত সেয়েহে ভগৱানে উপদেশ দিছে—

" যস্মান্নোদ্বিজতে লোকো লোকান্নোদ্বিজতে চ যঃ।
হৰ্ষামৰ্ষভয়োদ্বেগৈৰ্মুক্তো যঃ স মে প্ৰিয়ঃ ॥

( ১২শ অধ্যায় )

আৰৌ—

" অনপেক্ষঃ শুচিৰ্দ্দক্ষ উদাসীনো গতব্যথঃ।
সৰ্ব্বাৰম্ভ পৰিত্যাগী যো মদ্ভক্তঃ স মে প্ৰিয়ঃ ॥"

( ১২শ অধ্যায় )

ভগৱানৰ প্ৰেমামৃত সাগৰত ডুব যাব পাৰিলেই আমি মুক্তি পাম সংসাৰৰ দুখ বেদনাৰ পৰা। মানৱ সেৱাৰ দ্বাৰাই মুক্তিৰ সুগম পথ পাব পাৰি বুলি গীতাই আমাক নিৰ্দ্দেশ দিছে। গীতাৰ তাৎপৰ্য্য উপলব্ধি কৰি সেয়েহে গান্ধীজীয়ে কৈছিল- " মানৱ সেৱাই মোৰ মুক্তিৰ পথ।"

কৰ্ম্মযোগ— ভক্তিযোগ আৰু জ্ঞান যোগৰ দ্বাৰা আমি ভগৱানক লাভ কৰিব পাৰো। ভগৱানৰ সান্নিধ্য লাভ কৰিবৰ বাবে গীতাই আমাক এই তিনিটা পথৰ সন্ধান দিছে। এই তিনিওটা পথৰ ভিতৰত গীতাই কৰ্ম্মৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰিছে।

কৰ্ম্ম ই যে মানৱৰ প্ৰকৃত ধৰ্ম্ম এই কথাষাৰৰ তাৎপৰ্য্য গীতাত সুন্দৰকৈ প্ৰকাশ পাইছে। কৰ্ম্মৰ দ্বাৰাইহে, জীৱনে পৰিপূৰ্ণতা লাভ কৰিব পাৰে কৰ্ম্মহীন জীৱন লৈ জীয়াই থকাটো মানৱৰ মানৱীয়তা নহয়। কৰ্ম্মহীন জীৱনে মানৱীয়তাৰ ওপৰত কলঙ্ক সানে। কৰ্ম্মৰ দ্বাৰাইহে আমি ব্যক্তিগত আৰু সামাজিক জীৱনৰ হিতসাধন কৰিব পাৰো।

কৰ্ম্ম'ই হৈছে মানৱ জীৱনৰ প্ৰকৃত উদ্দেশ্য। কৰ্ম্ম সমাপন কৰি যিজনে কৰ্ম্ম ফলত আসক্তি নাৰাখে তেওঁৱেই কৰ্ম্মময় জীৱন সুখৰ হয়। কাম কৰাইহে মানৱ জীৱনৰ উদ্দেশ্য হোৱা উচিত, কৰ্ম্মফলৰ প্ৰতি আসক্তি ৰখাটো আমাৰ উচিত নহয়। ভগৱানেও গীতাত আমাক সয়েহে সোঁৱৰাই দিছে—

" কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্ম্মফলহেতুৰ্ভূৰ্মা তে সঙ্গোহস্ত্ব কৰ্ম্মণি ॥ "

আমাৰ প্ৰধান লক্ষ্য কৰ্ত্তব্যৰ পথত আগবঢ়াটোহে, কৰ্ম্মফল লাভ কৰাটো নহয়। কথাতে কয় 'ফলাফল ফলদাতা বিভুৰ হাতত।" আমি সকলো কামেই ভগৱানক সমৰ্পন কৰা উচিত। কৰ্ম্মফলৰ প্ৰতি আসক্তি ৰখা জন দুখৰ পাত্ৰ হয়। তেওঁ প্ৰকৃত সুখ লাভ কৰিব নোৱাৰে। দ্বিতীয় অধ্যায়ত ভগৱানে গীতাত কৈছে—

" দূৰেণ হ্যৱৰং কৰ্ম্ম বুদ্ধিযোগাদ্ ধনঞ্জয়।
বুদ্ধৌ শৰণমন্বিচ্ছ কৃপনাঃ ফলহেতৱঃ ॥"

লাভালাভৰ প্ৰশ্ন মনলৈ নানি ভগৱানৰ উদ্দেশ্যে আমি কাম কৰিব লাগে। কৰ্ম্মফল বিশ্বাসৰ ওপৰত গীতাই বিশেষ গুৰুত্ব আৰোপ কৰা নাই। কৰ্ম্ম ফলত বিশ্বাস নাৰাখি যিজনে ভগৱানত আত্ম সমৰ্পন কৰি নিজ কৰ্ত্তব্যত আগ বাঢ়ে তেৱেঁই সংসাৰৰ চিৰসেউজীয়া শান্তিৰ শীতল ছাঁত জিৰণি লব পাৰে—।

" যুক্তঃ কৰ্ম্মফলং ত্যক্ত্বা
শান্তিমাপ্নোতি নৈষ্ঠিকীম্।
অযুক্তঃ কাম কাৰেণ
ফলে সক্তো নিবধ্যতে ॥"

কৰ্ম্মফলৰ প্ৰতি অনাসক্ত হৈ যি একাগ্ৰ চিত্তে নিজৰ কামত আগ বাঢ়িব পাৰিছে তেওঁৱেই সংসাৰত প্ৰকৃত সাধক। কৰ্ম্মফল ত্যাগী সেই জন ব্যক্তিয়েই মুক্তিৰ সন্ধান পায়।

মুক্তি পথৰ সন্ধানত আগবঢ়াৰ লগে লগে আমি আমাৰ ছয় ৰিপুক বশ কৰি লব লাগিব। স্বাৰ্থপৰতা, হিংসা, দ্বেষ, অসূয়া অপ্ৰীতি আদি অন্তৰৰ কলীয়া এলান্ধুক নিস্বাৰ্থৰ প্ৰচণ্ড ধুমুহাত উৰুৱাই আমি আমাৰ কৰ্ত্তব্যত ৰত হব লাগিব। ব্যক্তিগত স্বাৰ্থত মনটো ডুবাই নিদি সমূহীয়া স্বাৰ্থ অক্ষুণ্ণ ৰখাটো আমাৰ সৰ্ব্ব প্ৰধান উদ্দেশ্য হোৱা উচিত। আমাৰ মৰম, চেনেহ, দয়া, ক্ষমা ঐক্যকেন্দ্ৰিক হোৱাতকৈ বহুকেন্দ্ৰিক হোৱাটোহে বাঞ্চনীয়। সকলো প্ৰানীৰে হিত সাধন, সমূহীয়া স্বাৰ্থৰ প্ৰতি সচেতন আৰু অহংকাৰ দমন এই সকলোবোৰ উপদেশ গীতাই আমাক প্ৰদান কৰিছে। এইদৰেই নিষ্কাম কৰ্ম্মৰ দ্বাৰা মানৱ সেৱাৰ জৰিয়তে আমি ভগৱানৰ ৰহস্যৰ স্বৰূপ উপলব্ধি কৰিবলৈ সক্ষম হব পাৰোঁহক।

শাস্ত্ৰ অভিমত ধৰ্ম্ম কৰ্ম্মৰ ওপৰত ভেটি স্থাপন কৰি গঢ়ি উঠা গীতা শাস্ত্ৰ খনিয়ে এই দৰেই মানৱ সমাজত কৰ্ম্মৰ মাহাত্ম্য প্ৰকাশ কৰিছে। আত্মশুদ্ধি আৰু ধৰ্ম্ম ভাৱৰ ওপৰত গীতাই গুৰুত্ব আৰোপ কৰিছে। ক্ষমা, দয়া, গুৰুজনৰ প্ৰতি ভক্তি, আত্মসংযম, অহংকাৰ - শূন্যতা আদি মানৱ ধৰ্ম্মৰ সকলো গুণ গীতাৰ বুকুত সকলো মানুহেই বিচাৰি লব পাৰে। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে গীতাই সকলো মানৱৰে মানবীয় ধৰ্ম্মৰ সকলো গুণৰ মাহাত্ম্য প্ৰকাশ কৰিছে যি গুণৰ সহায়েৰে সকলো মানুহে মুক্তিৰ শীতল কোলাত নিৰ্ব্বিঘ্নে জিৰণি লব পাৰে।

---

" প্ৰেম মানুহৰ গাত ধৰ-আই ওলোৱাৰ নিচিনা। তাৰ গুটিসঁচ মানুহৰ মুখত লৈ গলে সেই মানুহজন লাগে যদি পিছত আই ওলোৱা মানুহৰ মাজত ৰহি থাকক, তথাপি নিৰাপদ। প্ৰেম জ্বৰে মানুহক তাৰ ষোলৰ পৰা পঁচিশ বছৰৰ ভিতৰলৈকে কালডোখৰত ধৰে। তাৰ পিছত তাৰ বীজাণু মৰি যায়।" প্ৰেম-জ্বৰৰ প্ৰকোপ Virulent type of মেলেৰীয়া জ্বৰৰ প্ৰকোপতকৈও বেছি। মেলেৰীয়া জ্বৰ ১০৪-১০৭ ডিগ্ৰী তাপে তাৰ তাপক লৰি লগকে ধৰিব নোৱাৰে। তেনে অৱস্থাত প্ৰেম-জ্বৰৰ ৰোগীয়ে হয় আত্মহত্যা কৰে নাইবা লোকক খুন কৰিবলৈ ওলায়। পগলাগাৰদটো তেনে ৰোগীৰ শহুৰেকৰ ঘৰ। সেইদেখি ডেকালৰাই তাৰ পোন্ধৰ ষোল বছৰ বয়সতেই ভালকৈ ছিটা লোৱা ভাল। আগন্তুক ৰোগীয়ে নিজে আগবাঢ়ি ছিটা লব নুখুজিলেও তাৰ হিতৈষীসকলে বলেৰে ধৰি ছিটা দিয়া উচিত। তেনেহলে পিছত ৰোগে ৰবকৈ পীড়িব নোৱাৰে। সেই ছিটাৰ নাম ব্ৰহ্মচৰ্য্য আৰু সৎসঙ্গ।"

— কৃপাবৰ বৰবৰুৱা।

# "বৰগীতত যশোদা"

আবতি বৰা ।
প্ৰাক্তন ছাত্ৰী ।

"বৰগীত" মহাপুৰুষদ্বয়ৰ কুশলী হাতৰ ৰচনা। আন কোনো কবিৰ ৰচিত গীত এই বৰগীতৰ কাষ চাপিব নোৱাৰে। ভক্তসকলেই "বৰগীত" নামকৰণ কৰি আন গীত মাততকৈ ইয়াৰ শ্ৰেষ্ঠতা ঘোষণা কৰি উপযুক্ত মৰ্য্যাদা দিছে। আন গীতৰ বিপৰীতে ই "বৰগীত"। এই কথাত অকণো অত্যুক্তি নাই।

এহাতে আমাৰ দুৰ্ভাগ্য আৰু লগতে সৌভাগ্য যে শঙ্কৰদেৱৰ ৰচিত বৰগীত বাৰকুৰি কমলা বায়নৰ ঘৰত পুৰিলে। দুৰ্ভাগ্য এয়ে যে শঙ্কৰদেৱৰ মুকুতা যেন অমূল্য লিখনিৰ কেই-বাটিও মুকুতা হেৰুৱালো আৰু সৌভাগ্য এয়ে যে ইয়াৰ ফলস্বৰূপে আমি মাধৱদেৱৰ বৰগীত খিনি পালো—আন কেইটিমান অমূল্য মুকুতা। কাৰণ সেই বৰগীতখিনি নোপোৱা হলে শঙ্কৰদেৱে মাধৱদেৱক কেতিয়াও নকলেহেতেন— "বৰাৰ পো অনেক শ্ৰমকৈ গীতখানি কৈলো পুইল্লে। গীত কিছু কৰা। আমি নকৰো আৰু।" গুৰুৰ আদেশ পাইহে মাধৱদেৱে বৰগীত লিখিছিল।

বৰগীতৰ বিষয়ে মই বহলাই কব খোজা নাই। মাত্ৰ মোৰ ক্ষুদ্ৰ জ্ঞানেৰে কব খুজিছো ইয়াত থকা যশোদাৰ ভূমিকাৰ বিষয়েহে। কৃষ্ণৰ মাতৃ নন্দজায়া যশোদাই বৰগীতত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে- যদিও কৃষ্ণ বৰগীতৰ মধ্যমণি। অৱশ্যে মাধৱদেৱৰ বৰগীততহে কৃষ্ণৰ লৰালি ৰূপটো আৰু মাতৃ যশোদাৰ চৰিত্ৰটো সুন্দৰকৈ প্ৰকাশ পাইছে।

যশোদা এগৰাকী আদৰ্শ গৃহিণী, মৰমীয়াল মাতৃ আৰু কঠোৰ পুত্ৰ শাসিকা। ৰাণী হৈও তেওঁ ভোগ বিলাসত মজি ৰাণীৰ ভেম ধৰি থকা নাই।

কৃষ্ণ যশোদাৰ আ তো ল - তো ল তেতেলীৰ জোল। মূৰত থলে ওকণিয়ে খাব মাটিত থলে পৰুৱাই খাব। নিজৰ সকলো খিনি মৰম উজাৰি দি যশোদাই কৃষ্ণক ডাঙৰ কৰিছে। মাতৃৰ সকলোখিনি কৰ্ত্তব্যকে পালন কৰি গৈছে ইটোৰ পিছত সিটোকৈ। আঠু-কাঢ়ি ইফাল সিফাল কৰি ফুৰা কৃষ্ণক দেখি যশোদাৰ মাতৃস্নেহ উথলি উঠিছে—

"কবহো বৈঠিয়েকহো পেখিয়ে যশোদা মাই,
হাস্ফুলি চলে ঘনে ঘন।
ভাবতু "মাই মাই" কৰো খেন বেন
যশোৱা পেখিতে ঝুৰে মন॥
যশোৱা সুন্দৰী কুচকহো ধৰি হৰি
ৰয়না কয় তন পান।
হাসিয়ে যশোৱা মাই চুম্বয় ঘনে ঘনে
দীন মাধৱে গুণ গান॥" (মাধৱদেৱ)

"বৰগীত"ত যশোদাক এগৰাকী আদৰ্শ





মাতৃৰূপেহে পাওঁ— গকুলৰ ৰাণী যশোদাৰূপে নহয়। এগৰাকী মাতৃৰ সকলোখিনি মৰম-চেনেহ- মমতাৰে তেওঁ মহীয়ান। কৃষ্ণই ৰাতি-পুৱা গৰু চৰাবলৈ যাব লাগে, সেইকাৰণে যশোদাই ৰাতিপুৱাই জগাই দিয়ে—

"উঠৰে উঠ বাপু গোপাল হে নিশি পৰভাত ভেল
কমল নয়ন বুলি ঘন ঘন যশোৱা ডাকিতে লৈল॥
—মোৰ প্ৰাণধন সুচান্দ বয়ন
গাৱ চালি তেজ নিন্দ॥" (মাধৱদেৱ)

এইবুলি মুখত চুমা খাই যশোদাৰ হেপাহ পলোৱা নাই। এইখিনিতে আমাৰ কবিয়ে ভক্তা যশোদাক আমাৰ আগত দাঙি ধৰিছে। ভক্তা যশোদাৰ অচলা ভক্তিৰ আকুল আহ্বানত ৰব নোৱাৰি ভক্তৰ অধীন কৃষ্ণই তেওঁৰ পুত্ৰ ৰূপে জন্ম গ্ৰহণ কৰিছে—

"সিদ্ধ মুনিগনে চিন্তিয়া নপাৱ
সো হৰি যশোৱা কোলে।" (মাধৱদেৱ)

এয়া কবিৰ কথা। যশোদাৰ কাৰ্য্যকলাপত কিন্তু ইয়াৰ একো চিন প্ৰকাশ পোৱা নাই। তেওঁ মাত্ৰ জানে কৃষ্ণ তেওঁৰ পুত্ৰ।

কৃষ্ণৰ মান অভিমানেৰে তেওঁৰ জীৱন পূৰ্ণ। কৃষ্ণৰ কিমান যে আহুকাল যশোদাই সহিব লাগে। ৰাতিপুৱা জগাবলৈ কৃষ্ণৰ লগত বহুবেলি যুঁজবাগৰ কৰিব লগা হয়। ইতি-মধ্যে দাম সুদামে আহি কৃষ্ণক টেটুফালি চিঞৰিব লাগিছে। বলোৰামো সাজি কাচি ওলাল। আনকি দেউতাকো ওলাই গল গুচিলৈ। নানা খটখান্ধ কৰাৰ পিছত কোনোমতে কৃষ্ণ উঠিল। এতিয়াও জানো যশোদাৰ শান্তি আছে? আকৌ গাখীৰ খুওৱা লৈ জানো যশোদাৰ কম শান্তি? যশোদাই যিমানে গাখীৰ খুৱাবলৈ চেষ্টা কৰে সিমানে "দুগ্ধ নখাই হৰি কান্দে ওৱা ওৱা।" হাত ভৰিত ধৰিব-লৈও মাকে এৰা নাই— "পাৱে ধৰো শিৰে ধৰো দুগ্ধ পিও হৰি" তথাপি কৃষ্ণই "মুখে স্তন লৈয়া কান্দি ফেকুৰি ফেকুৰি।" শেষত কোনোমতে খুৱাই বুৱাই কৃষ্ণক গৰু চৰাবলৈ পঠিয়াই দিয়ে।

গৰু চৰাই অহাৰ পিছত জানো কৃষ্ণই যশোদাক কম আমনি দিয়ে! ঘৰ পায়েই মাকক কৰ—

"আজো চিনান কৰৰ নাহি মাৱ॥
ফিৰলো বনে বনে ধেনু বিচাৰি।
তৃণে কাটল সব শৰীৰ হামাৰি॥
স্নান কৰিতে লাগিয়ে তথি নীৰ।
পোড়ব হামাকেৰি সকল শৰীৰ॥
কাকু কৰিয়ে বোলহো শুন মাই।
শুতিয়ে ৰহব আজো কিছুৱে নখাই॥
( মাধৱদেৱ )

এয়েই যথেষ্ট যশোদাৰ মাতৃ হৃদয়ত কান্দোনৰ খলকনি তুলিবলৈ। যশোদাৰ চকুপানী ওলালেই "প্ৰেম পৰশি নয়নে ঝৰে বাৰি॥" তাৰ পিছত কোলাত লৈ কৃষ্ণক নিচুকায় "গা নোধোৱাকৈ থাকিব নাপায় নহয় সোন। মই তোমাৰ গাত লৱনু সানি গা ধুৱাই দিম। তেতিয়াহলে ঘাঁহে কটা ঠাইত নধৰে নহয়। তাৰ পিছত আমাৰ সোনে ভাত খাব। লৱনুও দিম নহয়। তুমি ইমান ভাল লৰা। মোকনো তুমি মিছায়ে কিয় দুখ দিয়া?" সেইবুলি যশোদাই কৃষ্ণক আৱশ্যক মতে শাসনো কৰে।

উদ্ভণ্ডালি সহিব নোৱাৰি কেতিয়াবা মাৰিব লগাও হয়। গোৱালীবোৰৰ ঘৰত কৃষ্ণই লৱনু চুৰ কৰে, কলহ আদি নানা বস্তু ভাঙি থৈ আহে। কিবা কলে আৰু বেছিহে কৰে। সেইকাৰণে উপায় নাপাই গোপীবোৰে যশোদাক লগায়হি। কৃষ্ণৰ উদ্ভণ্ডালিৰ কথা শুনি শুনি অতিষ্ঠ হৈ পুতেকক গালি পাৰিব লগা হয়। ঘৰতো জানো কমখন উদ্ভণ্ডালি কৰে! এবাৰ যশোদা কামত ব্যস্ত হৈ থাকোতে কৃষ্ণই চুৰকৈ লৱনু খালে লগতে মথনি বাৰিডালো ভাঙিলে। গম পাই যশোদাৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ আৰু কৃষ্ণক মাৰিবলৈ খেদি গল। লগে লগে ভয়তে কান্দি কৃষ্ণই লৰ মাৰিলে। এয়া অতি স্বাভাৱিক। আমাৰ চকুৰ আগত সদায় ঘটি থকা ঘটনা। ইটো সিটো ভাঙি ফুৰা দুষ্ট লৰাক মাকে খেদি গৈ ধৰি আনি দুহাত একাত দিয়া চিত্ৰটো ইয়াত সুন্দৰকৈ ফুটি উঠিছে।

আকৌ সেই চুৰ কৰি খোৱা কাৰণে মাকৰ মাৰ খোৱা লৰাটোৱে যেতিয়া ভোক লাগিছে বুলি কয় তেতিয়া সেই জনী মাকেই লৰালৰিকৈ পুতেকৰ আগত খোৱা বস্তু যোগায়হি। যশোদাও মাতৃ। গতিকে কৃষ্ণই যেতিয়া আহি কয়—

"মেৰে মাই যশোৱা আজো হামো বৰহি ভুখাৰী।
যে কিছু লৱনু, হামাক দেলহ, নাহি খাৱলো সোহি ৰুখাৰী॥
হামো ৰিহানত খেড়ি খেলাৱত
আজু কিছু এ নাহি খাৱতৰি।
তুমহি হামাকু নাহি ডাকল মাই
ভোখহি বৰ দুঃখ পাৱতৰি॥"
(মাধৱদেৱ)

তেতিয়া যশোদাই লৰালৰিকৈ পুতেকক কোলাত তুলি চুমা খাই গাৰ কাপোৰৰ আঁচলেৰে গা মচি নানা ধৰণৰ খোৱা বস্তু আনি খুৱাই ভোজনৰত পুতেকৰ মুখলৈ চাই পৰম তৃপ্তি লাভ কৰে।

কোনো মাতৃয়ে আনৰ মুখত নিজ পুত্ৰৰ দোষৰ কথা শুনি সহ্য কৰিব নোৱাৰে। পুতেক লাগিলে যিমানেই দুষ্ট নহওক। কৃষ্ণৰ উদ্ভণ্ডালিত থাকিব নোৱাৰি গোপীয়ে যশোদাক লগায়হি আৰু ফল স্বৰূপে লগাওঁতাই উভতি গালি খায়। এই সুযোগকে লৈ কৃষ্ণই গোপীবোৰক মাকৰ গালি খুৱায়। আৰু মাকক লগাই দিম বুলি ক্ষীৰ লৱনু আদায় কৰে।

এদিন কৃষ্ণ গছৰ তলত শুই আছিল। ৰাধা সেইফালেদি পানী আনিবলৈ যাওঁতে অকলে অকলে শুই থকা কৃষ্ণক দেখি কোনোবাই লৈ যাব বুলি গহনা আৰু কাপোৰখিনি খুলি আনি যশোদাক দি ঘটনাটো কলে। ইফালে কৃষ্ণই সাৰ পাই গাৰ কাপোৰ কানি নেদেখি মাকৰ ভয়ত অলপ বেলি পলাই থাকি শেষত দেখিলে যে এনেকৈ থাকিলে নহয়, গতিকে পেটে পেটে বুদ্ধি সাজি মাকৰ ওচৰলৈ আহিল আৰু আহিয়েই কলে—

"মাই মাই ভূষণ কৱাৱা হামাৰি।
যবহু সৰোতৰ পুছত নাহি, পাৱত মোহি নাহি
দোৱ বিচাৰি॥
একু গোৱাৰিণী মাতি হামাকু
দেলহ বোলি গিঠাই।
তাহেক ভোজন কৰিয়ে শয়ন ৰহো
চেতন হবাৱলো মাই॥
শিৰ ফিৰাৱত নয়ন বুলাৱত
ঘন ঘন আৱত হামি।
জ্ঞান বিৰহিত হোই কদম্ব তলে
একা শুতাৱলো আমি॥
ৰাধা ভূষণ চোৰি কৰিয়ে
কহো পুছত বাত হামাৰি।"
(মাধৱদেৱ)



( নগাওঁ ছোৱালী কলেজ আলোচনী )

আজলী যশোদাই কৃষ্ণৰ এই তালি ভালিখন বুজি নাপাই চুৰনী বুলি ৰাধাক গালি পাৰি খেদি দিলে।

"আলো মাই কি কহবো দুখ।
পৰাণ নিগৰে না দেখিয়া চান্দ মুখ॥"
(মাধৱদেৱ)

এই বৰগীতটোত কৃষ্ণ মথুৰালৈ যাওঁতে পুত্ৰৰ বিৰহত শোকাতুৰ যশোদাৰ অন্তৰৰ কৰুণ আৰ্ত্তনাদ আমি শুনিবলৈ পাওঁ। চকুৰ পানীৰে যশোদাই বাট দেখা নাই। বুঢ়া বয়সত লাভ কৰা হিয়াৰ মানিক কৃষ্ণ-

"কত পুন্যে লভিলো গুণেৰ নিধি শ্যাম।
বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম॥"
(মাধৱদেৱ)

কৃষ্ণৰ অবিহনে যশোদাৰ দিন নাযায় ৰাতি নুপুৱায়। মৃদু মধু মলয়ায়ো গাত জুইহে জ্বলায়-
"দিবস নযায় সুখে নযায় ৰয়নী।
চান্দ চন্দন মন্দ পৱন বৈৰিনী॥"
কতো শান্তি নাই- "কোথা যাওঁ কোথা থাকো কিবা কৰে মন"। কোনো মাতৃয়ে পুত্ৰৰ এনে বিচ্ছেদ সহিব নোৱাৰে। যশোদাইও পৰা নাই।

এনেকৈয়ে যশোদাই বৰগীতৰ ভালেমান ঠাই জুৰি এক উচ্চ স্থান লাভ কৰিছে।

---

"অসমৰ চাৰিভাগ মানুহৰ ভিতৰত তিনিভাগে ইংৰাজীত যাক কয় wit and humour হাঁহি বা হাস্যৰসৰ সোৱাদ লব নোৱাৰে। হাঁহিৰ ৰস নোপোৱা অসমীয়া এই বাবেই জহন্নামলৈ গৈছে।"

—কৃপাবৰ বৰবৰুৱা।

# অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ অৱদান ।

নলিনী চৌধুৰী
২য় বাৰ্ষিক ।

অসমীয়া সাহিত্য আকাশত লক্ষ্মীনাথ বেজবৰুৱা সন্ধিয়াৰ ভোটা তৰা স্বৰূপ। যি সময়ত অসমীয়া সাহিত্য আঁউসীৰ ঘন আন্ধাৰত বুৰ গৈ আছিল সেই সময়তেই বেজবৰুৱাৰ আৱিৰ্ভাৱ হয়। তেতিয়া অসমীয়া ভাষা জননীৰ বিষয়ে বঙালী সকলে বহুতো অপপ্ৰচাৰ চলাইছিল, এই ডাৱৰে আৱৰা এন্ধাৰ অৱস্থাত বেজবৰুৱা আছিল এটি দীপ্ত বহ্নি শিখা। সেই বন্তিৰ পোহৰত সঞ্জীৱিত হৈ অসমীয়া ভাষাই আজিৰ ৰূপ পালে।

অসমীয়া সাহিত্যৰ এনে এটা দিশ নাই, যিটো দিশ বেজবৰুৱাৰ স্বকীয় মৌলিক প্ৰতিভাৰ পৰশেৰে সঞ্জীৱিত হৈ উঠা নাই। গতিকে তেখেতৰ প্ৰতিভা সম্বন্ধে আলোচনা কৰাটো সহজ নহয়। বাস্তৱতে লক্ষ্মীনাথ বেজবৰুৱা এজন শ্ৰেষ্ঠ কবিয়েই নহয়, তেওঁ এজন শ্ৰেষ্ঠ নাট্যকাৰ, শ্ৰেষ্ঠ গল্পলেখক, শ্ৰেষ্ঠ ঔপন্যাসিক, শ্ৰেষ্ঠ বক্তা, শ্ৰেষ্ঠ সমালোচক, শ্ৰেষ্ঠ হাস্যৰসিক। ব্যঙ্গ আৰু হাস্যৰসিক লিখক হিচাপে তেখেতেই অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ ব্যক্তি।

বেজবৰুৱাৰ হাস্যৰসৰ ফল্গু ধাৰাই বোৱতী সুঁতিৰ দৰে প্ৰবাহিত হৈ আজিও আমাক হঁহুৱাইছে। করুণ ৰসত কাব্যই শীৰ্ষস্থান পালেও হাস্যৰসক অস্বীকাৰ কৰিব নোৱাৰি। পৃথিৱীত যিদৰে ৰাতিৰ এন্ধাৰৰ পিছত দিনৰ পোহৰ উপলব্ধি কৰা যায়, যিদৰে মানৱ জীৱনৰ সুখ-দুখ চিৰলগৰীয়া আৰু দুখ নহলে সুখৰ উপলব্ধি নহয়, সেইদৰে হাঁহি নহলে ক্ৰন্দনৰ



মাধুৰ্য্য উপলব্ধি নহয়। গতিকে হাস্যৰসৰ প্ৰতি যিখিনি অৱদান বেজবৰুৱাই দি থৈ গ'ল সেই অৱদানে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিব।

<u>বেজবৰুৱাৰ কবিতা</u>:— বেজবৰুৱাৰ কবি জীৱন আৰম্ভ হয় "জোনাকী" নামৰ মাহেকীয়া আলোচনীখনিৰ দ্বাৰা। এই আলোচনীখন ১৮৮৯ চনৰ ৯ ফেব্ৰুৱাৰীৰ দিনা প্ৰকাশ পায়। "জোনাকী"ৰ বুকুত সৃষ্টি হোৱা ৰোমাণ্টিক আন্দোলনত সক্ৰিয় অংশ গ্ৰহণকাৰী সকলৰ ভিতৰত বেজবৰুৱা আছিল সৰ্ব্বাগ্ৰণী। এই কালতে এটা নতুন যুগৰ সূচনা কৰে। উনবিংশ শতিকাত গোটেই ইউৰোপত নৱন্যাস সাহিত্যৰ যি সোঁত বৈছিল, সেই সোঁত অসমীয়া সাহিত্যৰ ওপৰতো চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ জৰিয়তে প্ৰবাহমান হৈ পৰে। ফলত পুৰণি অসমীয়া সাহিত্যৰ ৰীতি-নীতিৰ আমূল পৰিবৰ্ত্তণ ঘটিল। পাশ্চাত্য সাহিত্যৰ নতুন বং বহনে সৃষ্টি কৰালে নতুন ছন্দৰ কবিতা। পুৰণি অসমীয়া কবিতাৰ বৈশিষ্ট্য আছিল ইহজগত আৰু পৰজগতৰ মাজত সম্বন্ধ স্থাপন কৰা আৰু সমাজৰ নৈতিক আদৰ্শৰ শিক্ষা দিয়া। বেজবৰুৱাই ভালকৈ উপলব্ধি কৰিব পাৰিছিল যে কবিতা যিহেতু জীৱনৰ সমালোচনা গতিকে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জীৱনক কেন্দ্ৰ কৰিয়েই যিকোনো কবিতা ৰচনা কৰা হব পাৰে।

ৰোমাণ্টিক কবিতাৰ অনুভূতিশীলতা, ভাব-প্ৰৱণতা, দেশপ্ৰেম, আধ্যাত্মিক ভাব আদি গুণ বেজবৰুৱাৰ কবিতাত দেখা যায়। কিছুমান কবিতাত ৰোমাণ্টিক কবি সকলৰ বুকুৰ উতলা উম স্পন্দৰকৈ অনুভৱ কৰিব পাৰি। তেওঁৰ কবিতাৰ বিশেষ লক্ষণ হ'ল— সকলো ধৰণৰ ভাব আৰু অনুভূতি প্ৰকাশ। তেওঁৰ কবিতাত আমি "ভাগ্যহীন জীৱণৰ সুৰ হীন গানৰ' আভাস নাপাওঁ। তাৰ পৰিবৰ্তে আমি তেওঁৰ কবিতাত পাওঁ আশা-আকাঙ্খা, উৎসাহ-উদ্দীপনা আৰু আদৰ্শহে। বেজবৰুৱাৰ কবিতাত আত্ম-কেন্দ্ৰিকতাৰ পৰশ পোৱা নেযায়।

বেজবৰুৱাৰ "বীন বৰাগী" নামৰ কবিতাটি তেওঁৰ সৃষ্টি প্ৰয়াসী মন আৰু জাতীয়তা বোধৰ এক অতীৱ স্পন্দৰ সৃষ্টি। এই কবিতাটিৰ মাজেদি জাতীয় জীৱণৰ স্বৰূপটোৱেই যেন তেখেতৰ অন্তৰেদি নিজৰি নিজৰি দেখা দিছে। দেশখনৰ প্ৰতি থকা এটি গভীৰ ভালপোৱা এই কবিতাটিৰ ছন্দে ছন্দে প্ৰবাহিত হৈছে। এয়েই বেজবৰুৱাৰ আচল ৰূপ।

বেজবৰুৱাৰ কবিতাত আমি জ্বলন্ত আশাবাদ দেখিবলৈ পাওঁ। "শোকৰ সঙ্গীত সিটি বিষাদৰ সুৰ" — বুলি কবিতাৰ সংজ্ঞা দিলেও তেখেতৰ কবিতাত আশাবাদৰ বেঙনিহে দেখা যায়। —

"পকাচুলি" কবিতাত বেজবৰুৱাই নিজৰ বাৰ্দ্ধক্যকে ব্যঙ্গ কৰিছে। তেখেতে যৌৱন বিচাৰে— সেয়েহে কৈছে —

> "বুঢ়া বেলিত উষাৰ পোহৰ,
> বুঢ়া বিৰিখত বা বসন্তৰ।
> বুঢ়া আমত কুঁহিপাত;
> লবে জৰ, জৰ।"

এইদৰে বেজবৰুৱাৰ কবিতাত প্ৰবল আশাবাদৰ সুৰ শুনিবলৈ পোৱা যায়।

বেজবৰুৱাৰ চুটি গল্প :— বেজবৰুৱা আধুনিক যুগৰ এজন বিশিষ্ট গল্পকাৰ। চুটিগল্প অসমীয়া সাহিত্যৰ নিজা নহয়, ই পশ্চিমৰ প্ৰভাৱ। সেয়েহে চুটি গল্প বংশ গৌৰৱত বৰ প্ৰাচীন নহলেও আধুনিক সাহিত্যৰ ই এটা অপৰিহাৰ্য্য অঙ্গ। চুটি গল্প হ'ল— মানৱ জীৱনৰ কোনো এ অংশৰ ওপৰত কৰা আলোকপাত। ইয়াৰ কাহিনী বাস্তৱ ঘটনা নহলেও ই বাস্তৱতাৰ ভেটিত প্ৰতিষ্ঠিত হব লাগে, অসমীয়া সাহিত্যত এই গল্পই বিকাশ লাভ কৰে জোনাকী যুগত। ই পুৰণি অসমীয়া সাহিত্যৰ পৰা সম্পূৰ্ণ পৃথক। জোনাকী যুগত বেজবৰুৱাকেই আমি প্ৰথম অসমীয়া চুটিগল্প লেখক হিচাপে পাওঁ। বেজবৰুৱাৰ কাপৰ পৰা ওলোৱা— "সাধুকথাৰ কুঁকি", "জোনবিৰি", "সুৰভি", "ককাদেউতা আৰু নাতি লৰা", 'বুঢ়ী-আইৰ সাধু' আৰু "জুনুকা"ৰ প্ৰথম তিনিখন অসমীয়া সাহিত্যৰ প্ৰথম চুটি গল্পৰ পুথি। শেষৰ তিনিখন পুথিত সন্নিবিষ্ট প্ৰাচীন যুগধৰ্মী সাধু-বোৰৰ ৰূপ দিয়া আছে। এই ক্ষেত্ৰতো বেজ-বৰুৱাৰ কথন ভঙ্গীৰ এটা বিশেষত্ব আছে। ইংৰাজীত **'The style is the man himself'** অৰ্থাৎ "প্ৰকাশ ভঙ্গীয়েই 'ব্যক্তিত্ব'— এই উক্তি বেজবৰুৱাৰ ক্ষেত্ৰতো প্ৰযোজ্য।

বেজবৰুৱাৰ গাল্পিক প্ৰতিভাৰ গুৰি বিচাৰি গলে কেইবাটাওঁ কথা আমাৰ চকুত পৰে। তেওঁ অসমীয়াৰ আশা আকাঙ্খাৰ সন্ধেদ পাইছিল। তেওঁ পুৰণি সাহিত্য, ৰীতি-নীতি, ধৰ্ম্ম, আচাৰ ব্যৱহাৰ হেৰফেৰ নকৰাকৈ পালন কৰিছিল। সৰ্বসাধাৰণৰ চকুত নপৰা অতি সাধাৰণ কথাও তেখেতৰ বোধগম্য হৈছিল। গল্পবিলাকৰ শেষ পৰিণতি আৰু বৰ্ণনা ভঙ্গীলৈ চকু ৰাখি বিচাৰ কৰিলে কিছুমান গল্প হয়তো বেদনাসূচক, আৰু কিছুমান হাস্যৰস সূচক হিচাপে দেখা যাব। তেওঁৰ— "লাওখোলা" 'মালতী' 'সেউতী' 'কন্যা' 'পুত্ৰবান পিতা' আদি গল্পই একোটা বেদনাদায়ক প্ৰভাৱ পাঠকৰ মনত ৰাখি যায়। আনহাতে 'আমালৈ নাপাহৰিবা "জয়ন্তী" "চোৰ" "ভদৰী" "নকৈ" আদি গল্পত কাৰুণ্য থাকিলেও শেষ পৰিণতি আনন্দদায়ক।

গল্প সাহিত্যত বেজবৰুৱাৰ মননশীলতাতকৈ চিত্ৰধৰ্মী বৈশিষ্ট্যহে উল্লেখযোগ্য। তেখেতৰ "ভদৰী" গল্পৰ মাজেদি সামাজিক চিত্ৰ পৰিগ্ৰহ কৰি গল্প সাহিত্যৰ সাৰ্ব্বজনীনতা (subjective universality) থকাৰ প্ৰমাণ কৰে। লিখকে ইয়াৰ মাজেৰে আকাল ভৰ্‌ড়াল নোহোৱা পেটে ভাতে খাই থকা এহাল চহা কৃষকৰ বাস্তৱ চিত্ৰ দাঙি ধৰিছে। ইয়াতে বেজবৰুৱাৰ গল্পৰ সাৰ্থকতা।

বেজবৰুৱাই সুকুমাৰ কলাকো আঁতৰাই থোৱা নাই। তেখেতৰ গল্পৰ ঠায়ে ঠায়ে কাব্যিক প্ৰতিভাৰ প্ৰবেশ হলেও ইয়াৰ সৌষ্ঠৱ মাদক— তাৰ মাজত তিক্ততা লুকাই থকা নাই; বৰং কাব্যিক ভঙ্গীৰ সহায়ত ভাবৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা বেছি উজ্জ্বল হৈহে উঠিছে। তেখেতৰ "নকৈ" গল্পত দুজন প্ৰেমিক-প্ৰেমিকাৰ ভালপোৱাৰ গভীৰ আকৰ্ষণ আছে। নাহৰ ফুল পাৰিবলৈ গৈ বিলৰ সিপাৰে মহ গুৱালে গালে—





"কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ?
কেলৈ পেলালি কলি?
গুৰুতো নেলাগ ভকতত নেলাগ,
থাক তল ভৰি সৰি।"

বিণিকি বিণিকি বনগীতৰ সমাবেশ। এইয়া বেজবৰুৱাৰ গল্পত গীতৰ প্ৰাধান্য পৰিস্ফুট। ঠিক একেদৰেই বেজবৰুৱাৰ গল্পৰ মাজত ঠায়ে ঠায়ে পাতল পৰিস্থিতিৰ সৃষ্টি আৰু সাধাৰণ বহুৱালিৰ প্ৰবেশে, হিন্দী, বঙালী, ইংৰাজী শব্দৰ ব্যৱহাৰে হুঁহৰাইছে। **"Oh the God!** তুম্ ইত্‌না মজবুত হোৱা হ্যায় কি ভেবেছিলাম্ একেবাৰে বগা বান্দৰৰ নিচিনা……"

নাট্যকাৰ বেজবৰুৱা :— নাট্যকাৰ হিচাপেও বেজবৰুৱাৰ কীৰ্ত্তি লেখত লবলগীয়া। তেখেতৰ "জয়মতী কুঁৱৰী" নাটকৰ ডালিমী আৰু পদ্মনাথ গোহাঁই দেৱৰ "জয়মতী" নাটকৰ নাগিনী ছোৱালীৰ মাজত বিৰাট ব্যৱধান আছে। বেজবৰুৱাই আজলী নাগিনী ডালিমীৰ দৰে এটি আদৰ্শ বাস্তৱাত্মক চৰিত্ৰৰ সৃষ্টি কৰি থৈ গৈছে। তেওঁ একেবাৰে সুদীৰ্ঘকাল অসমৰ পৰা আঁতৰি থাকিব লগা হোৱাত আৰু আভ্যন্তৰিন অৱস্থাৰ পৰা বিচ্ছিন্ন হৈ থকাত, "লিতিকাই" আৰু "জয়মতী কুঁৱৰী"ৰ বাহিৰে বাকীবিলাক নাট বিশেষ আদৰনীয় হৈ নুঠিল। নাটক বুলিলে তাৰ সাহিত্যিক মূল্য, ভাষাৰ মাধুৰী, আদি যিমানেই থাওক, সি দৃশ্য কাব্য হিচাপে ৰঙ্গমঞ্চত সুদক্ষ প্ৰযোজনা আৰু পৰিচালনাৰ ফলত, পাকৈত ভাৱৰীয়াৰ জৰিয়তে দৰ্শকৰ চিত্ত আকৰ্ষণ কৰিব পৰা আৰু হৃদয় ৰাজ্যৰ অনুভূতিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পৰা হব লাগিব। কিন্তু বেজবৰুৱাৰ পিছত ৰচনা কৰা নাটক সমূহ অভিনয়োপযোগী নহ'ল। তথাপি তেওঁৰ "লিতিকাই" আৰু "জয়মতী কুঁৱৰী" নামৰ নাটক দুখনে অসমীয়া সাহিত্যত তেওঁক এজন সুদক্ষ নাট্যকাৰ ৰূপে পৰিচিত কৰিব।

ঔপন্যাসিক বেজবৰুৱাদেৱ — বেজবৰুৱাৰ উপন্যাসিক অৱদান নিচেই তাকৰ হলেও "পদুম কুঁৱৰী" নামৰ উপন্যাস পুথিখনেই তেওঁক অসমীয়া সাহিত্যত ঔপন্যাসিক হিচাপে পৰিচিত কৰাব। কিন্তু এই একেখন উপন্যাসতে ঘটনাৱলীৰ পৰম্পৰা, চৰিত্ৰ অঙ্কন, প্লটৰ ক্ৰমবিকাশ বৰ্ণন, হাস্য আদি বিভিন্ন ৰসৰ মধুৰ সমাবেশ কৰি বুৰঞ্জীৰ আলম লৈ এটি উচ্চ পৰ্য্যায়ৰ ঔপন্যাসিক অৱদান দি থৈ গৈছে।

বেজবৰুৱাৰ হাস্যৰস : — বেজবৰুৱাৰ নামৰ আগত থকা "ৰসৰাজ" বিশেষণটো সঁচাকৈয়ে সাৰ্থক হৈছে। অসমীয়া সাহিত্যত প্ৰকৃত হাস্য ৰসৰ অৱতাৰনা কৰিছে বেজবৰুৱাই। ব্যঙ্গ ৰচনাৰ মাজেদি লক্ষ্মীনাথে অসমীয়া জাতিৰ মাজত থকা নানা ধৰণৰ অসৎ আৰু ধ্বংসকাৰী প্ৰবৃত্তি বিলাক নিৰ্ম্মূল কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিল। তেখেতৰ "কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা" "বৰবৰুৱাৰ ওভোতনি" আৰু সৰহ ভাগ গল্পৰ মাজেদি অসমীয়া জাতিৰ নানা দোষ ত্ৰুটী ফঁহিয়াই দেখুৱাই সেইবোৰক নিৰ্ম্মূল কৰিবলৈ চেষ্টা কৰিছিল। ৰস ৰচনা তথা গল্প ৰচনাত যেনেকৈ হাঁহিৰ খোৰাক তুলি অসমীয়া সাহিত্যক পূৰ্ণাঙ্গৰূপে বিকশিত হোৱাত সহায় কৰিছে, আনহাতে তেওঁ ব্যঙ্গ অস্ত্ৰ নিক্ষেপ কৰাতো সফল হৈছে।

বেজবৰুৱাই শৈশৱত বেজৰ দৰে অসমীয়া জাতিক জাৰিলে। তেওঁ অসমীয়া জাতিক পেটৰ নাড়ী ছিঙি হঁহুৱালে আৰু লগে লগে কন্দুৱালেও।

বেজবৰুৱাৰ কৃপাবৰী ৰচনাবোৰ হাস্য আৰু ব্যঙ্গ ৰসৰ অফুৰন্ত ভাণ্ডাৰ। তেওঁৰ 'কৃপাবৰ বৰুৱাৰ ওভতনি 'নামৰ গ্ৰন্থখনিত মুঠ উনৈশটা হাস্য-মধুৰ ব্যঙ্গ প্ৰবন্ধ আৰু চেপ্যটা ৰসাল ব্যঙ্গকবিতা আছে। "অহ্ৰত.ৰ" নামৰ প্ৰবন্ধত লৰ্ড কাৰ্জ্জনে বঙ্গদেশখন দুফাল কৰি এফাল অসমৰ লগত জাপি দিয়াৰ প্ৰসঙ্গত কৃপাবৰী বেজবৰুৱাই লিখিছে— "বৰৱৰুৱাই ঠিক বুজিছে যে অসমীয়া চেৰেলা গৰুৰ সৈতে শকত বঙ্গালী-গৰু জুৰি দি হাল বোৱাৰ ফল 'বৃষোৎসৰ্গ'। উক্ত গ্ৰন্থখনিৰ "অৱতাৰ" আৰু "ভাৰত উদ্ধাৰ এই দুখনি তীব্ৰ ব্যঙ্গাত্মক ৰচনা আৰু আন বোৰ ৰচনা মৃদু ব্যঙ্গ ৰসৰ চানেকী। তেওঁৰ "অশ্বাৰোহন পৰ্ব্ব" নামৰ ৰচনাখনি এটি খুহুতীয়া গল্প বুলিহে কব পাৰি। "ককালৰ বিষ ভাল কৰিবৰ উপায়" প্ৰবন্ধটি হাঁহিবৰ কাৰণেই লিখা হলেও ইয়াত দুৰ্ব্বল মনৰ মানুহ এজনৰ আনে সহজে প্ৰভাৱ পেলাব পৰা চঞ্চল মনৰ পৰিচয় থকা নিখুঁত চৰিত্ৰাঙ্কন আছে। অসমীয়া সমাজ সম্পৰ্কে বেজবৰুৱাৰ নিখুঁত জ্ঞানৰো ই পৰিচয় দিয়ে। "টককৰ দৌৰাত্ম্য নামৰ প্ৰবন্ধটিত অভিজ্ঞতা-হীন অসমীয়া ডেকা "টকৰু"ৰ কৰুণ চিত্ৰ টিকে হাস্যমধুৰ সাজ সজ্জাৰে পুতৌ লগাকৈ দাঙি ধৰিছে। কৰুণ কাৰ্য্যকো হাস্যমধুৰ কৰি তুলিব পৰা বেজবৰুৱাৰ অদ্ভুত ক্ষমতা ৰৱবৰুৱাৰ 'মহাভাৰতৰ পাতনি' নামে প্ৰবন্ধত পোৱা যায়। অন্যান্য ৰচনাৰ উপৰিও বেজবৰুৱাৰ "মোৰ জীৱণ সোঁৱৰণ" গ্ৰন্থতো স্বভাৱ সুলভ সৰল হাস্যৰসে ভুমুকি মাৰিছে – "স্কুলত সোমায়েই মই দেখো কৰধৃত ঘূৰ্ণিত-ক্ষোভিত বেত্ৰং মাষ্টৰ মহা প্ৰভুসকলৰ বজ্ৰগম্ভীৰ নিনাদ ছাত্ৰসকলৰ সম্মিলিত সংযত কণ্ঠ নিসৃত মৃদু মন্দ গুৰু গুৰ ধ্বনিৰ কটাহ ভেদ কৰি স্কুল ঘৰৰ মূৰ্ধচ পাইছেগৈ, মোৰ ধাতুটিও মূৰৰ মূৰ্ধচত উঠিবলৈ লৰ ধৰে।" এনে হাস্যৰসাত্মক মধুৰ ভাষাৰ কাৰণেই আৰু অনেক ঠাইত মৃদু ব্যঙ্গ ৰসৰ সংমিশ্ৰিত উক্ত গ্ৰন্থ খনি আদিৰ পৰা অন্তলৈকে সুখপাঠ্য হৈ উঠিছে।

<u>বেজবৰুৱাৰ দেশপ্ৰেম</u> — সাহিত্যৰ মাজেদি বেজবৰুৱাদেৱে অসমীয়া জাতিৰ উন্নতিৰ কাৰণে সদায় চেষ্টা কৰি আহিছিল। তেখেতৰ "আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হম" কবিতাই অসমীয়া জাতিক উন্নতিৰ বাটত আগুৱাবলৈ উদগনি দিছিল। তেখেতৰ জাতীয় সঙ্গীত —

"অ' মোৰ আপোনাৰ দেশ"
"অ' মোৰ চিকুনী দেশ"

অকল সাহিত্যিক নৈপুন্যৰে নহয়, ই দেশ প্ৰেমৰো জ্বলন্ত প্ৰতীক।

<u>সমালোচনা</u>—— সমালোচনা সাহিত্যতো বেজবৰুৱাই ভালেখিনি অৰিহনা যোগাইছে। সমাজৰ মাজৰ যিবিলাক বেমাৰে অসমীয়া সমাজক নিম্নগামী কৰিছে সেই বিলাকটো সমালোচনা কৰিছেই, তাৰ উপৰিও সাহিত্যৰ বিভিন্ন ধৰণৰ সমালোচনা তেখেতৰ ৰচনাত





ৱা যায়।

ৰসৰাজ বেজবৰুৱাই অসমীয়া জাতিক, ...হত্যাক যি ৰস অৱদান দিছে তাক আমি ...তিয়াও পাহৰিব নোৱাৰোঁ। বেজবৰুৱাক ...ল সাহিত্যৰথী বুলি কলে ভুল কৰা হব, ...হাতে তেওঁ 'সংস্কৃতি ৰথীও" আছিল। তেওঁৰ ব্যক্তিত্ব আছিল অসাধাৰণ। সেইকাৰণে আমি আজিও তেখেতৰ ব্যক্তিত্বক ম্লান কৰিব নোৱাৰো একেযাৰে কবলৈ গলে অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ সাহিত্যিক অৱদান অতুলনীয়।


( কেইবাটাও প্ৰবন্ধৰ সহায় লৈ লিখা। )

—×—

* * * * * * *

" সাহিত্যক যদি সৰ্ব্বসাধাৰণৰ উপভোগৰ বস্তু কৰিব লাগে, তেন্তে সৰ্ব্বসাধাৰণে ব্যৱহাৰ কৰা ভাষাত নিশ্চয় তাক গঢ়িব লাগিব।"

—লক্ষ্মীনাথ বেজবৰুৱা।



# বৈষ্ণৱ কবি অনন্ত কন্দলী

অধ্যাপক--শ্ৰীতিলক চন্দ্ৰ মজুমদা

শঙ্কৰদেৱ আৰু মাধৱদেৱ – এই দুজনা কবিৰ পিছত বৈষ্ণৱ-কাব্য-সাহিত্যৰ আসনত কোন কবি বহিব পাৰিব এই বিষয়ে অনুসন্ধান কৰিলে অনন্ত কন্দলীক নিৰ্ব্বিবাদে আনি এই আসনত বহুৱাব লাগিব নিশ্চয়। বৈষ্ণৱ ধৰ্ম্ম আৰু সাহিত্যলৈ অনন্ত কন্দলীয়ে আগ-বঢ়োৱা উপহাৰবোৰে আমাৰ কথাৰ প্ৰমাণ সুন্দৰভাৱে দিব। মহাপুৰুষ শঙ্কৰদেৱৰ সান্নিধ্য লাভ কৰিবলৈ সৌভাগ্য উদয় হোৱা কন্দলীয়ে শঙ্কৰদেৱৰ ওচৰত শৰণ লয় আৰু গুৰু প্ৰৱৰ্ত্তিত আৰু প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ বাবে দেহে কেহে লাগি শঙ্কৰদেৱৰ আদৰ্শৰ পৰা কণমানো বিচলিত নহৈ অসমীয়া মধ্যযুগৰ সাহিত্যত বাউতিযুগীয়া ঠাই লভিলে। কন্দলীৰ যুক্তি-বাদ, পাণ্ডিত্য, জ্ঞান-স্পৃহা, কবি-প্ৰতিভা, ত্যাগ, ভক্তিৰ প্ৰগাঢ়তা সঁচাকৈয়ে বিস্ময় মানিবলগীয়া। কিয়নো শঙ্কৰদেৱৰ অপৰিসীম পাণ্ডিত্যৰ লগত তৰ্ক কৰি 'লোট সোট' হৈ পৰা অনেক পণ্ডিতৰ কথা চৰিত পুথিত পোৱা যায় আৰু ইয়াৰ অনেকজনে শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত বৈষ্ণৱ ধৰ্মত শৰণলোৱা দেখা গৈছে; কিন্তু কোনো জনে অনন্ত কন্দলীৰ দৰে ত্যাগ স্বীকাৰ কৰি শঙ্কৰদেৱ প্ৰচাৰিত সত্যত প্ৰতিষ্ঠিত বৈষ্ণৱ ধৰ্মত শৰণাগত হৈ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যত একান্ত চিত্তে নিবিষ্ট হোৱা প্ৰমাণ চকুত নপৰে। এনেজনা বৈষ্ণৱ কবি সাধ পৰিচয় আৰু কীৰ্ত্তি সম্বন্ধে এটি আলোচনা আগবঢ়া হ'ল।

অসমীয়া সাহিত্যত অনন্ত কন্দলী বুলি পৰিচি কবিজনাৰ ঘৰুৱা নাম হৰিচৰণ। দেউতাক ৰত্ন পা হাজো মাধৱ দেৱালয়ৰ ভাগৱত পাঠক। অনন্ত কন্দ কবিৰ তৰ্ক কৰি পোৱা উপাধিহে। ভাগৱত আচ শ্ৰীচন্দ্ৰভাৰতী, ভাগৱত ভট্টাচাৰ্য্য আদিও যশ প্ৰতিভ গুণত লাভ কৰা উপাধি। কৃষ্ণ ভক্ত কবিজনাৰ পৰি অতি ফটফটীয়া—

'ৰত্ন পাঠক নাম পণ্ডিত পৰম।
ভাগৱত শাস্ত্ৰে যাৰ আছিল বিক্ৰম॥
শ্ৰীহৰিচৰণ নামে তাহাৰ সন্ততি।
ব্যাকৰণ পঢ়ি নাম শ্ৰীচন্দ্ৰ ভাৰতী॥
তৰ্কত লভিলা নাম অনন্ত কন্দলী।
ভাগৱত আচাৰ্য্য পদৱী ভৈলা বলী॥
ভাগৱত ভট্টাচাৰ্য্য বোলে আৰ্য্যজনে।
তেহেঁ বিৰচিলা পদ কৃষ্ণৰ চৰণে॥'

'ভাগৱত শাস্ত্ৰে যাৰ আছিল বিক্ৰম'– পণ্ডিত পৰম ৰত্নপাঠকৰ পুতেক শ্ৰীহৰিচৰণ যে তৰ্ ভাগৱত বক্তা, শাস্ত্ৰজ্ঞ আছিল তাক তেওঁৰ আত্ম পৰি





পৰাহে যে বুজিব পাৰি এনে নহয়. সেই কথা তেওঁৰ ৰচনা সমূহৰ শ্ৰেষ্ঠত্বই বেছি ভালকৈ বুজাই দিব পাৰিছে।

অনন্ত কন্দলীৰ ৰচনা সমূহে তেওঁৰ জন্ম ঠাই হজো বুলি খাটাং বুজাইছে যদিও আমাৰ দুই এজন সমালো-চকে এই বিষয়ত এক মতত উপনীত হোৱাৰ নিষ্কণ্টক পথত আগুৱাব পৰা নাই। আমাৰ মনেৰে কোনো লেখকে নিজৰ ৰচনাত যেতিয়া জন্মক্ষেত্ৰ, পিতৃ পৰিচয় ব্যৱসায় আদিৰ স্পষ্ট বৰ্ণনা দাঙি ধৰে তেতিয়া সেইজনাৰ জন্ম ঠাই বা আন পৰিচয়ৰ বিষয়ত এটা সুসিদ্ধান্তত উপনীত হোৱাৰ পথত কোনো বিসঙ্গতি থাকিব নোৱাৰে। শঙ্কৰদেৱৰ জন্মভূমি নিৰ্ণয় কৰিবলৈ যোৱাত শঙ্কৰৰ পূৰ্ব্ব পুৰুষৰ বাসস্থানেৰে জন্মভূমিৰ নাম উল্লেখ কৰাৰ কোনো আৱশ্যক নাই— যিহেতু মহাপুৰুষে "ৰবদোৱা নামে গ্ৰাম শস্যে মৎস্যে অনুপাম লৌহিত্যৰ জলে অনুকূল।" ঠাইখনিক নিজৰ জন্মভূমি বুলি বন্দনা গাই গৈছে। সেয়ে কোনেও ভুলতে মহাপুৰুষ শঙ্কৰদেৱৰ জন্মভূমি কান্যকুব্জ বুলি কবলৈ নগৈ- নগাওঁ জিলাৰ অন্তৰ্গত বৰদোৱাহে বুলি কয়। ঠিক সেইদৰে অনন্ত কন্দলীৰ জন্ম ঠাই বিচাৰ প্ৰসঙ্গত কন্দলী বিৰচিত পদ পুথিত যদি কিবা নিজৰ পৰিচয় দি গৈছে তেনেহলে সিয়েই তেওঁৰ পৰিচয়ৰ প্ৰশস্ত পথ হব।

'কামৰূপে অনুপাম হাজো হেন যাৰ গ্ৰাম
যাত মহা পঞ্চ তীৰ্থ আছে:
মহা মণিকূট গিৰি উঠি যাত জন্মতৰি
লোহিত বহন্ত যাৰ কাছে॥

* * * * * * *

তথা মহাভাগৱত শাস্ত্ৰে আছিলা সত্ৰ
সদায়ে শুনিলা সাধুজন।
ৰত্ন পাঠকৰ মুখে শুনি আছে যত নৰ
অদ্যাপি প্ৰশংসে ঘনেঘন।
দেৱমাধৱৰ বৰে উপজিলা তান ঘৰে
তাহান নন্দন শুদ্ধমতি।
পিতৃকুল অনুসাৰে মহাভাগৱত শাস্ত্ৰে
কৃষ্ণে উপজাইলা কিছু ৰতি॥
অনন্ত কন্দলী কবি নাম মাত্ৰ ভৈল খ্যাত
কাৰ্য্য কিছু নভৈল তাহাৰ।

অনন্ত কন্দলীৰ ৰচনা বুলি নিঃসন্দেহে বুজিব পৰা আটাই কিখন পুথিতে বিশেষকৈ দশম, ৰামায়ণ, বৃত্ৰাসুৰ বধ আদিত কন্দলীয়ে এইদৰে পৰিচয় আগ-বঢ়াইছে। গতিকে কন্দলীৰ জন্মঠাইক লৈ টনা আজোৰা কৰাৰ কষ্ট প্ৰয়াস নিষ্প্ৰয়োজন। কন্দলী উপাধিক লক্ষ্য কৰি নাইবা কথা গুৰুচৰিতত উল্লেখ থকা অনন্ত কন্দলীক লৈ কিছুমানে হাজোত জন্ম গ্ৰহন কৰা অনন্ত কন্দলীক নগাঁৱৰ বুলি মত আগবঢ়ায়। পিছে এনে কথা কিমান যুক্তিপূৰ্ণ তাক অলপ গভীৰ ভাৱে চাব লাগিব। প্ৰথম কথা কন্দলী উপাধিৰে অলঙ্কৃত হলেই যে নগাঁৱৰ হয় এনে কথা কাকতালয়ী, কাৰণ মধ্যযুগত তৰ্কত পাণ্ডিত্য দেখুৱাই ব্যক্তিসকলে 'কন্দলী' উপাধি লাভ কৰিছিল। 'কাব্যৰস দি' ৰামায়ণ ৰচনা কৰা মাধৱ-কন্দলীৰ বাহিৰেও আৰু অনেক কন্দলী উপাধিধাৰী কবিৰ নাম সাহিত্যৰ বুৰঞ্জীত আছে। সেইসকলৰ ভিতৰত ৰুদ্ৰকন্দলী, ৰত্নাকৰ কন্দলী, শ্ৰীধৰ কন্দলী প্ৰভৃতিৰ নাম উল্লেখযোগ্য। দ্বিতীয়তে যিখন কথা গুৰুচৰিতত অনন্তকন্দলীক মধুভাৰতী বুলি 'পোতনি পাথৰি গৈ নৈৰ ওলাহৰে মাজ পৰ্ব্বতৰ নিকটে অনন্ত কন্দলীৰ গৃহবাৰী থাত।"— বুলি উল্লেখ কৰা হৈছে সেইখন চৰিতৰ কথাবোৰ নিৰ্ভৰ যোগ্য নহয়। অনন্ত কন্দলীৰ মধুভাৰতী নাম বা উপাধি আন কোনো পুথিত পোৱা নাযায়- তেওঁ নিজকে শ্ৰীচন্দ্ৰভাৰতী বুলিহে চিনাকি দি গৈছে। ইয়াৰ উপৰি অনন্ত কন্দলীয়ে পূৰ্ব্বপুৰুষৰ পৰিচয়ত "বৃত্ৰাসুৰ বধ'ত ৰৌতা নগৰ বুলিহে আমাক জনাইছে- আৰু নগৰ ৰবদোৱাৰ ওচৰৰ কোনো ঠাই বুলি অনুমান কৰিব পাৰি। আৰু মন কৰিব লগীয়া কথা যে অনন্ত কন্দলীয়ে আপোন গৃহস্থ পিতৃ ৰত্ন পাঠকৰ পৰাহে ভাগৱত তত্ত্ব জ্ঞান লাভ কৰিছিল।

গতিকে বিষ্ণুভক্তা পত্নীৰ কথামতে শ্ৰীমন্ত শঙ্কৰক বৰদোৱাত সাক্ষাৎ কৰি ভাগৱত জ্ঞান লাভ কৰাৰ কথা বিশ্বাসযোগ্য হব নোৱাৰে। আৰু বেছি উল্লেখযোগ্য কথা যে অনন্ত কন্দলীৰ নামত যিখন পুস্তক তালিকা কথা চৰিতখনত আছে সেইখন আসোঁৱাহ যুক্ত। ঘুম্চা কীৰ্ত্তন, কাণ-খোৱা, ৰামকীৰ্ত্তন আদি পুথিৰ ৰচক যে অনন্ত কন্দলী নহয় তাক অসমীয়া সাহিত্যৰ ইতিহাসৰ জ্ঞান থকা পাঠক মাত্ৰেই জানে । অলপ দকৈ গমি চালে বুজিব পাৰি যে অষ্টাদশ শতিকা মানত অৰ্থাৎ অনন্ত কন্দলীৰ সময়ৰ প্ৰায় ২।৩শ বছৰ পিছত মানুহৰ মুখে মুখে ৰাগৰি অহা কথাবোৰ কথা-চৰিতত লিপিৱদ্ধ হোৱা বাবে বিকৃত আকাৰ ধাৰণ কৰিছে। হয়তো নগাৱঁৰ কোনোঠাইত বসতি কৰা কোনো বৃষভ পূজা কৰা তান্ত্ৰিক জনৈক মধুভাৰতীয়ে বৰদোৱাত শঙ্কৰদেৱ থকা সময়ত শঙ্কৰদেৱৰ ওচৰলৈ গৈ শিষ্যত্ব গ্ৰহণ কৰিছিল আৰু সেই জনকে চন্দ্ৰভাৰতী নামৰ সাদৃশ্যত অনন্ত কন্দলীৰ লগত চৰিতকাৰে সানি পুতকি এক কৰি পেলোৱা একো অসম্ভৱ কথা নহয়। কামৰূপৰ বৰপেটা অঞ্চলৰ কোনো ঠাইতহে শঙ্কৰ-দেৱ অনন্ত কন্দলীৰ সাক্ষাৎ হৈছিল- বৰদোৱাত হোৱা নাছিল ।

ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰতি থকা একাগ্ৰতা আৰু জীৱনৰ সাধনাৰ বলত অনন্ত কন্দলীয়ে বৈষ্ণৱ সাহিত্য আকাশত মুক্ত বিহঙ্গৰ দৰে বিচৰণ কৰি বৈষ্ণৱ সাহিত্যৰ স্বৰেৰে অসম সাহিত্য আকাশ মুখৰিত কৰি তুলিলে। ব্ৰহ্মপুত্ৰ-সিন্ধু-গঙ্গা এই ত্ৰি নদীয়ে ভাৰতৰ বুকুৰেদি প্ৰৱাহিত হৈ গৈ ভাৰতীয় কৃষি সংস্কৃতিক আজীৱন সজীৱ কৰি ৰখাৰ দৰে-শঙ্কৰ-মাধৱ-অনন্ত এই তিনিজনাৰ ধৰ্ম আৰু সাহিত্যৰ স্ৰোতে অসমীয়া বৈষ্ণৱ ধৰ্ম সাহিত্য আৰু সংস্কৃতিক অমৰ আৰু চিৰজ্যোতিৰ্মান কৰি থৈ গৈছে।

ভাগৱতাচাৰ্য্য অনন্ত কন্দলীৰ মহৎ অৱদান প্ৰাচীন অসমীয়া সাহিত্যক ওখ আসনত বহুৱাব পাৰিছে। কথা গুৰু-চৰিত আৰু বিভিন্ন সমালোচকৰ সমালোচনাত অনন্ত কন্দলীৰ নামত অনেক গ্ৰন্থ দেখুৱা হৈছে। পিছে সেই আটাইবোৰ গ্ৰন্থ যে বৈষ্ণৱ কবি গৰাকীৰ স্বৰচিত গ্ৰন্থ হব তাক ন-দি কৰ নোৱাৰি। আগতে উল্লেখ কৰা হৈছে যে কথা গুৰুচৰিতৰ কথা নিৰ্ভৰযোগ্য হব নোৱাৰে। তথাপি পাঠকৰ জ্ঞাতাৰ্থে বৃষভ-পূজাৰী মধুভাৰতী বা অনন্ত কন্দলীৰ ৰচনা বুলি দেখুৱা কথা গুৰুচৰিতৰ তালিকা খনি আগবঢ়ালো। "তেহে কবিতা কৰিছে দশম দেছোৱা, সাতকাণ্ড ৰামায়ণ, ৰাম-কীৰ্ত্তন, ৰাম-গুণমালা, ঘুনুচ্ছা-কীৰ্ত্তন, বৈষ্ণৱামৃত, মন্বন্তৰ, মৎস্যমাধৱৰ চিত্ৰকেতু চৰিত্ৰ, চতুৰ্থ, পঞ্চম, সপ্তম, নৱম, ৰৰচুতীয় ৰামমালিকা কাণখোৱা, জীউস্তুতি, ৰুদ্ৰযামল, সাত্বত তন্ত্ৰ-আনো শাস্ত্ৰসৱ কৰিলে আজ্ঞালৈ গুৰুজনৰ।' গুৰুজনাৰ আজ্ঞালৈ অনন্ত কন্দলীয়ে শাস্ত্ৰ প্ৰণয়ণ কৰা কথা মানি লব পাৰিলেও উক্ত তালিকাখনত থকা সমগ্ৰ গ্ৰন্থ অনন্ত কন্দলীৰ ৰচিত বুলি কোৱাৰ উপায় নাই। কাৰণ অসমীয়া সাহিত্যৰ ইতি-হাসত ইয়াৰ কেইবাখনিও গ্ৰন্থৰ ভিন্ ভিন্ লেখকৰ নাম পোৱা হৈছে। উল্লেখযোগ্য কথাযে এইখন তালিকাত অনন্ত কন্দলীৰ অনুপম কাব্য 'কুমৰ হৰণ' আৰু বৃত্ৰাসুৰ বধ'ৰ উল্লেখ নাই।

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা পণ্ডিতবৰ্গৰ বিভিন্ন আলোচনা সমূহে ৰামায়ণৰ পাঁচকাণ্ড; দশমাস্কন্ধৰ অন্তৰ্গত মধ্য আৰু শেষ দশম; বৃত্ৰাসুৰ বধ; কুমৰ হৰণ, মহীৰাৱণ বধ, বৈষ্ণৱামৃত, জন্মৰহস্য, কথা-সূত্ৰ, বৃহৎ স্যমন্ত হৰণ, সীতাৰ পাতাল প্ৰবেশ (নাট) আদিৰ ৰচক হিচাপে অনন্ত কন্দলীক প্ৰতিষ্ঠা কৰিছে। আনকি দুই এজন





সমালোচকে খটাসুৰ বধ, কীচক বধ, বিৰাট পৰ্ব্ব আদিও অনন্ত কন্দলীৰ ৰচনা বুলি কৈছে- কিন্তু এই কেইখন ৰচনা কন্দলীৰ বুলি কোৱাৰ যুক্তি সবল নহয়। অনন্ত কন্দলীৰ নামত যুগুত কৰা গ্ৰন্থ তালিকাখনি নিৰ্ভুল নোহোৱাৰ কাৰণ অৱশ্যে নোহোৱা নহয়। অসমীয়া সাহিত্যৰ প্ৰকৃত বুৰঞ্জী উদ্ঘাটন কৰিব নোৱাৰাত একাধিক কবিক অনন্ত কন্দলী বুলি ধৰা হৈছে। অকল অসমীয়া ব্যাস ৰামসৰস্বতীকে যে অনন্ত কন্দলী বুলি কোৱা হৈছিল এনে নহয়, জোনাকী কাকতৰ যুগত শ্ৰীধৰ কন্দলী, মাধৱ কন্দলী, মহেন্দ্ৰ কন্দলী, সুকবিশেখৰ এইবোৰক অনন্ত কন্দলীৰ লগত এক কৰা হৈছিল। সেয়েহে বিভিন্ন লেখকৰ গ্ৰন্থ অনন্ত কন্দলীৰ বুলি কিছুমানে ভ্ৰমৰ চাকনৈয়াত পৰিছিল। কিন্তু এতিয়া সেই ভুল সমালোচকৰ লেখাৰ পৰা আতৰ হৈছে। ৰামসৰস্বতী সুকবিশেখৰ যিহেতু অনন্ত কন্দলীৰে এক নহয় বিৰাট পৰ্ব্ব, কীচক বধ, খটাসুৰ বধ, আদি গ্ৰন্থ কন্দলীৰ ৰচনা বুলি কোৱা যুক্তি অৰ্থহীন। অৱশ্যে যিবোৰ গ্ৰন্থত ভাগৱত আচাৰ্য্য, চন্দ্ৰভাৰতীৰ ভণিতা আছে সেইবোৰক অনন্ত কন্দলীৰ বুলি কোৱা কথা বেচি আপত্তি জনক নহব। স্বৰ্গীয় ডিম্বেশ্বৰ নেওগদেৱৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত' সেইবাবেই 'ভক্তিসাধন' বা বৈষ্ণৱামৃত মহীৰাৱণ বধ, বৃহৎ স্যমন্ত হৰণ, আদি পুথিত অনন্ত কন্দলীৰ ভণিতা থকা বাবে এইবোৰ কন্দলীৰ ৰচনা বুলি ঠিৰাং কৰিছে। আনকি 'ভাগৱতাচাৰ্য্য কহে বোলা ৰাম ৰাম' বুলি থকা 'কথা-সূত্ৰ' আৰু সুচন্দ্ৰভাৰতীৰ ভনিতা যুক্ত 'জন্মৰহস্য' পুথিকো অনকন্দলীৰ উপাধি ভাগৱতাচাৰ্য্য আৰু শ্ৰীচন্দ্ৰ ভাৰতী কাৰণে- উক্ত পুথি দুখনী বৈষ্ণৱ কবি অনন্ত কন্দলীৰ বুলি ভাবিছে।

'মহীৰাৱণ বধ' অনন্ত কন্দলীৰ ভণিতাযুক্ত কাব্য যদিও এই পুথি অনন্ত কন্দলীৰ হয়নে নহয় এই বিষয়ে দ্বিধা জন্মে। বৈষ্ণৱ যুগত অনন্ত কন্দলীয়ে শঙ্কৰদেৱৰ ৰচনাৰ আহিত ৰামায়ণৰ পাচকাণ্ড অনুবাদ কৰিছে আৰু ই মাধৱ কন্দলী ৰামায়ণৰ প্ৰভাৱযুক্ত। কিন্তু মনকৰিব লগীয়া যে 'মহীৰাৱণ কাব্যৰ বিষয়বস্তু কবিয়ে বাল্মীকি-ৰামায়ণ বা মাধৱ কন্দলীৰ পৰা গ্ৰহণ কৰা নাই। পাতালৰ মহীৰাৱণে পিতৃ উদ্ধাৰৰ কাৰণে ৰামৰ লগত কৰা যুদ্ধৰ বৰ্ণনা থকা বীৰ ৰস প্ৰধান কাব্যখনিৰ আখ্যান ভাগ বঙলা ৰাম পাচালীৰ কবি কৃত্তিবাসৰ লগতহে মিলে। অনন্ত কন্দলী আৰু কৃত্তি-বাস একে সময়ৰ অৰ্থাৎ ষোড়শ শতাব্দীৰ কবি। এজনৰ ওপৰত আন জনৰ প্ৰভাৱ অস্বীকাৰ্য্য। গতিকে পৰৱৰ্ত্তী কালৰ কোন কবিয়ে জনপ্ৰিয় বৈষ্ণৱ কবি অনন্ত কন্দলীৰ ভণিতা পেলাই 'মহী-ৰাৱণ বধ' ৰচনা কৰাটো একো অস্বাভাৱিক কথা হব নোৱাৰে। 'সীতাৰ পাতাল প্ৰবেশ' নামৰ নাট এখনিও অনন্ত কন্দলীয়ে ৰচনা কৰিছিল বুলি স্বৰ্গীয় দেবেন্দ্ৰ নাথ বেজবৰুৱাই 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী'ত উল্লেখ কৰিছে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱেও 'সাহিত্যৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত এই নাটক খনিৰ কথা কৈছে। এই নাটক খন হলে এতিয়াও পোহৰলৈ অহা নাই। সেই বাবে সহজতে নাটখনি অনন্ত কন্দলীৰ স্বৰচিত বুলি সুসিদ্ধান্তত উপনীত হোৱাৰ পথত হেঙাৰ আহি পৰে।

নিঃসন্দেহে বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে প্ৰণয়ণ কৰা বুলি নিৰ্ণয় কৰিব পৰা পুথি কেইখন হল ভাগৱতৰ দশমাস্কন্ধৰ অন্তৰ্গত 'মধ্য দশম আৰু শেষ দশম'; 'কুমৰ হৰণ'; 'বৃত্ৰাসুৰ বধ' আৰু 'ৰামাণৰ পাচকাণ্ড'। ভাগৱতৰ মধ্য আৰু শেষ দশম অনন্ত কন্দলীৰ সৰাতোকৈ উল্লেখযোগ্য আৰু উৎকৃষ্ট ৰচনা। মহাপুৰুষ শঙ্কৰদেৱৰ 'উচ্ছিষ্ট ভোজন'ৰ হাবিয়াসৰ ফল স্বৰূপে অপূৰ্ব্ব গ্ৰন্থ ভাগৱত দশম-

স্কন্ধৰ বেছি অংশ তৰ্জ্জমা কৰি অনন্ত কন্দলীয়ে যশস্যাৰ মুকুট পিন্ধিছে। হয়গ্ৰীৱৰ মাধৱৰ মন্দিৰত ভাগৱত পাঠ কৰি হৰি নামৰ ধ্বনিৰে সকলোকে স্বৰ্গীয় জ্যোতি বিতৰণ কৰা ৰত্ন পাঠকৰ তনয় অনন্ত কন্দলীৰ ভাগৱত শাস্ত্ৰৰ ব্যুৎপত্তি আৰু কবিত্বশক্তিৰ ওপৰত মহাপুৰুষৰ আস্থা অনন্ত, অসীম আৰু সেই কাৰণেই দশমৰ বাকী থকা দুছোৱা অনন্ত ব্ৰাহ্মণক প্ৰণয়ণ কৰিবলৈ আজ্ঞা দিয়ে। গুৰুৰ আজ্ঞা শিৰোধাৰ্য্য কৰি কন্দলীয়ে দশমৰ বাকী থকা অংশ ভগৱান শ্ৰীকৃষ্ণই বান্ধৱ উদ্ধৱৰ লগত কুঁজীৰ ঘৰলৈ যোৱাৰ পৰা অষ্টম দৰিদ্ৰ দামোদৰ বিপ্ৰৰ আখ্যানলৈ এই খিনি কথাৰে মধ্যদশম আৰু যদুবংশ শিৰোমণি শ্ৰীকৃষ্ণ কুৰুক্ষেত্ৰলৈ যোৱাৰ পৰা যদুবংশৰ নিৰ্মূল আৰু বিপ্ৰপুত্ৰ আনয়নলৈ এই কাহিনীৰে শেষ দশম সমাপ্ত কৰি অপ্ৰচুৰ কীৰ্ত্তিৰ অধিকাৰী হৈছে। কন্দলী-দশমত মনদিবলগীয়া কথা যে মূলভাগৱতত কৈ শঙ্কৰদেৱৰ লেখনিৰ প্ৰভাৱ হে বেছি সমুজ্জল হৈ উঠিছে। দশমৰ অন্তৰ্গত প্ৰায় কথাই শঙ্কৰ-দেৱে তেওঁৰ 'ৰুক্মিণীহৰণ কাব্য' আৰু কীৰ্ত্তনৰ' অন্তৰ্গত কুঁজীৰ বাঞ্ছাপূৰণ, অক্ৰূৰৰ বাঞ্ছাপূৰণ, স্যমন্ত হৰণ, কালযৱন বধ, দামোদৰ বিপ্ৰৰ আখ্যান আদিত অতি আকৰ্ষণীয় আৰু স্বাদপূৰ্ণকৈ ৰচনা কৰি থৈ গৈছে। বৈষ্ণৱ আৰু শঙ্কৰদেৱৰ পদ অনুকৰণ কৰা বৈষ্ণৱ ভক্ত কবি অনন্ত কন্দলীৰ দশমৰ অনুবাদত উক্ত ৰচনাবোৰৰ প্ৰভাৱ পোন পটীয়াভাৱে পৰিলক্ষিত হয়। আনকি মূলভাগৱতত নথকা শঙ্কৰদেৱৰ স্ব-প্ৰতিভাৰে অঙ্কন কৰা বেদনিধি, সুমালিনী ধাই, শশীপ্ৰভা প্ৰভৃতি চৰিত্ৰ ও কন্দলীৰ দশমত ঠাই পাইছে। ইয়াৰোপৰি ৰচনা ৰীতিৰ ক্ষেত্ৰতো শঙ্কৰদেৱৰ প্ৰভাৱ প্ৰকট হৈ উঠিছে। শঙ্কৰদেৱৰ প্ৰভাৱ প্ৰচুৰ ভাৱে পৰিছে যদিও অনন্ত কন্দলীয়ে 'পণ্ডিতৰো মতিভ্ৰম হোৱা বেদস্তুতিৰ পদানুপদত শাস্ত্ৰজ্ঞ, দাৰ্শনিক পাণ্ডিত্যৰ সুপৰিচয় দেখুৱাব পাৰিছে। অদ্বৈতবাদ প্ৰভাৱ যুক্ত গূঢ় ৰহস্য বা তত্ত্বক জনসাধাৰণৰ জ্ঞানে ঢুকি পোৱাকৈ ৰচনা কৰা এনে লেখনিত কন্দলীৰ কবিত্ব শক্তি সুস্পষ্ট হৈ পৰিছে।

ভাগৱতৰ ষষ্ঠ স্কন্ধৰ শেষছোৱাৰ পৰা মূল গ্ৰহণ কৰি অনন্ত কন্দলীয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা আন এখনি কাব্য 'বৃত্ৰাসুৰ বধ'। মূল ভাগৱতৰ পৰা আঁতৰি যোৱাৰ চেষ্টা কাব্যখনিত চকুত নপৰে। অত্যাচাৰৰ চূড়ান্ত শিখৰত উঠা বৃত্ৰাসুৰক আত্মত্যাগী দধীচি মুণিৰ অস্থিৰে নিৰ্মিত বজ্ৰৰে কেনেকৈ নিধন কৰি দেৱসমাজক শান্তিৰ মুখ দেখুৱালে তাক অতি ৰসাল আৰু জীৱন্ত কৈ বৰ্ণনা কৰিছে। কবিয়ে 'ৰত্ন পাঠকৰ সুত শ্ৰীচন্দ্ৰ ভাৰতী' বুলি এই পুথিত নিজৰ পৰিচয় দিছে।

অসমীয়া সমাজৰ অতি নিখুত ছবি এখন অতি নিভাজ ৰূপত অঙ্কন কৰা 'কুমৰ হৰণ' কাব্য অনন্ত কন্দলীৰ অসমীয়া সাহিত্যলৈ দিয়া সবাতকৈ শ্ৰেষ্ঠ উপহাৰ। "হৰি বংশ' আৰু 'ভাগৱতৰ দশমৰ পৰা বিষয়বস্তু গ্ৰহণ কৰি ৰচনা কৰা এই কাব্য জনসাধাৰণৰ এক আকৰ্ষণীয় অনুপম গ্ৰন্থ। মহা পুৰুষ শঙ্কৰ দেৱৰ "ৰুক্মীণী হৰণ" কাব্যৰ দৰে অনন্ত কন্দলীৰ 'কমুৰহৰণ' কাব্য ও অসমীয়া কাব্য-ফুলনিৰ আন এপাহ নজহা নপমা পাৰিজাত। উষা-অনিৰুদ্ধৰ সপোন, কুম্ভাণ্ড-কন্যা চিত্ৰলেখাৰ দ্বাৰকাৰ পৰা অনিৰুদ্ধ কমুৰক হৰণ, হৰিহৰৰ যুদ্ধ, শেষত উষা-অনিৰুদ্ধৰ স্বপ্নৰ বাস্তৱ ৰূপ অতি সুমিষ্ট ভাষাৰে আমোদ লগাকৈ কন্দলীয়ে চিত্ৰিত কৰিছে। নায়ক হৰণ নামাকৰণৰ পিনৰ পৰাও অসমীয়া সাহিত্যত এই কাব্যখনি মনকৰিবলগীয়া।

'সাক্ষাতে পৰম ব্ৰহ্ম জানিবা শ্ৰীৰাম'— এই সংবাদ জনসাধাৰণক শুনোৱাৰ স্পৃহাৰে ভাগৱত চৰ্চ্চা কৰা বৈষ্ণৱ কবিয়ে অপ্ৰমাদী কবি মাধৱ-কন্দলী অনাদিত ৰামায়ণ থকা সত্বেও সেই কাণ্ড কেইটাকে আকৌ বৈষ্ণৱ ধৰ্ম্ম পুৰিৰ আদৰ্শত ৰচনা কৰি উলিয়াই। ৰামসীতাৰ কাহিনী জন-সাধাৰণৰ অতি আকৰ্ষনীয় হোৱা কথালৈ লক্ষ্য কৰি শ্ৰীকৃষ্ণৰ দৰে শ্ৰীৰামচন্দ্ৰও পৰব্ৰহ্ম আদিপুৰুষ এই কথা অনন্ত কন্দলীয়ে 'স্ত্ৰীশূদ্ৰ সবাৰো মাজত প্ৰতিপন্ন কৰিবলৈ বিচাৰিলে আৰু ফল স্বৰূপে ভকতি-ৰস-পূৰ্ণ ৰামায়ণ পাচ কাণ্ড তেওঁৰ কিগৰি পৰে।

"শ্লোকৰ অৰ্থক প্ৰকৃতে নুবুজে
পণ্ডিতে নকৰে যাচি।
এতেকেসে ৰাম কথা বিৰচিলো
ভকতিৰ তত্ত্ব বাচি ॥


মাধৱ কন্দলীয়ে পূৰ্ব্বে ৰামায়ণ লিখি থৈ যোৱা সত্বেও ভক্তি পথত জনসাধাৰণক ধাৱিত কৰাৰ উদ্দেশ্য আগত লৈ যে অনন্ত কন্দলীয়ে ৰামায়ণৰ কামত হাত দিছিল তাক কহিয়ে স্বীকাৰ কৰি গৈছে—

মাধৱ কন্দলী আদি মহন্ত বিশেষ।
কথাবন্ধে ৰামায়ণ ৰচিলা অশেষ ॥
মযো লিখিবোহো তাসবাৰ অনুমতি।
কিন্তু প্ৰপৰিয়া কিছু কহিবো ভকতি ॥

বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ কাৰণে ৰাম চৰিত্ৰ অসমীয়া সৰ্ব্বসাধাৰণ লোকৰ উপযোগী হব বুলি কবিয়ে বুজিব পাৰিছিল আৰু সেইবাবে মাধৱকন্দলীৰ 'কাব্য-ৰস কিছু দিয়া' ৰচনা কৰা ৰামায়ণ খনত অনন্ত কন্দলীয়ে 'ভকতি-ৰস' সানিলে। মাধৱ-কন্দলীৰ ৰামায়ণক 'ঢাকি তুচ কৈ গুচাৱৰ' মনেৰে অনন্ত কন্দলীয়ে ৰামায়ণ ৰচনা কৰা বুলি কথা গুৰু চৰিতত কোৱা কথাৰ যুক্তি তেনেই পাতল। বিষয়নো অনন্ত কন্দলীয়ে তেওঁৰ ৰামায়ণ একাধিকবাৰ মাধৱ কন্দলীৰ পাণ্ডিত্য আৰু ৰামায়ণ ৰচনা কৰা কথাৰ জয়ধ্বনি তুলিছে। তাৰোপৰি অনন্ত কন্দলীয়ে ৰামায়ণ খনিত 'প্ৰপৰিয়া কিছু কহিবো ভকতি বুলিও সাবয়াৱলৈ পাহৰা নাই।

এতিয়ালৈকে উদ্ধাৰ হোৱা অনন্ত কন্দলীৰ পৰিচয় আৰু সাহিত্যিক অৱদান ইমানেই। অনন্ত কন্দলীৰ সমগ্ৰ অৱদানৰ বিচাৰ সম্পূৰ্ণ তথ্যৰ অভাৱত অসম্ভৱ হৈ আছে। উদ্ধাৰ হোৱা ৰচনা ৰাজিয়ে কবিৰ সুপ্ৰতিভাৰ সম্যক পৰিচয় দাঙি ধৰিব পাৰিছে। মুঠতে অসমীয়া ধৰ্ম্ম আৰু সাহিত্য জগতত 'শঙ্কৰ মাধৱ দুজনা গুৰু'ৰ লগত অনন্ত কন্দলীৰ নাম চিৰস্মৰণীয় হৈ যে থাকিব তাত তিলমাত্ৰও সন্দেহ নাই।

—(০)—



"সকলো ক্ষেত্ৰতে কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে প্ৰস্তুতিৰ ওপৰত; প্ৰস্তুতি নাথাকিলে সদায় অকৃতকাৰ্য্য হবই লাগিব ।"

— কনফুচিয়াচ ।

"তুমি কি শিকিছা সেইটো একো কথা নহয়; কিন্তু যেতিয়া তুমি এবাৰ কিবা এটা কথা শিকা, সেই কথাটোৰ ওপৰত দখল নহালৈকে তুমি তাক কেতিয়াও পৰিহাৰ নকৰিবা ।"

— কনফুচিয়াচ ।

"সকলো জাতিৰ ভিতৰত মহিলা সকলেই শিলৰ খুটি । সেই খুটিটো হেলেক্ লেক্ নহলে সেই জাতিটোক পেলায় কোনে ?"

- কৃপাবৰ বৰবৰুৱা ।



# চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰোমাণ্টিকতা—

"প্ৰতিমাত"

— নিৰুপমা শইকীয়া
৩য় বাৰ্ষিক ।

অসমীয়া ৰোমাণ্টিক কবিতাৰ কথা সুঁৱৰিলেই প্ৰথমে মনলৈ আহে জোনাকী যুগৰ কবি ৺চন্দ্ৰকুমাৰ আগৰৱালালৈ। জোনাকী যুগৰ কাব্য আকাশখ'ন জোনালী কৰি তুলিছিল চন্দ্ৰকুমাৰৰ কবিতা ৰাশিৰ বিমল প্ৰভাই । কবি আগৰৱালাৰ কবিতাৰ জৰিয়তেই প্ৰকৃত পক্ষে আধুনিক অসমীয়া ৰোমাণ্টিক কবিতাৰ পটভূমিৰ সূচনা হয়। ১৮৮৯ খৃষ্টাব্দত প্ৰথম ওলোৱা অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্ৰ জোনাকী কাকতৰ প্ৰতিষ্ঠাপক আৰু সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। জোনাকী কাকতৰ প্ৰথম বছৰ প্ৰথম সংখ্যাতে প্ৰকাশ পোৱা আগৰৱালাৰ 'প্ৰতিমা'ত সন্নিবিষ্ট "বনকুৱৰী" নামৰ কবিতাটিয়েই প্ৰথম ৰোমাণ্টিক কবিতা ।
অসমীয়া ৰোমাণ্টিক কবিতাৰ লগত চন্দ্ৰকুমাৰ আগৰৱালা এনেদৰে জড়িত হৈ আছে যে তেওঁৰ কথা বাদ দি বা তেওঁৰ কবিতা সমূহক বাদ দি অসমীয়া ৰোমাণ্টিক কবিতাৰ কথা আলোচনা কৰাটো অসম্ভৱ হব। সেয়েহে আমাৰ বুৰঞ্জীলিখক সকলে চন্দ্ৰকুমাৰক ৰোমাণ্টিচিজিমৰ প্ৰথম হোতা আৰু অসমীয়া গীতি কবিতাৰ প্ৰথম প্ৰবৰ্ত্তক বুলি অভিহিত কৰিছে ।

আগৰৱালাৰ কবিতাৰ পুথি হ'ল দুখন । 'প্ৰতিমা' আৰু "বীনবৰাগী"। তেওঁৰ প্ৰথম কবিতাৰ পুথি হল 'প্ৰতিমা'। 'প্ৰতিমা' প্ৰকাশ হয় ১৯১৩ চনত। 'লিৰিকেল বেলাড' গ্ৰন্থখনি ৱৰ্ডছৱৰ্থ আৰু কলেৰিজ ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ এটি মাইলৰ খুটিৰ দৰে, আমাৰ আগৱালাৰ 'প্ৰতিমা' খনো অসমীয়া নৱন্যাস সাহিত্যৰ বিজয়স্তম্ভৰ স্বৰূপ ! চন্দ্ৰকুমাৰৰ 'প্ৰতিমা' খন অসমীয়া সাহিত্যৰ মৰকতমূলীয়া সম্পদ; 'প্ৰতিমাক' কবিৰ 'আধাফুটা আবেগৰ' আফুলন ফুলকলি বুলিব পাৰি । 'প্ৰতিমা' চন্দ্ৰকুমাৰৰ হিয়াৰ বিকাশ হলেও ই ফুলো ফুলো কৰা আধাফুলা ফুল কলিটিৰ দৰেই সুকুমাৰ সৌন্দৰ্য্যসূচক । কবি হৃদয়ৰ সুকোমল অনুভূতি ৰাশিৰ সুমধুৰ প্ৰকাশত কাব্যকলাৰ অযাচিত সৌন্দৰ্য্যৰ স্নিগ্ধ সম্পাত ঘটিছে । কবিৰ

আবেগময় হিয়াৰ অনুভূতি ৰাশিক বিচিত্ৰ কৰি তোলা কলা কুশল তুলিকাৰ পৰশেৰে গঢ়ি তোলা প্ৰতিমাৰ স্ৰষ্টিত শিল্পী চন্দ্ৰকুমাৰ খনিকৰ স্বৰূপেও অভিহিত। 'প্ৰতিমা' সম্বন্ধে বেজবৰুৱাই 'বাঁহী'ত দিয়া উক্তিটি মন কৰিব লগীয়া। তেওঁ কৈছিল— "প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।" 'প্ৰতিমাত' সন্নিবিষ্ট প্ৰত্যেকটি কবিতাতে২ কবি আগৰৱালাৰ ৰোমান্টিক ভাৱ-ধাৰাৰ প্ৰভাৱ দেখা যায়। ৰোমান্টিক কবিতাৰ লক্ষণ সমূহ হল— (১) কল্পনা প্ৰৱনতা, (২) প্ৰকৃতি প্ৰীতি, (৩) বৈদান্তিক দৃষ্টি (৪) প্ৰেম আৰু সৌন্দৰ্য্যৰ প্ৰতি অনুৰাগ, (৫) সাধাৰণ বস্তুত অসাধাৰণ ৰূপ, (৬) সংস্কাৰকামী মনোভাৱ, (৭) পৌৰাণিক আখ্যাণৰ উপস্থাপন, (৮) অতীতৰ প্ৰতি শ্ৰদ্ধা, (৯) ভৱিষ্যতৰ প্ৰতি গভীৰ আস্থা, (১০) শিশুজীৱনক ভালপোৱা, (১১) মুক্তি দানৰ প্ৰচেষ্টা (১২) স্বদেশ প্ৰীতি, (১৩) নতুন ছন্দ আৰু আঙ্গিকৰ পৰীক্ষা, (১৪) সৰ্ব্বাত্মাবাদ আৰু (১৫) মানৱ প্ৰীতি।

ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ দৰে আগৰৱালাৰ কবি-তাও পোনতে অত্যন্ত ঘৰুৱা, সৰল আৰু সোৱাদ, দ্বিতীয়তে ৱৰ্ডৱৰ্থৰ দৰেই এওঁৰ প্ৰকৃতিৰ লগত তৃতীয় জাতি, বৰ্ণ নিৰ্ব্বিশেষে মানুহ মানুহ হিচাপে তেওঁৰ কবিতাত ঠাই পাইছে। চতুৰ্থত প্ৰাকৃত কথাৰ প্ৰকাশ; অতি, পঞ্চমত, দুখীয়াৰ দুখত সহানুভূতি, ষষ্ঠত, ইংৰাজী নৱন্যাসে জাতীয় গীত কাব্যলৈ ঢাল খুউৱাৰ দৰে চন্দ্ৰকুমাৰে জন-সাহিত্যলৈ আঙুলিয়াইছে। ইংলণ্ডৰ ৰেষ্টৰেশ্যন যুগৰ পৰা লুপ্ত হোৱা ৰবাৰ্ট বাৰ্ণছে পুনৰুদ্ধাৰ কৰা গুটীয়া প্ৰেমৰ ভাৱৰদৰে সপ্তম গুণৰূপে চন্দ্ৰকুমাৰৰ কবিতাৰ মাজেৰে প্ৰকাশ পাইছে। ইংৰাজ মনস্তাত্বিক কবি সকলৰ দৰে আধ্যাত্মিকতা আগৰৱালাৰ কবিতাৰ অষ্টমগুণ। স্বৰূপতে মানৱ প্ৰেমৰ এই মধুৰ আৰু গম্ভীৰ বাণীৰে চন্দ্ৰকুমাৰৰ কবিতা চিৰমধুৰ।

প্ৰৱন্ধৰ আলোচ্য 'প্ৰতিমাৰ' প্ৰথম কবিতাটো হল "প্ৰতিমা"। এই কবিতাটোৰ মাজেদি কবিৰ মানৱপ্ৰীতি সুন্দৰ ভাবে ৰূপায়িত হৈছে। এই প্ৰতিমা তেওঁৰ মানসী প্ৰতিমাহে হাতেৰে সজা কাঠৰ বা মাটিৰ প্ৰতিমা নহয় 'প্ৰতিমা' কবিৰ হিয়াৰ বিকাশ স্বৰূপ, সেয়েহে কবিয়ে তেওঁৰ অন্তৰৰ 'আধাফুটা আবেগ' বোৰ প্ৰকাশ কৰি দিবলৈ কল্পনাকুঁৱৰী সখী চিত্ৰলেখাক আহ্বান জনাইছে—

"সখী চিত্ৰলেখা মোৰ কল্পনা সুন্দৰী
সন্নিধান দিয়া আহি মোক।"

তাৰ পাছত আকৌ "আধাফুটা আবেগৰ ইমান জুমুৰি, দিলোঁ মেলি হৃদয় দুৱাৰ" বুলি তেওঁ সৰ্ব্বলোকৰ দৰ্শনৰ বাবে এটি আদৰৰ ভাৱ "প্ৰতিমা" কবিতাটোত ফুটাই তুলিছে। 'জীৱন উচ্ছাস' কবিতাটোত কবিৰ কল্পনা প্ৰৱণতাৰ ভাব মূৰ্ত্ত হৈ উঠিছে। কবিৰ মনে কল্পনাৰ সোনালী জখলাৰে ভবিষ্যতৰ সুখ সপোনত আলাসত চাংপাতি সুখৰ ৰঙীন সপোনেৰে মন ৰঙাই তুলি সুখ সপোনৰ লীলা ভূমিলৈ খোপে খোপে আগুৱাই গৈছে। কবি-তাটিৰ শেষৰ ফালে কবিৰ বৈদান্তিক দৃষ্টি পৰিলক্ষিত হৈছে। বেদান্তৰ দৃষ্টিত ব্ৰহ্মাই আত্মা, তেওঁৱেই জ্ঞান, তেওঁৱেই সত্য। আগৰৱালাৰ কণ্ঠতো ধ্বনিত হৈছে— "জ্ঞানময় প্ৰেমময়-- প্ৰাণৰ ঈশ্বৰ, সত্য তুমি, শিৱতুমি, অসীম সুন্দৰ"





"এতদ্যোনীনি ভূতানি সৰ্ব্বাণীত্যুপধাৰয়।
অহং কৃৎস্নস্য জগতঃ প্ৰভৱঃ প্ৰলয়স্তথা।"—

ভাগৱত গীতাত কোৱাৰ দৰে চন্দ্ৰ কুমাৰেও "মই" ত কৈছে— "সংসাৰ মোৰেই পূৰ্ণদেখো,

আছো মাথো নিৰঞ্জন মই
নাই তুমি কেও আৰু নাই,
পাৰা যদি হোৱা মোতে লয়।
মই মই মই মাত্ৰ বিপুল সংসাৰ
মই মই মই সুৰে শুনা
বাজিছে প্ৰাণৰ বীনা তান
মই বিনা আছেনো কি গুণা।"

ভাগৱত গীতাৰ মতে জ্ঞান, কৰ্ম্ম আৰু ভক্তিৰ মাজেৰে জীৱৰ মোক্ষপ্ৰাপ্তি হয়, আমাৰ কবিয়েও শতমুখী বাসনা ত্যাগ কৰি তেওঁৰ কবিতা 'সুন্দৰ'ত কৈছে—

'বিচাৰো সুন্দৰ মই নিজে অসুন্দৰ।
আদৰাধি সুন্দৰ হায় হমনে সুন্দৰ।'

এইদৰেই তেওঁৰ ঈশ্বৰ উপলব্ধি 'কুট' কবিতা-টো৷ তা দেখা যায়। তেওঁ তাত কৈছে—

"মাৰা, টানা, বিলোৱা বা যিহকে কৰিবা-
মই যে তোমাৰ, তুমি মোৰ।" কবি

আগৰৱালাৰ বৈদান্তিক দৃষ্টি বা ঈশ্বৰ উপলব্ধি "প্ৰতিমাত" থকা জীৱনৰ দলি, অকলশৰীয়া চিৰলগৰীয়া; জীৱনৰ লগৰীয়া; হৃদয় সৰগ, সৰাপাহি আদি কবিতা কেইটিত দেখা যায়।

সৌন্দৰ্য্যৰ ৰূপায়ন ৰোমান্টিক কবি সকলৰ আন এটি লক্ষণ। সৌন্দৰ্য্য সন্ধানৰ সৈতে সমান্তৰাল ভাৱে চন্দ্ৰকুমাৰৰ কবিতাৰ আন দুটি বলিষ্ঠ দিশো বৰ উজ্জ্বল। সেয়া হৈছে তেওঁৰ কবিতাৰ দৃপ্ত মানৱতাবাদ আৰু গুৰু গম্ভীৰ আধ্যাত্মিক সুৰ। এহাতে পাশ্চাত্যদৰ্শনৰ ব্যক্তিবাদ আৰু আনহাতে ভাৰতীয় দৰ্শনৰ সৰ্ব্বভূতত পৰমাত্মাৰ দৰ্শন— এই দুয়োটা মূল্যৰ অপূৰ্ব্ব সমন্বয় চন্দ্ৰকুমাৰৰ কাব্যত ঘটিছে। "সৌন্দৰ্য্য কি মোহিনী মাৰি মোৰ ভুলালি হৃদয়" বুলি সৌন্দৰ্য্য সন্ধানী কবি প্ৰাণে কবি গণেশ গগৈৰ ভাষাত— "ৰূপস্ৰষ্টা কবি ৰূপত পাগল, জ্বলিছে বুকুত ৰূপৰ জুই'ৰ দৰে আমাৰ সৌন্দৰ্য্য পিয়াসী কবিয়ে বাট-ঘাট, ঘৰ, পৰ সকলোতে সুন্দৰক বিচাৰি হাবাথুৰি খাইছে। সৌন্দৰ্য্য-ব্যাকুল হোৱা কবিয়ে একোবাৰ ফুলা সৰিয়হৰ স্বৰ্ণদীপ্ত শোভাত, একোবাৰ সূৰ্য্যৰ সোনালী ৰশ্মিত, একোবাৰ পখিলাৰ জিলিকা পাখিত সৌন্দৰ্য্যৰ মউ বিচাৰি ফুৰিছে। তেওঁৰ এই সৌন্দৰ্য্যতৃষ্ণাই যেন "মাধুৰী"ত আহি এধানি আশ্ৰয় পাইছে। আধাফুলা ফুলৰ কলি, হাঁহো নেহাঁহোকৈ থকা হাঁহিত, শুনা-নুশুনা ৰিনিকি২ গীতত, যাওঁ নেযাওঁকৈ থকা খোজৰ ছন্দত যি সুষমা তৰঙ্গায়িত হৈ আছে তাৰ তুলনা ক'ত? কলাৰ সৌন্দৰ্য্য যে "আধা আধি চকুৰ আঁৰত"— Half hidden from the eyes. ৱৰ্ডছৱৰ্থে শেলুৱৈ ধৰা শিলৰ মাজৰ অৰ্দ্ধবিকশিত ভায়লেট ফুলৰ সৌন্দৰ্য্য দেখাৰ দৰে আমাৰ কবিয়েও গাভৰুতকৈ পাটগাভৰুৰ, সম্পূৰ্ণ ভাস্কৰ্য্যতকৈ অৰ্দ্ধখোদিত, ওলাও নোলাওকৈ থকা মনোমোহা ঠগটিতহে সৌন্দৰ্য্য বিচাৰি পাইছে। কবি ৱৰ্ডছৱৰ্থক ডেফডিল ফুলবোৰে মোহিত কৰাৰ দৰে আগৰৱালাৰো মনটো সতকাই সাধাৰণ মানুহৰ দৃষ্টিত নপৰা ফুলা সৰিয়হডৰালৈ উৰা মাৰিছে—

"দিয়ামোক এৰি চাওঁগৈ ঘূৰি
ফুলা সৰিয়হ ডৰা,
সেয়ে আজিলৈকে থৈছে মোক মুহি

পখিলা পাখিৰে ভৰা;
তাহানিৰ সেই সপোন দিনৰ
লৰালি কালৰে পৰা।"

প্ৰকৃতি প্ৰীতি ৰোমাণ্টিক কবিৰ আন এটি ঘাই লক্ষণ। প্ৰকৃতিৰ অন্তৰ্মুখী সৌন্দৰ্য্যৰ ৰূপ আগৰৱালাৰ কবিতাত ফুটি ওলাইছে। চন্দ্ৰকুমাৰৰ স্পৰ্শকাতৰ শিল্পীসত্বাই এক উলাহী কল্পনাৰ প্ৰথম দোলা দি গল। এই সুন্দৰ চিনাকি প্ৰকৃতিক তেওঁ জীৱন্ত কৰি তুলিছে। প্ৰকৃতিৰ বুকুতে অজান আশঙ্কাত মন শিহঁৰি উঠা পৰিৱেশৰ সৃষ্টি কৰিছে। গহীন এৰাবাৰীৰ পৰা মৰ্‌মৰ্‌নি শব্দ উঠিছে, বাঁহপাতৰ মাজে মাজে যেন কিহবাই ফুচফুচাইছে; বিৰিখে নৈলৈ চাই হাঁহিছে, নৈয়ে কথা কৈছে— ৱৰ্ডছৱৰ্থৰ 'লুচি'ৰ দৰে চন্দ্ৰকুমাৰৰো বনকুঁৱৰী বা জলকুঁৱৰীয়ে প্ৰকৃতিৰ বুকুত নানান খেলা খেলিছে, মানুহৰ দৰে ৰাজহংসই ফুলৰ নাওখনি বাই নিছে, জলদেৱীয়ে বনকুঁৱৰীৰ চুলি বান্ধি দিছে, ভৰদুপৰীয়া আহঁতৰ তলৰ এক ভয়াবহ, শুনিলে বুকু চম্‌চমাই যোৱা পৰিৱেশৰ সৃষ্টি কৰিছে—

"মুকলি চুলিৰে নাম গাই ঘূৰি
চাপৰি টুক্ টুক্ টুক্।
ৰূপহীৰ মেল দেৱযানী খেল
মানুহে নেদেখা মুখ"।

আকৌ— "কলৈ যায় সৌ ফুলৰ পাহিটি, ছিঙিলো উটালে কোনে, কি বাতৰি যায় ফুলাম নাও বাই কোন বা কুঁৱৰী পোনে।" যেনিয়েই চোৱা যায় তেনিয়েই তেওঁৰ কবিতাত এক ছঁয়া-ময়া সৌন্দৰ্য্যৰ লুকাভাকু খেলিছে এবাৰ জলকুঁৱৰী এবাৰ বনকুঁৱৰীহৈ। এইদৰে কবিয়ে বিশ্ব প্ৰকৃতিৰ ৰূপ উপলব্ধি কৰিছে আৰু কেতিয়াবা প্ৰকৃতিৰ নিষ্ঠুৰ ছবিও আঁকিছে—

"ফুল কলি ফুলি গোন্ধ বোৱাই প্ৰীতিৰ সোত
সৰি পাছে নাইকিয়া হল;
ক'ৰ কোন কিবা হল চিন স্মৃতি পমি গল
প্ৰকৃতিয়ে তেনেকৈয়ে ৰল।"

কৃত্ৰিম মালিতা বা অবাস্তৱ জগতৰ উপস্থাপন :- কবি আগৰৱালাৰ বনকুঁৱৰী, জলকুঁৱৰী আৰু তেজীমলা কবিতা এই পৰ্য্যায়ত পৰে। কলেৰিজে অতিপ্ৰাকৃত অনুভূতি প্ৰাকৃতিক বস্তুৰ মাজেদি ফুটাই তোলাৰ দৰে আগৰৱালায়ো বনকুঁৱৰী, জলকুঁৱৰীত কলেৰিজৰ পথকে অনুসৰণ কৰিছে, যাৰ ফলত তেওঁৰ বনকুঁৱৰী, জলকুঁৱৰী মানৱ মূৰ্ত্তিলৈ ৰূপান্তৰিত হৈছে। আগৰৱালাৰ তেজীমলা কবিতাটি এটি পৌৰাণিক আখ্যান। কবিয়ে অভিনৱ এক দৃষ্টিপাত কৰি তেজীমলাক মানুহৰ নিষ্ঠুৰতাত ৰক্তাক্ত, চূৰ্ণীকৃত এক চিৰন্তন দলিত সত্বাৰূপে দাঙি ধৰিছে। যি মানুহে মৰমৰ উমেৰে জীৱনৰ ফুল ফুলাব পাৰে সেই মানুহেই চোতালতে ফুলা ফুলপাহ চিনি নেপাই "সাৰিছিঙি তুলি মোহাৰি পেলালে মানুহৰ মৰমো নাই"। তেজীমলা সাধাৰণ মানুহৰ জীৱন ধাৰাৰ এক হুবহু ফটগ্ৰাফ। তেজীমলা পাৰিজাত ফুলৰূপে জকমকাই ফুলি থকা কথাষাৰ কবিৰ অবাস্তৱ কল্পনা। তেজীমলাৰে বুলি ঠিক কৰা দৰাটোৱেও পাৰিজাত ৰূপী তেজীমলাক ছিঙিবলৈ যাওঁতে ফুলে দিয়া উত্তৰ—

"হাতো নেমেলিবি ফুলো নিছিঙিবি
কৰে নাৱৰীয়া তই;





মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।"

এই কথা কেইষাৰতো বাস্তৱতাৰ আভাস ফুটি উঠা নাই, মাথোন কবিৰ অলৌকিক জগতৰ অবাস্তৱ কল্পনাহে।

উদাৰতা আৰু বিশ্বমানৱৰ প্ৰতি সহানুভূতিৰ ভাৱ আগৰৱালাৰ কবিতাৰ অন্য এক বৈশিষ্ট্য। মাতৃহাৰা কবিৰ শোকাৰ্ত্ত হিয়াঁখনক মানুহক ভাল পোৱাৰ মাজেৰেই সান্ত্বনা দিব বুলি তেওঁ "যুগমীয়া শোকত" কৈছে—

"মৰম শিকাব তোৰ শোকে
লেখৰ যি কেদিন থাকো মৰ্ত্ত্যলোকে
মানুহক ভাল পাম ভাবি আই তোকে
ক্ষেমিম সকলো চিন্তি তোৰেই মুখকে।"

বিশ্বৰ লৰা-ছোৱালীয়েই কবিৰ লগৰীয়া। তেওঁৰ এই ভাব পূৰণি ঋষি-মুনিয়ে কোৱা "উদাৰ চৰিতানাংতু; বসুধৈব কুটুম্বকম্" ভাবৰ নিচিনা। তেওঁৰ আশীৰ্ব্বাদ কবিতাটোত তাৰেই ৰূপ দেখা যায়—

আকাশ তলত মোৰ ধেমালিৰ ঘৰ
বিশ্বৰ ছোৱালী লৰা সঙ্গী
ভাই-ভনী লৈ মোৰ ধেমালিৰ ঘৰ
কোনে চাব মোৰ ভাওভঙ্গী।"

'মানৱবন্দনা" কবিতাটিৰ মাজেদি কবিৰ এহাতে মানুহৰ প্ৰতি থকা গভীৰ ভালপোৱা, অসীম শ্ৰদ্ধা আৰু অপৰিসীম আস্থাৰ আভাস, আনহাতে তেওঁৰ ঈশ্বৰ উপলব্ধি লক্ষ্য কৰা যায়। তেওঁৰ মতে এই পৃথিবীৰ জীৱমাত্ৰকে পূজা কৰাকে ঈশ্বৰকো পূজা কৰা হয়। বিবেকানন্দই গণদেৱতাৰ সেৱাকে ঈশ্বৰক পোৱাৰ প্ৰকৃত পথ বুলি কৈছে "জীৱে প্ৰেম কৰে যেইজন, সেইজন সেৱিছে ঈশ্বৰ।' সেইদৰে আমাৰ কবিৰ কণ্ঠতো উচ্চাৰিত হৈছে—

"মানবী জনম দিয়াঁ উটুৱাই
মানবী কৰম সোঁতে;
মানুহৰ মৰম বুজিবা মানুহে
—ধৰমযে মৰমতে।"

মানুহৰ মাজতে দেখিলে কবিয়ে সেই সত্য, শিৱ, সুন্দৰক। "ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ" বা ৰবি ঠাকুৰৰ ভাষাত "পথেৰ প্ৰান্তে আমাৰ তীৰ্থ নয়, পথেৰ দুধাৰে আছে মোৰ দেৱালয়।" হিয়াই ভগৱানৰ স্বৰূপ চিনে, মানৱৰ কল্যান সাধনাৰ অমোঘ শক্তিক পেয়েহে কবিয়ে আহ্বান কৰিছে—

মানুহেই দেৱ মানুহেই সেৱ,
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা- পাদ্য অৰ্ঘ্য লই—
জয় জয় মানৱ দেৱ!

—+—

# ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মাধুৰী' আৰু 'সৌন্দৰ্য্য' ॥

—— বীজু শৰ্মা
৩য় বাৰ্ষিক

" A little pain, A little pleasure
A little heaping up of treasure
Then no more gazing upon the sun
All things must end that have begun"

ঐশ্বৰ্য্য সুখ হওক, দুখ হওক বা ঐশ্বৰ্য্য বিভূতিয়েই হওক সকলোৰে শেষ আছে। অনিত্যমৰ্ত্যৰ সকলোৱেই অসাৰ সপোন মাত্ৰ। এই অনিত্যমৰ্ত্ত্যৰ অসাৰ সপোনৰ মাজত কবি আগৰৱালাদেৱে দেখা পাইছিল এক অনাবিল সৌন্দৰ্য্যৰ ৰূপৰাশি। সেয়েহে কবিৰ মন ধাৱিত হৈছে সুন্দৰৰ সন্ধানত।

'তামোলবাৰীৰ তামোল নহয়
তামোলবাৰীৰ চাহ" বুলি যি তামোলবাৰী.

চাহবাগিচাৰ কথা মানুহৰ মুখে মুখে, সেই চাহবাগিচাৰেই প্ৰতিষ্ঠাপক ৺হৰিবিলাস আগৰৱালাদেৱৰ পুত্ৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা আছিল এজন ব্যৱসায়ী। এই ব্যৱসায়িক জীৱনৰ গতানুগতিকতাৰ মাজত সোমাই কবিয়ে কোমল কোমল কবিতা ৰাজিৰ হৃদয়ৰ নিভৃত কোনত বিৰাজি থকা কোমল ভাৱৰাশিৰ 'প্ৰতিমা' আৰু 'বীণ-বৰাগী'য়েই সম্যক স্ফুৰণ।

জোনাকীযুগৰ সাৰথি সকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালাদেৱ আছিল অন্যতম। জোনাকীত প্ৰকাশ হোৱা তেখেতৰ গীতি কবিত[া] সমূহেই অসমীয়া গীতি কবিতাৰ সৃষ্টি ক[ৰে] বুলি কব পাৰি। সৌন্দৰ্য্যৰ সন্ধান, সুন্দ[ৰৰ] আৰাধনাৰ মাজেদি আগৰৱালাদেৱে যি প্ৰতি[মা] সৃষ্টি কৰিলে সেই প্ৰতিমা গঢ়িবলৈকে স্বৰ্গী[য়] বেজবৰুৱাদেৱে কোৱাৰ দৰে সক হলে "কিন্তু নিভাজ সোনৰ।"

প্ৰতিমাপুথিত সন্নিবিষ্ট মাধুৰী আ[ৰু] সৌন্দৰ্য্য নামৰ কবিতাদুটিৰ পৰা তেখে[তে] কিদৰে সৌন্দৰ্য্যৰ সন্ধান আৰু সুন্দৰৰ আৰা[ধনা] কৰিছে তাক ফঁহিয়াই চোৱাটোহে আলো[চ্য] বিষয় বস্তু। সৌন্দৰ্য্যৰ কবি সৌন্দৰ্য্যৰ অন্বেষণ[ৰ] ৰত। বৈচিত্ৰ্যময় বিশ্বসৃষ্টিৰ সকলোবোৰ[তে] কমবেছি পৰিমানে সৌন্দৰ্য্যৰ প্ৰকাশ। [এ]ই বিশ্ব প্ৰকৃতিৰ ধৰাৰ কোমল বুকুখনিত সেই সকলো[বোৰ] -বোৰ সৌন্দৰ্য্যৰ সুষমাই কবিৰ শিল্পী হৃ[দয়ক] উন্মনা কৰিব পৰা নাই; পৰা নাই সে[ই] সকলোবোৰেই ৰূপৰ প্লাৱনেৰে কবি হৃদয়[ত] উৰ্ম্মিমালাৰ সৃষ্টি কৰিব, তেন্তে সৌন্দৰ্য্য[ৰ] আধাৰ কত?— ৰূপ অন্বেষী কবিয়ে জগ[তৰ] বস্তুবোৰৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছে — সন্ধান পাইছে অনাবিল সৌন্দৰ্য্যৰ নৱ[] বেখাৰ চিকমিকনি। ইংৰাজ কবি কীট্‌চৰ এ[]



কথা কবি আগৰৱালা দেৱৰ ক্ষেত্ৰত মনকৰিব -লগীয়া বিষয়। কীটচে কৈছে— "সত্যই সুন্দৰ আৰু সুন্দৰে সত্য।" প্ৰকৃততে যদি কোনো বস্তু সুন্দৰ হয়, তেন্তে তাত সত্য নিহিত আছেই। ছবিৰ প্ৰেমিকে প্ৰেমিকাক পাও পাওঁ অৱস্থাত থাকিল, পোৱাটো সম্পূৰ্ণ নহল। কবিয়ে কৈছে তাত দুখ কৰিবৰ কাৰণ নাই। শুনা গানতকৈ নুশুনা গান বেছি মধুৰ। প্ৰেমিকে প্ৰেমপূৰ্ণ কৰিব নোৱাৰিলে হয়; কিন্তু আনফালে প্ৰেম পৰিসমাপ্তিৰ পিছৰ অৱসাদ, বিষাদ [illegible] [illegible] প্ৰেম [illegible] ইত্যাদি ধৰণৰ [illegible] জীৱনত ঘটা অশান্তি বোৰৰ পৰাও ৰক্ষা নাপালে। কম কথাৰ ভিতৰত অধিক ভাৱৰ প্ৰকাশৰ ক্ষমতা কীটচৰ [আ]ছি। ঠিক সেই দৰে একেপথৰ যাত্ৰী বুলিও কব পাৰি আমাৰ আগৰৱালাদেৱক।

পূৰ্ণ বিকাশিত সৌন্দৰ্য্যৰ পূৰ্ণ প্ৰয়োজন নাই যিদৰে শুনি পেলোৱা গীতটোত আছে আনন্দ আৰু নুশুনা গানটোত আছে তাততে অধিক আনন্দৰ সমাবেশ (Heard melodies are sweet but those unheard are sweeter) তাতোকৈ অধিক আনন্দ আছে দূৰ দিগন্তৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি প্ৰতিধ্বনিত হোৱা এই সুৰৰ মূৰ্চ্ছনাত। সেইদৰেই প্ৰস্ফুটিত ফুলপাহি অনুপম, তাতোকৈ অনুপম বিকাশমুখী কলিটি। তাত ৰূপৰ তুলনা নাই।

সেইদৰেই আনন্দৰ আতিশয্যত গাভৰুৰ হাঁহিৰ খলকনিতকৈ ৰঙা ৰঙা ওঠ দুটিৰে ঢৌ খেলি অহা মিচিকিয়া হাঁহিটিৰ কমনীয়তা অধিক। সেয়েহে কবিৰ কলপ প্ৰেয়সীৰ ৰঙা ওঠ দুটিয়েদি ৰাগৰি অহা লাজসনা মিচিকিয়া হাঁহিটো হৈ পৰিছে পুলকভৰা, আছে তাত আমেজসনা।

আগৰৱালাদেৱ আছিল সৌন্দৰ্য্যৰ নীৰৱ পূজাৰী তেওঁৰ সেই সৌন্দৰ্য্য পূজাৰ স্বৰূপ প্ৰতিফলিত হৈছে 'মাধুৰী' নামৰ কবিতাটোৰ মাজেৰে। ইয়াৰ মাজেৰে কবিয়ে জাগতিক সৌন্দৰ্য্যৰ অপূৰ্ব্ব মহীয়ান ক্ষন বিচুমানৰ কথাকে ব্যক্ত কৰিছে। কবিৰ মতে সুন্দৰ হল,

উদঙাই ঢাকি থৈ
উঠি অহা বুকুটি
সোলোকাই মোকলাই
এধা বন্ধা খোপাটি।'

গাভৰুৰ অৰ্দ্ধ নগ্ন উঠন বুকু সুলকি পৰা আধামেলা, আধা বন্ধা খোপাটিৰ সৌন্দৰ্য্যত কবিৰ দৃষ্টি থৰ হৈ ৰয়। ঠিক তেনেকৈ শিশুৰ থুনুক-থানাক আধা ফুটা মাত ৰিনিকি ৰিনিকি দূৰৰ পৰা ভাঁহি অহা বাহীৰ সুৰ, তথা ব্যথাত্মক উচুপনিয়ে কবিৰ আবেগ সঞ্চাৰে। সেইদৰে নিমিষতে দেখা দি নিমিষতে অন্তৰ্দ্ধান হোৱা, ছঁয়ামৰাকৈ লুকা -ভাকু খেলি থকা সপোন কুঁৱৰীৰ মুখ মণ্ডলত কবিয়ে বিচাৰি পাইছে অক্ষুন্ন অবিনাশী সৌন্দৰ্য্যৰ দীপ্তি। এইহেন অপাৰ সৌন্দৰ্য্যৰ মাজত সোমাই কবি আপোন পাহৰা হৈ পৰিছে। কিন্তু কবিয়ে বুজিব পৰা নাই—

'দেৱীনে মানৱী ঐ
মাধুৰীৰ ছবিটি।'

বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাষাত কবলৈ গলে ই "অৰ্দ্ধেক মানবী, অৰ্দ্ধেক কল্পনা।"

কবি আগৰৱালাদেৱৰ 'মধুৰী'ৰ দৰে কবি লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ 'মালতী' ও এনে সৌন্দৰ্য্যৰ প্ৰতীক স্বৰূপ। 'মালতী' কবি বেজবৰুৱাৰ মানস সুন্দৰীৰ মূৰ্ত্তিমতী কল্পনা কুঁৱৰী। সুন্দৰ বস্তু মাত্ৰেই কবি আগৰৱালাদেৱৰ মনলৈ আনে ভগৱানৰ প্ৰতিমূৰ্ত্তি। জাৰ্ম্মান দাৰ্শনিক kant ৰ মতে সুন্দৰ বোলা বস্তুটো মানুহৰ মনৰ বস্তু। কবি আগৰৱালাদেৱৰ মনৰ বস্তুটি আছিল সুন্দৰৰ আৰাধনা।

ইয়াৰ সন্ধানত পম খেদি গ'লে আমি দেখিবলৈ পাওঁ কবি আগৰৱালাদেৱৰ সৌন্দৰ্য্য'ত কবিৰ হৃদয়ত সৌন্দৰ্য্যই মোহিনী বান নিক্ষেপ কৰি কবিৰ প্ৰাণ মনৰ বান্ধ ভাঙি দিলেহি। কবিয়ে যদি কেনেবাকৈ কৰবাত এনেহেন সৌন্দৰ্য্যৰ ৰূপৰ কান্তি নিজচকুৰে দেখিবলৈ পালেহেতেন তেতিয়া কবিয়ে অজ্ঞান বাসজ্ঞান অৱস্থাত সেই সৌন্দৰ্য্যকে ধ্যান কৰিলেহেঁতেন। সেয়েহে কবিৰ দুৰ্ব্বল প্ৰানৰ এটা স্পৃহা জাগি উঠিছে সুন্দৰৰ সন্ধানত য'ত কোনোৱে আধিপত্য স্থাপন কৰিব পৰাৰ অধিকাৰ নাই, তেনে এখন ৰম্যপুৰীত ভুমুকি মাৰিবলৈ। কিন্তু গতানুগতিকাই যি স্থলত জগতৰ ৰীতি, কবি প্ৰকৃতি সাধাৰণতে মানৱৰ বাহ্যিক দৃষ্টিত আচহুৱা যেন লাগে। অপাৰ কাব্য সংসাৰত কবিয়ে যে প্ৰজাপতি সেই কথালৈ মানুহৰ ভ্ৰূক্ষেপ নাথাকে। সেয়েহে ইংৰাজ কবি Shakespeare য়ে বোধহয় 'A Midsummer Night's Dream' নাটকত এইদৰে কৈছে—

'The unatic, the lover and the poet
Are of imagination all compact.'

সেয়েহে আমাৰ কবি আগৰৱালাদেৱে উন্মত্তৰ দৰে ঘূৰি ফুৰিছে। কবিৰ আকাঙ্ক্ষা বহুমুখী হোৱাৰ হেতুকে এইদৰে উন্মত্ত হৈ ঘূৰি ফুৰিব লগা হৈছে। কবিৰ সেইগতিকে প্ৰকৃত কৰ্ত্তব্যৰ কথা মনত নপৰে। সৌন্দৰ্য্যৰ আভাস একনিকা পাবলৈ কবিয়ে যাত্ৰীৰ বেশে দেশে বিদেশে ঘূৰি ফুৰিছে। তথাপি সৌন্দৰ্য্যৰ প্ৰকৃত স্বাদ লব পৰা নাই।

বঙালী কবি ৰবীন্দ্ৰ নাথ ঠাকুৰে কবৰ দৰে, জীৱন এটা কঠিন সাধন। জীৱনৰ সাৰ্থকতা লাভ কৰিবলৈ হলে প্ৰত্যেকেই কঠোৰ সাধনা কৰিব লাগিব। এনে হেন সাধনাৰ বাসৱৰ্ত্তী হৈ আগৰৱালাদেৱে আগবাঢ়ি গৈছে সুন্দৰৰ আৰাধনাত মগ্ন হবলৈ। মানৱ জীৱনৰ অভিনয় শেষ নোহোৱালৈকে কবিয়ে সুন্দৰৰ আৰাধনা কৰিব সৌন্দৰ্য্যৰ মাজেদি। যিহেতু কবিয়ে উপলব্ধি কৰিব পাৰিছে যে জীৱনটো এটা খেলৰ সামগ্ৰীৰ বাহিৰে যেন একো নহয়। সেয়েহে কবিয়ে গাইছে—

'সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় হন্তে ঘোৰ কলে যৱনিকা।'

০--০



# বেজবৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম।

অধ্যাপিকা শ্ৰীমতী তৰু বৰুৱা।

জোনাকীযুগৰ যি কেইজন লিখকে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল তাৰ ভিতৰত ৰসৰাজ বেজবৰুৱাৰ দান অন্যতম। জোনাকী কাকতৰ যোগেদি এচাম কলিকতীয়া প্ৰবাসী অসমীয়া ডেকাই অসমীয়াৰ জাতীয় চৈতন্য উদ্বোধনৰ চেষ্টা কৰিছিল, সেই ডেকাচামৰ আগত বীৰদৰ্পে থিয় হৈছিল ডেকাবীৰ বেজবৰুৱা। এই চাম ডেকা সাহিত্যিক হ'ল- সত্যনাথ বৰা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু বেজবৰুৱা। বাকী কেইজনে অসমীয়া সাহিত্যৰ একো একোটা বিভাগত সাহিত্য চৰ্চ্চা কৰিছিল আৰু বেজবৰুৱাই অসমীয়া সাহিত্যৰ আটাইকিটি বিভাগৰ পৰিপুষ্টি সাধন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ একেধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গদ্যশিল্পী, সমালোচক আৰু হাস্যৰসিক। সাহিত্যত ৰসসৃষ্টিত অদ্বিতীয় বাবে সাহিত্যপ্ৰেমিক সকলে তেওঁক ৰসৰাজ উপাধিৰে বিভূষিত কৰিছিল। জাগ্ৰত স্বদেশানুৰাগ, নিস্বাৰ্থ স্বদেশপ্ৰেম আৰু দেশাত্মবোধ তেওঁৰ ৰচনাৰ বৈশিষ্ট্য জাগ্ৰত। স্বদেশ প্ৰীতিয়েই তেওঁৰ ৰচনাৰ মূলমন্ত্ৰ। জাতীয় ভাব মণ্ডল সৃষ্টি কৰাত তেওঁৰ শ্ৰেষ্ঠ দান হল স্বদেশ হিতৈষিতা। সুগভীৰ স্বদেশানুৰাগ তেওঁৰ সাহিত্যত ধ্বনিত হৈছে।

বেজবৰুৱাৰ সাহিত্য বুলিলেই আমাৰ মনত পৰে তেওঁৰ খুহুটীয়া ৰচনাৱলীলৈ। পাঠকৰ মনত প্ৰশ্ন উদয় হয় বেজবৰুৱাই সাহিত্যত হাস্যৰসক অবলম্বণ হিচাপে লৈছিল কিয়? ইও তেওঁৰ স্বদেশপ্ৰেমৰেই নিদৰ্শন। তেওঁৰ সমসাময়িক অসমীয়া সমাজখন আছিল ভণ্ডামিৰে ভৰা। তেনে এখন সমাজক সংস্কাৰ কৰিবলৈ বেজবৰুৱা আগবাঢ়ি আহিল। বেজবৰুৱা ডাঙৰীয়াই ওৰে জীৱন প্ৰবাসত থাকিও অসমীয়া সমাজৰ প্ৰতি একনিষ্ঠ প্ৰেমলৈ অসমীয়া সাহিত্যত হাত দিলে। তাৰ বিনিময়ত আপুৰুগীয়া

বাচকবনীয়া বজনাবাঙ্কি তেওঁৰ কাপ মৈস্নানৰ পৰা বাহিৰ হৈ আহিবলৈ ধৰিলে। বেজবৰুৱাই সমাজ সংস্কাৰ কৰাৰ উদ্দেশ্য আগত ৰাখি হাস্যৰসৰ মাধ্যমেৰে সাহিত্য চৰ্চ্চা কৰিছিল যাতে সমাজৰ সকলোৱে হাঁহিৰ লগতে নিজৰ দোষ ত্ৰুটীবোৰ শুধৰাব পাৰে। বেজবৰুৱাই সাহিত্যত যি হাঁহিৰ সৃষ্টি কৰিছিল সেইয়া প্ৰকৃততে তেওঁৰ হাঁহি নহয়, দেশৰ দুৰ্দ্দশাত মৰ্মাহত হোৱা তেওঁৰ অন্তৰৰ বিননিহে। অসমীয়া মানুহৰ নীচতা, হীনতা, মূৰ্খামি দেখি তেওঁ হাঁহিৰ আঁৰলৈ আচলতে চকুপানীহে টুকিছিল।

বেজবৰুৱা প্ৰাচীন ঐতিহ্যসম্পন্ন পৰিয়ালত জন্মগ্ৰহণ কৰিছিল আৰু ডাঙৰ দীঘল হৈছিল বাবে অসমীয়া সমাজখনৰ চাৰিচুক নিৰীক্ষণ কৰিবলৈ সুবিধা পাইছিল আৰু তাৰ প্ৰভাৱ তেওঁৰ সকলো ৰচনাতে পৰিস্ফুট হৈছে। তেওঁৰ পিতাক ৺দীননাথ বেজবৰুৱা নৈষ্ঠিক ব্ৰাহ্মণ। তেওঁৰ ঘৰত হিন্দুৰ সকলো শাস্ত্ৰীয় ৰীতি নীতি চুলি এডালমানো লৰচৰ নোহোৱাকৈ পালন কৰিছিল। গতিকে তেনে এটা পৰিবেশত ডাঙৰ দীঘল হোৱা বাবে তেওঁৰ সাহিত্যত তাৰ প্ৰভাৱ পৰিছে।

বেজবৰুৱাৰ ৰচনাৱলী বিচাৰ কৰিবলৈ গলে তেওঁৰ সমসাময়িক সমাজখন বিচাৰ কৰিব লাগিব। এওঁ উনৈশ শতিকাৰ শেহৰ ফালৰ সাহিত্যিক। এই সময়ত অসমীয়া ভাষা সাহিত্যৰ অৱস্থা অতি শোকলগা আছিল। বঙালী সকলৰ প্ৰৰোচনাত ইংৰাজ চৰকাৰে অসমৰ স্কুল আদালতত বঙলা চলোৱাৰ ফলত অসমীয়া ভাষা সাহিত্য একেবাৰে নিশকতীয়া হৈ পৰিছিল। বেজবৰুৱাৰ ভাষাত কবলৈ গলে এইয়া অসমীয়া ভাষা সাহিত্যৰ ওপৰত 'ৰাঘচকা' পৰিল। অসমীয়া ভাষা সাহিত্যৰ এই দুৰৱস্থা গুচাবলৈ এচাম অসমীয়া ডেকাই ককালত টঙালি বান্ধিলে। এওঁলোকে তেওঁলোকৰ মুখপত্ৰ 'জোনাকী' কাকতৰ যোগেদি অসমীয়া ভাষাৰ মৌলিকতা প্ৰমান কৰিবলৈ চেষ্টা কৰিলে। বেজবৰুৱাই প্ৰথমে 'জোনাকী' আৰু পিছত 'বাঁহী' কাকতত ধাৰাবাহিক প্ৰবন্ধ লিখি অসমীয়া ভাষাযে বঙলা ভাষাৰ উপভাষা নহয় এটা স্বকীয়া ভাষা তাক প্ৰতিপন্ন কৰিলে।

বেজবৰুৱাৰ সমসাময়িক অসমীয়া সমাজখনত সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰত সংঘৰ্ষ আহি পৰিছিল। সমাজৰ এচাম মানুহে পুৰণি ৰীতি-নীতি, হাব-ভাব চাল-চলন মানি চলিবলৈ বিচাৰিছিল আৰু এচামে ইংৰাজ শাসক সকলৰ অনুকৰনত ইংৰাজৰ ৰীতি-নীতি, চাল-চলন সাবটি লবলৈ বিচাৰিছিল। এচামে পুৰণি অন্ধ সংস্কাৰ সাৱটি বহি আছিল। আনচামে অসমীয়াৰ সকলো ৰীতি-নীতিকে বেয়া বুলি দলিয়াই পেলাইছিল। সাহিত্যৰ ক্ষেত্ৰত এচামে পাশ্চাত্য সাহিত্যৰ পোহৰত আগবাঢ়িবলৈ বিচাৰিছিল আৰু আনচামে মহাপুৰুষ দুজনাৰ অনুকৰণত পুৰণি ধৰনে সাহিত্য চৰ্চ্চা কৰিবলৈ বিচাৰিছিল। সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত এই দুমুখীয়া ভাৱধাৰাৰ— সমন্বয় আৰু সংঘৰ্ষ বেজবৰুৱাৰ ৰচনাত সুন্দৰকৈ প্ৰকাশ পাইছে।

বেজবৰুৱাৰ সকলো ৰচনাতে জাগ্ৰত স্বদেশ প্ৰেম নিহিত হৈ আছে। তেওঁৰ অসম আৰু অসমীয়াৰ প্ৰতি অসীম ভালপোৱা আছিল। সেইবাবেই কোনো বিদেশীয়ে





অসমীয়াৰ স্বাৰ্থত আঘাত কৰিলে তেওঁ লিখনিৰ যোগেদি সিংহ বিক্ৰমেৰে গৰজি উঠিছিল। ইংৰাজীত এষাৰ কথা আছে "Pen is mightier than sword"— অৰ্থাৎ তৰোৱালৰ খোচতকৈ কলমৰ খোচ তীব্ৰ। বেজবৰুৱাৰ ক্ষেত্ৰত এইষাৰ কথা প্ৰযোজ্য। তেওঁৰ কলমৰ খোচত অসমীয়া ভাষাৰ উন্নতিত পথালি দিয়া স্বাৰ্থপৰ বিদেশী সকল থকা সৰকা হৈ পৰিছিল। দুৰ্ব্বলমনৰ নীচাত্মিকা মনোভাবৰ ভণ্ড অসমীয়া সকলকো তেওঁ সাহিত্যত থকা সৰকা কৰিছে।

বেজবৰুৱাই জীৱনৰ বেছিভাগ দিন বিদেশত থাকিলেও আৰু বঙালী ছোৱালী বিয়া কৰালেও অসম আৰু অসমীয়াক পাহৰিব পৰা নাছিল। বিদেশৰ চলন ফুৰণৰ মাজত থাকিও বিদেশী প্ৰভাৱৰ পৰা নিজক বচাই ৰাখিছিল; এইবাবে তেওঁ শহুৰেদ ঘৰ ঠাকুৰবাৰীৰ বহুতৰে অপ্ৰিয়ও হৈছিল। আনকি অসমীয়া ভাষা সাহিত্যৰ হকে যুঁজ দিওঁতে তেওঁৰ খুৰাশহুৰ কবিগুৰু ৰবিঠাকুৰৰ লগতো কেতিয়াবা তৰ্কত অৱতীৰ্ণ হব লগা হৈছিল; তথাপি অসমীয়াৰ স্বাৰ্থৰ প্ৰতি সদায় সজাগ হৈ আছিল। এই বিষয়ে তেওঁ 'জীৱন সোঁৱৰণ'ত লিখিছে যে অসমীয়া ভাষাৰ হকে তেওঁৰ হাতত সদায় ৰামটাঙোন এডাল আছিল আৰু ঠাকুৰ পৰিয়ালত তেওঁ অজীনপাতকী হৈ দেখা দিলে। বেজবৰুৱা য'তে থাকক তেওঁৰ হিয়া পৰি থাকে অসমৰ হাবিবননিৰ মাজত। বঙালীৰ সন্দেশ মিঠাই খাই থাকিলেও তেওঁৰ জিভাৰ পানী পৰে অসমীয়া কাহুদি খাৰলিৰ সোঁৱৰণীত। চাল চলন খোৱা লোৱাত যিমানেই বিদেশী ভাৱ দেখিছে তিমানেই তেওঁৰ অন্তৰাত্মাই নিজৰ প্ৰদেশ অসমৰ নিজৰ সমাজৰ প্ৰতি প্ৰৱল ধাউতি দেখুৱাইছে। কাপোৰৰ নিচান যিমান বেগেৰে আগলৈ নিয়া যায় তাৰ আগডুখৰি তিমানেই পিছমুৱা হোৱাৰ দৰে বেজবৰুৱা যিমানেই অসমৰ পৰা আঁতৰি গৈছে তেওঁৰ মনটো সিমানেই কুৰুকি কুৰুকি অসমৰ ভিতৰ সোমাইছে। কলিকতাৰ পৰা নি অদৃষ্টই তেওঁক সম্বলপুৰৰ হাবিত এৰি দিলে যদিও অসমৰ পৰা তেওঁৰ মনটো কোনেও আঁতৰাব নোৱাৰিলে।

জাগ্ৰত স্বদেশপ্ৰীতি, অপূৰ্ব্ব ৰচনা পদ্ধতি, প্ৰকৃত হাস্যৰস এইকিটাই তেওঁৰ ৰচনাৰ বৈশিষ্ট্য। স্বদেশৰ প্ৰতি তেওঁৰ ভালপোৱা অতুলনীয়। ব্ৰজবাসীৰ লগত শ্ৰীকৃষ্ণ স্নেহপাশত জড়িত থকাৰ দৰে বেজবৰুৱাৰ লগতো অসম তথা অসমবাসী এক অনিৰ্ব্বচনীয় স্নেহপাশত অবিচ্ছেদ্য-ভাৱে বান্ধখোৱা। তেওঁৰ সকলো ৰচনা এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁৰ ধেমেলীয়া ৰচনাৰ পৰা শেহৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৱে ঐক্যসূত্ৰ এই স্বদেশানুৰাগৰ অনুবৰ্ত্তী। বুঢ়ী আইৰ সাধুৰ পৰা আৰম্ভ কৰি পদুম কুঁৱৰী, সতী জয়মতী আদি বুৰঞ্জীমূলক স্বদেশমাহাত্ম্যমূলক ঘটনাৱলীলৈকে আৰু শঙ্কৰ মাধৱৰ জীৱনীলৈকে সকলো বিষয়েই স্বদেশপ্ৰীতিৰ ৰসৰে অভিষিক্ত। স্বদেশ অসমৰ প্ৰতি বেজবৰুৱাৰ ইমান গভীৰ স্নেহ বা ভক্তি যে অসমৰ গৌৰৱত ভুলে চুকে কোনোবাই হাতদিলেও তেওঁ অসমীয়া কানীয়াৰ সাধু এৰি ঢাল তৰোৱাল তুলি লৈছিল। সেইবাবেই ১৯০৯ চনত গৌৰীপুৰত বঙ্গীয় সাহিত্য পৰিষদে অসমীয়া ভাষাক বঙলাৰ উপভাষা বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা বাবে তেওঁ পৰিষদৰ চোকা সমালোচনা কৰিছিল। তেওঁৰ অখণ্ড স্বদেশপ্ৰীতি অসমৰ গৌৰৱ টুটোৱা সকলো আক্ৰমনৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছিল।

বেজবৰুৱা ডাঙৰীয়াই অকল বিদেশীক আক্ৰমন কৰিয়েই ক্ষান্ত নাছিল; তেওঁ সমসাময়িক অসমীয়া সমাজখনৰ দোষক্ৰুটী বোৰ গুচাবলৈ যত্ন কৰিছিল । তেওঁৰ সমসাময়িক লিখক হেমচন্দ্ৰ বৰুৱা, সত্যনাথ বৰাইও সমাজ সংস্কাৰ কৰাৰ উদ্দেশ্যৰে সাহিত্যত ব্যঙ্গ বা বিদ্ৰূপ কৰিছিল । তেওঁলোকৰ ব্যঙ্গ বৰ তীব্ৰ আছিল। সেই বিদ্ৰূপে সমসাময়িক সোপা ঢিলা সমাজখনৰ সোৰোপা লোক সকলক কৰ্ত্তব্যলৈ আহ্বান কৰিব পৰা নাছিল, সেইবাবে বেজবৰুৱাই সমাজসংস্কাৰ কৰিবলৈ এক অভিনৱ উপায় অবলম্বন কৰিলে। সেইয়া হৈছে কৃপাবৰ বৰবৰুৱাৰ চৰিত্ৰৰ সৃষ্টি । এই কৃপাবৰবৰৰুৱাৰ আঁৰলৈ হাঁহিৰ মাজেদি তেওঁ সমাজৰ দোষ ক্ৰুটীবোৰ দেখুৱাই তাক শুধৰাবলৈ চেষ্টা কৰিছে। বেজবৰুৱাৰ সমসাময়িক সমাজখন ভণ্ডামি, নীচতা, হীনতা, পঙ্কিলতা আদিৰে পৰিপূৰ্ণ আছিল। তেওঁ জানিছিল তেনে এখন সমাজক নীতি শাস্ত্ৰ আওৰাই শুধৰাবলৈ যোৱাটো মূৰ্খামি হব। নাইবা চোকা চোকা বিদ্ৰূপৰ বান নিক্ষেপ কৰিও শুধৰাব নোৱাৰি সেইবাবে তেওঁ এই অভিনৱ উপায়েৰে কৃপাবৰৰ আঁৰলৈ সমাজৰ দোষ ক্ৰুটীবোৰ এনেদৰে দেখুৱাই গৈছে যে আৰ্চীত নিজৰ প্ৰতিবিম্ব দেখাদি বেজবৰুৱাৰ সাহিত্যৰ আৰ্চীত সকলোৱে নিজৰ দোষ ক্ৰুটীবোৰ দেখা পাইছিল ।

বেজবৰুৱা ডাঙৰীয়াই সেইসময়ৰ অসমীয়া সাহিত্যৰ নাওখনত গুৰি ব'ঠা ধৰিছিল। তেওঁ অসমীয়াৰ সমাজৰ সমাজ-বৈদ্য আছিল। সামাজিক নাৰী নক্ষত্ৰৰ উমান -লৈ ধন্বন্তৰি স্বৰূপে তেওঁ সমাজৰ আওপুৰনি কেৰোন বোৰ গুচাবলৈ চেষ্টা কৰিছিল আৰু কৃতকাৰ্য্যও হৈছিল। বেজবৰুৱাই অসমীয়াক হাড়ে হিমজুৰে চিনি পাইছিল; সেইবাবেই বঙ্গবাসী বেজবৰুৱাৰ কাপৰ পৰা বঙালী ৰোমাঞ্চ কাহিনী ওলোৱা নাছিল; ওলাইছিল জগৰামগুলৰ প্ৰেমাভিনয়, ভদৰী; ভেমপুৰীয়া মৌজাদাৰ ইত্যাদি গল্পসমূহহে। তেওঁৰ গল্পত আমি পাওঁ ধপাত আৰু ধোৱা খোৱাৰ কথা, ফটাকথা আৰু জুপুৰীৰ কহিনী। তেওঁৰ ৰচনাৱলী গণতান্ত্ৰিকমুখী. সমাজমুখী। অসমীয়া সমাজৰ অধঃপতন দেখি তেওঁ মৰ্ম্মাহত হৈছে । আঘাতৰ বেদনাই তেওঁক দৰদী সমালোচক কৰিছিল। বেজবৰুৱাই তেওঁৰ সাহিত্যত আত্মমৰ্য্যাদাহীন অসমীয়া ডেকাক তীব্ৰভাবে সমালোচনা কৰি লোকৰ মুখত চূণ দিছে । তেওঁ অসমীয়া ডেকাক কাণিৰ খোলাৰ পৰা উঠি আত্মসচেতন, কৰ্ম্মপটু হবলৈ শিকনি দিছে। এককথাত বেজবৰুৱাই বেজ হৈ অসমীয়া সমাজক জাৰিছে। সেইবাবেই তেওঁৰ সাহিত্যত আমি পাওঁ; নতুনকৈ চাহাব হব খোজা এপ্ৰেনটিচ জনৰ চৰিত্ৰ, মলকগুইন গুইনৰ নিচিনা আত্মমৰ্য্যাদাহীন ডেকাৰ চৰিত্ৰ, ভণ্ডগোঁসাই, মহন্ত সত্ৰাধিকাৰ সকলৰ চৰিত্ৰ।

বাহিৰে ৰং চং ভিতৰে কোঁৱাভাতুৰীৰ নিচিনা মধ্যবিত্তশ্ৰেণীক বেজবৰুৱাই ভালচকুৰে চোৱা নাই । বাহিৰত ৰবচুৰিয়াৰ ফেৰ মৰা ভিতৰি ঢকুৱাৰ বেৰ থকা অকৰ্ম্মণ্য, ফোপযহী অসমীয়াক তেওঁ তীব্ৰ ভাবে ব্যঙ্গ কৰিছে ওভতনি আৰু কাকতৰ টোপোলাৰ প্ৰবন্ধ সমূহৰ জৰিয়তে। ইংৰাজী শিক্ষাৰ আধা আলো আধা ছাঁত এচাম অসমীয়া মানুহৰ নৈতিক





অধঃতপন ঘটিছিল; বেজবৰুৱাই বিশেষকৈ এই শ্ৰেণীক তেওঁৰ সাহিত্যত বিদ্ৰূপ কৰি শুধৰাবলৈ চেষ্টা কৰিছে।

অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ ডাঙৰ দান হল তেওঁৰ ভাষা। তেওঁ নিভাজ ঘৰুৱা অসমীয়া ভাষা তেওঁৰ সাহিত্যত ব্যৱহাৰ কৰিছিল । বেজবৰুৱাৰ আগৰচাম সাহিত্যিকে ভাষাত এক বিজতৰীয়া ঠাঁচ আনিছিল। তেওলোকৰ সাহিত্যৰ ভাষাত বিদেশীৰ প্ৰভাৱ পৰিছিল। ঘৰুৱা অসমীয়া শব্দ সাহিত্যত ব্যৱহাৰ কৰাক তেওঁলোকে লাজৰ কথা বুলি ভাবিছিল। বেজবৰুৱাই প্ৰথমে সাহিত্যত এই বিজতৰীয়া ঠাঁচ গুচালে । তেওঁৰ সাহিত্যত নিভাঁজ ঘৰুৱা শব্দ ব্যৱহাৰ কৰিছিল।

বেজবৰুৱাৰ তৃতীয় দান হল তেওঁ অসমীয়া জাতীয় সংস্কৃতি ৰক্ষা কৰিছিল । সেইসময়ত পাশ্চাত্য শিক্ষাৰ পোহৰত অসমীয়াই বিহুগীতক অশ্লীল বুলি পৰিগনিত কৰিছিল। স্বদেশ প্ৰেমিক বেজবৰুৱাই বিহুগীতক নতুন চকুৰে চাবলৈ শিকালে । তেওঁৰ উৎসাহ উদ্দীপনা নথকা হলে বিহুগীত, বিহুনৃত্য এনেকি বিহুউৎসৱৰ হয়তো আজি চিনমোকামেই নেথাকিলহেতেন ।

বেজবৰুৱাৰ স্বদেশ প্ৰীতিৰ আন এটা জ্বলন্ত নিদৰ্শন হল শঙ্কৰমাধৱৰ লিখনিৰ পুনৰুদ্ধাৰ। বঙালী সকলে অসমৰ বৈষ্ণৱ ধৰ্ম্মক বিদেশীৰ আমদানি, চৈতন্যদেৱৰ বৈষ্ণৱ মতৰ উদগীৰণ বুলি কোৱাত বেজবৰুৱাই আকৌ যুদ্ধ দিলে— তেওঁ নানা যুক্তি, তৰ্ক সমালোচনাত শঙ্কৰদেৱৰ মৌলিকতা প্ৰমাণ কৰিলে। তেওঁ অসমীয়াৰ ৰীতি-নীতিৰ বিশুদ্ধতা প্ৰতিপন্ন কৰি অসমীয়া সামাজিক নীতি যে আনতকৈ হীন নহয় তাক প্ৰতিপন্ন কৰি চোকা লিখনিৰে প্ৰমাণ কৰিলে। সেইবাবেই মহাপুৰুষ দুজনাৰ জীৱনী আধুনিক প্ৰণালীৰে ৰচনা কৰিলে আৰু সমসাময়িক আচাৰ নীতিৰ উল্লেখ থকা পুৰণি অসমীয়া সাহিত্য আলোচনাৰ সূচনা কৰিলে।

বেজবৰুৱাৰ স্বদেশপ্ৰেম তেওঁৰ সকলো লিখনিৰ মাজেদিয়েই প্ৰকাশ পাইছে। তেওঁৰ কবিতাৰ প্ৰধান সুৰ হল— স্বদেশ আৰু স্বজাতি অনুৰাগ। তেওঁৰ 'বীনবৰাগী', অসম সঙ্গীত, ব্ৰহ্মপুত্ৰ, অ'মোৰ আপোনাৰ দেশ আদি কবিতাত স্বদেশপ্ৰেম সুন্দৰকৈ ফুটি উঠিছে । জন্মভূমিৰ প্ৰতি অভিভূত হৈ দেশপ্ৰেমৰ উদাত্ত হিল্লোল তেখেতৰ কেঁচা প্ৰানৰ পৰা নিগৰি অহা উজ্জল চানেকী - তেওঁৰ 'অ' মোৰ আপোনা দেশ 'সঙ্গীতটি। সেই সঙ্গীতটি জাতীয় সংঙ্গীত হিচাপে ব্যৱহৃত হৈছে। বেজবৰুৱাই অসমৰ দৰে এনে এখন ঠাই পৃথিৱীৰ কতো বিচাৰি পোৱা নাই। আৰু এই অসমী আইৰ মুখখন চাই চাইও তেওঁৰ যেন হেঁপাহ নপলায়। বেজবৰুৱা বিদেশত থাকিলেও তেওঁৰ মনটো অসমীয়াৰ কুঁজিঠেকেৰা, কোমলচাউল, ঔটেঙা আদিৰ প্ৰতি সদায় ধাবিত হৈ থাকে। সৰ্ব্বশেহত 'কৃপাবৰ বৰুৱাৰ উইল" ৰ ভিতৰেদিয়েই তেওঁৰ স্বদেশ প্ৰীতিৰ উজ্জল চানেকী পৰিস্ফুট হৈছে । এই উইলত তেওঁ ব্যক্তিগত সম্পত্তি নিজ পুত্ৰক দিয়া দি অসমৰ পৰ্ব্বত পাহাৰ নদ নদী, খৰিচা, ঠেকেৰা সকলো অসমবাসীক দান দি গৈছে । তেওঁৰ

উত্তৰ পুৰুষে যাতে তাৰ সং ব্যবহাৰ কৰিব পাৰে।

বেজবৰুৱাই অসমীয়া সাধুকথাক নতুন ৰূপ দি সাহিত্যত ঠাই দিছে। তেওঁ বঙালী ৰোমাঞ্চ কাহিনী নিলিখি লিখিছিল মূলাখোৱা বুঢ়া বুঢ়ী আইৰ সাধু এই শ্ৰেণীৰ সধুকথা। আন গল্প বিলাকো অসমীয়া সামাজিক জীৱনক কেন্দ্ৰ কৰিয়েই ৰচনা কৰিছিল।

এইদৰে বেজবৰুৱা ডাঙৰীয়াৰ সাহিত্যত অসমীয়া সমাজৰ সামাজিক জীৱন যাত্ৰা, দোষ, ত্ৰুটী, সমাজৰ কেৰোণ, ধাৰ্ম্মিক দৃষ্টি ভঙ্গী, আৰ্থিক সমস্যা, সাংস্কৃতিক অৱনতি আদিৰ চিত্ৰ ফুটি উঠিছে। তেওঁ সমাজৰ সমস্যা বিলাক দেখুৱাই ক্ষান্ত থকা নাই সেইবোৰ সমাধানৰো উপায় দিছে অসমীয়াৰ স্বাৰ্থৰ প্ৰতি তেওঁৰ সদায় সজাগ দৃষ্টি আছিল আৰু এই স্বাৰ্থত কোনোৱাই আঘাত কৰিলে তেওঁ জ্বলি পকি উঠি তীব্ৰভাৱে সমালোচনা কৰিছিল। বহুতে সেইবাবে বেজবৰুৱাক প্ৰাদেশিকতাৰ সঙ্কীৰ্ণতাত দোষী কৰিব খোজে। কিন্তু আচলতে তেওঁক দোষী কৰিব নোৱাৰি। জাগ্ৰত স্বদেশপ্ৰীতি বহুসময়ত সীমা পাৰ হৈ যাব খোজে; সেইয়া জাগ্ৰত স্বদেশানুৰাগৰ জ্বলন্ত চানেকীহে।

০+০

---

"নীৰৱ কবিত্ব আৰু আত্মগত ভাৱোচ্ছ্বাস, সাহিত্যত এই দুটা বাজে কথা কোনো কোনো মহলত প্ৰচলিত। যি ডোখৰ কাঠ জ্বলা নাই তাক জুই নাম দিয়া যেনেকুৱা, যি মানুহে আকাশৰ ফালে চাই আকাশৰ দৰেই নীৰৱ হৈ থাকে তেওঁকো কবি বোলা তেনেকুৱা। প্ৰকাশেই কবিত্ব, মনৰ তলীত কি আছে বা নাই সেইকথা আলোচনা কৰি বাহিৰৰ লোকৰ একো লাভ-লোকচান নহয়।"

— ৰবীন্দ্ৰ নাথ ঠাকুৰ।



# শিল্পী—
# সমাজ—
# আৰু—
# সংস্কৃতি—

নীলিমা বৰা
২য় বাৰ্ষিক।

সংস্কৃতি হৈছে সমাজৰ চিন্তা, কল্পনা আৰু আদৰ্শৰ উৎস। সংস্কৃতিৰ জন্মস্থলীয়েই হৈছে সমাজ। সমাজৰ জীপ লৈ সংস্কৃতি জীয়াই থাকে। এখন সমাজ থাকিবলৈ হলে প্ৰগতিশীল চিন্তা থাকিবই লাগিব। মানৱীয় চেতনাৰ ক্ৰমবিকাশেই সাধাৰণতে সংস্কৃতি। "Broadly speaking, culture may be described as the sum-total of a people's achievements in aesthetics and other patterns of the mind." সমাজ স্থিতি শীল নহয়, গতিশীল। গতিশীল মানৱসমাজে বহুতো যুগ অতিক্ৰম কৰি আহিছে। ভিন্ ভিন্ অৱস্থাত ভিন্ ভিন্ সমাজ ব্যৱস্থা গঢ়ি উঠিছে। বিভিন্ন সমাজ ব্যৱস্থাত বিভিন্ন সংস্কৃতিয়ে জন্ম লাভ কৰিছে। আমি যদি অতীতলৈ উভতি চাওঁ, দেখা পাওঁ আদিম মানৱৰ সামূহিক শ্ৰম, সামূহিক ঐক্য আৰু সামূহিক ভাৱে কৰা চিন্তা চৰ্চ্চাৰ মাজেৰে প্ৰকৃতি কেন্দ্ৰিক বিচাৰ বুদ্ধিৰ মাজেদি সামূহিক সংস্কৃতিয়ে ৰূপ পাইছিল।

সংস্কৃতিৰ আদৰ্শ ৰোৱতী সুঁতিৰ দৰে। ইয়াক স্থায়ী অনুভূতি আৰু সুস্থ বুদ্ধিমত্তাৰে আমি আকোৱালি লোৱা উচিত। সংস্কৃতি স্থবিৰতা প্ৰাপ্ত হলেই ধ্বংস তাৰ সুনিশ্চিত। সমাজ সং আৰু মহীয়ান কৰিবলৈ হলে সমাজ সেৱক সকলৰ ওপৰতে নিৰ্ভৰ নকৰে ই সংস্কৃতি উপাসক শিল্পীসকলৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে। সুকুমাৰ কলাৰ মাধ্যমেৰে সমাজৰ অভিজ্ঞতা প্ৰকাশ কৰা

প্ৰয়োজন। প্ৰাচীন সমাজত শিল্পী আছিল সমাজৰ বস্তু; সমাজে শিল্পীক জীপ দি জীয়াই ৰাখিছিল আৰু সমাজৰ আশা, উদ্দীপনা, অভিজ্ঞতা, শিল্পীৰ বুকুতে প্ৰতিফলিত হৈছিল। যি দৰে সমাজে শিল্পীক প্ৰেৰণা যোগাইছিল, সেইদৰে শিল্পীয়েও চাৰু কলা সৃষ্টিৰে সমাজক জীয়াই ৰাখিছিল। প্ৰত্ন সমাজৰ প্ৰত্যেকজন কাৰিকৰেই আছিল একোজন শিল্পী। আৰু কাৰিকৰ একোজনৰ শিল্পসৃষ্টিৰ জৰিয়তে সমাজ একোখনৰ সাংস্কৃতিক স্তৰ প্ৰস্ফুটিত হৈছিল। সমাজৰ কলাবোধ উদ্ৰেক কৰাই শিল্পী সকলৰ আছিল উদ্দেশ্য। কাৰণ, তেওঁলোকে উপলব্ধি কৰিব পাৰিছিল যে তেওঁলোকৰ সমাজবোধ আৰু জীৱনৰ বাস্তৱতাই সমাজক সচেতন কৰি ৰাখিব পাৰিব। শঙ্কৰী যুগত মূৰ্ত্তি আৰু চিত্ৰই সাধাৰণ লোকৰ ব্যৱহাৰিক স্তৰতো স্থান পাইছিল। কাঠেৰে সজা মূৰ্ত্তি, বাঁহৰ কাঠিৰ মুখা শিল বা পিতলৰ মূৰ্ত্তিতকৈ বহুত সহজে হোৱা বস্তু। গতিকে সিংহাসন, গছা, ঠগি, শৰাই আদি নামঘৰৰ সঁফুলি আৰু ভাওনাৰ মুখা, সাজপাৰ আদি কিছুমান সাধাৰণ কলাত্মক শাস্ত্ৰীয় কলাক জনসাধাৰণৰ বেছি ওচৰ চপাইছিল। শিল বা ধাতুৰ মূৰ্ত্তি চাই আমি আজি বিস্মিত হওঁ। কিন্তু নিজ হাতে এনেকুৱা বস্তু গঢ় দি সাধাৰণ অৱস্থাৰ লোকেও গৌৰৱ কৰিব পাৰিছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতা নথকা এই বিধ কলা সৃষ্টিক সামাজিক কলা বুলিব পাৰি। আজিও শঙ্কৰদেৱৰ আদৰ্শত গঢ়লোৱা সামাজিক কলাবোৰ ক্ষীন ভাৱে হলেও জীয়াই থকা দেখিবলৈ পোৱা যায়। অসমৰ সত্ৰবোৰ অসমীয়া সংস্কৃতিৰ নাড়ী কেন্দ্ৰ বুলি কলেও ভুল কোৱা নহয়। সত্ৰসমূহৰ যোগেদিয়েই দেশত শিক্ষা সংস্কৃতিৰ সাধন হৈছিল।

শিল্পীয়ে মানৱজাতিৰ সত্য সুন্দৰ আৰু স্বাধীনতাৰ যুদ্ধত তুলিকাৰে সংগ্ৰাম চলায়। আজিৰ মানুহ নিজক আৰু পৃথিৱীৰ পুনৰ্নিৰ্ম্মাণৰ কাৰ্য্যত ৰত হৈছে। ইয়ে হৈছে 'সমাজবাদ'। শিল্পীৰ সন্মুখত জটিল সমস্যা হৈছে সুন্দৰৰ সৃষ্টি। শিল্পীৰ শিল্প হব লাগিব জীৱন্ত, বাস্তৱমুখী। সমাজত সংস্কৃতিৰ উপাসক শিল্পীসকল হব লাগিব নিৰ্ভীক আৰু আত্মবিশ্বাসী। সংস্কৃতি-জীৱন সঞ্জীৱিত কৰি তুলিবৰবাবে প্ৰয়োজন হলে সামাজিক বিপ্লৱৰ উদ্ভৱ কৰিব লাগিব লিও ট্ৰট্স্কিয়ে কৈছে– "Under socialism, solideity will be the basis of society. Literature and art would be turned to a different key." আত্মবিশ্বাসৰ দ্বাৰা শিল্পীয়ে সকলো জ্ঞানকে উপলব্ধি কৰা উচিত। এজন প্ৰকৃত শিল্পীয়ে নিজৰ উদ্দেশ্য পূৰণৰ বাবে আৰ্টক কেনেকৈ কামত ব্যৱহাৰ কৰিব লাগে আৰু কৰ লাগে তাক নিজ কৌশলৰ দ্বাৰা একোজন ৰাজনীতিৰ ধ্বনিবাদীকো চেৰ পেলাব পাৰে। আনকি এটা বিমূৰ্ত্ত আৰ্টে এখন অসুস্থ সমাজ বা অসাধুতাকো অস্বীকাৰ কৰিব পাৰে। ই সকলো প্ৰকাশ কৰাৰ ধৰণৰ ওপৰত নিৰ্ভৰ কৰে। আজিৰ মানুহ যি দৰে বাস্তৱমুখী থিক সেইদৰে আৰ্টত বাস্তৱবাদী বিষয় সমূহ সদায় জনসাধাৰণৰ ওচৰ।

সুকুমাৰ কলাৰ প্ৰয়োগো দুই শ্ৰেণীৰ হব পাৰে। কেৱল বিলাসৰ সামগ্ৰী বুলি সুকুমাৰ কলাক ধৰি ললে আজৰি সময়ৰ সদ্ব্যৱহাৰ





কৰা নহয়। কলাৰ লক্ষ্য সদায় বিকশিত জীৱন গঢ় দিয়া বা প্ৰগতিশীল হোৱা আৱশ্যক। সেই বাবে জীৱন কলা সদায় বাস্তৱ ধৰ্মী হলেও আদৰ্শমুখী হব লাগিব। কিয়নো কলা চৰ্চ্চাই সাধাৰণ লোকক পশুত্বৰ পৰা আঁতৰাই ৰাখে আৰু উন্নত চিন্তাৰ লোকক ক্ৰমশঃ দেৱত্বৰ সন্ধান দি আগবঢ়াই নিয়ে। বিভিন্ন দেশ আৰু সংস্কৃতি যেতিয়া পৰস্পৰৰ সংস্পৰ্শলৈ আহে তেতিয়া ইখনে সিখনৰ পৰা নানা কথা শিকিবলৈ বাধ্য হয়। শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাইও দেশৰ সংস্কৃতিৰ প্ৰচাৰ কৰাৰ উদ্দেশ্যত শিল্পত আত্ম নিয়োগ কৰিছিল। জ্যোতিপ্ৰসাদে বুজিছিল বোল ছবি নিজৰ সংস্কৃতি-বিকাশৰ এটি সুন্দৰ আৰু উত্তম পথ। সেয়েহে অসমীয়া বোলছবি নিৰ্ম্মানত তেওঁ আছিল একানপতীয়া কৰ্ম্মী!

শিল্পীয়ে সদায় উচ্চ আকাঙ্খা ত্যাগ কৰিব লাগে। কিন্তু উচ্চ আদৰ্শ নিতান্ত প্ৰয়োজন। উচ্চ আদৰ্শ আৰু উচ্চ আকাঙ্খা দুয়োটা একে বস্তু বুলি ধৰি ললে ভূল হব। আদৰ্শ এটা পবিত্ৰ বস্তু। আদৰ্শৰ লগত আকাঙ্খা যুক্ত হলে সেই পবিত্ৰতা নাথাকে। সেই কাৰণেই গীতাত অনাসক্ত ভাৱে কাম কৰি যাবলৈ উপদেশ দিছে— 'কৰ্ম্মন্যে বাধিকাৰস্তে মাকলেষু কদাছন।' জ্যোতিপ্ৰসাদেও কৈ গৈছে— "শিল্পীৰ মনীষাৰ দূৰবীক্ষণেৰে গৱৰ্ণমেণ্টৰ দূৰৈৰ অভ্যন্তৰৰ অস্পষ্ট ৰূপটো সি সাংস্কিতিক নে দুষ্কৃতিৰ তাক তন্ন তন্নকৈ চাব লাগিব। আৰু গৱৰ্ণমেণ্টৰ শাসন নীতিৰ তেজৰ টোপাল আনি তাক শিল্পীৰ সুক্ষ্ম বিশ্লেষণৰ অনুবীক্ষণৰ তলত থৈ তাত দুষ্কৃতিৰ বীজানু আছে নে নাই তাক চোৱাটো দেশৰ সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ ওলোৱা শিল্পীৰ অপৰিহাৰ্য্য কৰ্ত্তব্য।"

সমাজ আদৰ্শমুখী কৰিবলৈ হলে আদৰ্শৰ প্ৰতি ব্যক্তি সজাগ হব লাগিব। সমাজৰ প্ৰতিজন ব্যক্তিয়ে জানিব লাগিব যে উন্নত সংস্কৃতিক ব্যৱস্থাইহে সুপ্ত অনুভূতি সম্পদ জগাই তুলিবলৈ সক্ষম হয়। সংস্কৃতিৰ মৰ্ম্ম-স্পন্দন হৈছে মুক্তি। মুক্তি স্পৃহাই উন্নত সংস্কৃতিৰ যেনেকৈ জন্ম দিয়ে, সেইদৰে উন্নত সংস্কৃতিয়ে মানৱ আত্মাৰ মুক্তিচ্ছা তীক্ষ্ম আৰু টনকীয়াল কৰি তোলে। চাৰু কলা সৃষ্টিৰ বাবে মুক্ত সমাজ আৰু মুক্ত মন উভয়ৰে প্ৰয়োজন। ৰুদ্ধ সমাজ সংস্কৃতিক ক্ষেত্ৰত হৈ পৰে পঙ্গু। সংস্কৃতিৰ বিকাশ আৰু উন্নতিৰ বাবে সুস্থ সমাজৰ প্ৰয়োজন। যিহেতু সংস্কৃতি আত্মিক সামাজিক দুয়োৰে মুক্তিৰ পথ। সংস্কৃতিক জাতিস্কাৰ কৰিবলৈ হলে লাগিব শিল্পীৰ প্ৰেৰণা. সমাজৰ সুস্থতা। সংস্কৃতি এখন সমাজৰ এটা প্ৰাঞ্জল ৰূপ।

---

# ॥ মন বননিৰ কথা ঃ অন্ধ জীৱনৰ ॥

কমলা ভূঞা
তৃতীয় বাৰ্ষিক শ্ৰেণী

"কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ
কেলৈ পেলালি কলি ;
গুৰুতো নেলাগে গোঁসাইতো নেলাগে
থাক তলে ভৰি সৰি ।" –

গভীৰ আশা ; জীৱন্ত আকাংখ্যা ; ৰঙীন কামনা বাসনা হৃদয়ৰ গোপন কন্দৰত লৈ মন মুখৰ ছন্দৰ লীলায়িত হেন্দোলনিৰে জীৱনক স্বপ্নময়, ভাবময় কৰি তোলাৰ মানসেৰে মদাৰফুল ৰূপহী হৈ অধীৰে অপেক্ষা কৰিছিল— কিন্তু জুই-ৰঙা বাসনা অতৃপ্ত হৈয়েই ৰ'ল— মানুহৰ পূজাৰ বেদীত মদাৰ ফুলৰ ৰংৰেখা সুৰভিৰ কোনো মূল্যাঙ্কনেই নহল । চিৰ অৱহেলিতা, চিৰ অনাদৃতা হৈয়ে উচুপি উচুপি ৰঙাকৈ মদাৰ মৰহি গ'ল । সেই চকুলোত কাৰো প্ৰাণত মমতা নাজাগিল— কোনেও পূজাৰ বেদীত দেৱতাৰ অৰ্চ্চনাৰ বাবে আগ্ৰহ প্ৰকাশ নকৰিলে । ০ ০ ০

আৰু সেই একে মদাৰ হৈয়েই অন্ধ সকল জগতৰ জন সভ'ত মানুহ হ'ল— মানুহ হৈও সমাজত, মানৱৰ সমাজ বেদীত আনৰ দৰে ঠাই নাপালে । অনাদৃতা, অৱহেলিতা হ'ল ।

কোন অখ্যাত কবিয়ে এই ৰিখ্যাত কবিতা ফাঁকি মদাৰ ফুলৰ বিষয়ে কৈ গল জানো ? আৰু যিযাৰ কবিতা আমাৰ অন্ধ সকলৰ জীৱনত কোনোবাই দূৰে দূৰে গাই যোৱা শুনিলে সংগোপনে প্ৰাণটোৱে হাঁহাঁকাৰ কৰি উঠে । বেদনাত মন প্ৰাণে হাঁহাঁকাৰ কৰি উঠে ।

এৰা– ; অন্ধ সকল জানিবা বুৰঞ্জীৰ



শিলাখণ্ডৰ এক জীৱন্ত ফচিল । মানৱৰ জীৱন বুৰঞ্জীত সিহঁতৰ জন্ম এটা দুষ্ট গ্ৰহ মাথোন, সন্ধ্যাকাশত জ্বলি বৈ বাট হেৰুৱা পথিকক পথ দেখুৱাব নোৱাৰি কক্ষচ্যুত হৈ খহি পৰা পপীয়া তৰা মাথোন । সিহঁতৰ ( অন্ধৰ ) ৰূপৰ কোনো দাম নাই , সিহঁতৰ স্থিতিৰ কোনো বিস্তৃতি নাই, ভাষাত কোনো আশা নাই– স্পৰ্শত কোনো মাদকতা নাই— আছে বিতৃষ্ণা, ৰিক্ততা, তিক্ততা - শীতৰ কাঁইটৰ আঁচোৰৰ কঠিন-কঠোৰতা । এয়াই বহুলোকৰ বদ্ধমূল ধাৰণা । আমি জীৱন বাটত খোজ বুলাওঁতে এনে অৱস্থাৰ সন্মুখীন হৈছোঁ বাবেই ক্ষমা বিচাৰিয়েই কথাষাৰ কব লগা হৈছে ।

অন্ধতা ভগৱানৰ বিনন্দীয়া সৃষ্টিত এক দুৰন্ত অভিশাপ । অন্ধ সকল সমাজৰ জীৱন্ত অভিশাপ । এই কথা সমাজৰ বহু সুখ্যাত সদাশয়ৰে এক বিশিষ্ট অভিমত । এই কথা অৱশ্যে কিমান শালীনতাপূৰ্ণ বা মাৰ্জ্জিত আমি নাজানো । বিচাৰটো চাক্ষুষ সকললৈকে এৰি দিছোঁ । কিন্তু দৃষ্টিহীন অৱস্থাই জানো জগতৰ শেষ কথা । ইয়াৰ বাহিৰেও জানো অন্ধ সকলৰ কাৰ্য্যক্ষমতা বিচাৰ-বিবেচনা, বুদ্ধি-বৃত্তি,জ্ঞান-বিজ্ঞান বুলিবলৈ একো নাই ? অন্ধ সকলৰ মন-মগজুত ফুটি উঠা আশা-আকাঙ্খ্যাই, জ্ঞান-দৰ্শনে জানো জগতৰ মানৱ সমাজক একোকেই দিব নোৱাৰে ? তাৰ উত্তৰ আমি নিদিওঁ। ইতিহাসৰ পাতত তাৰ স্বাক্ষৰ হয়তো চেলেকা চুবুৰীয়া হৈ নহয়— ভালদৰেই আছে ।

অন্ধ সকলৰ জীৱন বীণত ফুটি উঠা ছন্দত আনৰ দৰেই বাৰিষাৰ বুকু জুৰোৱা হেন্দোলনি আছে । আছে, ভাষা, আশা ; আছে – কোমল কোমল লগা মিঠা মিঠা স্বপ্নময় কাহিনী । অৱশ্যে আনৰ দৰে চকুৰে চাই মনেৰে উপলব্ধি কৰা সৌন্দৰ্য্যৰ বিশালতা অন্ধৰ নাথাকিব পাৰে । কিন্তু আন্তৰিক সৌন্দৰ্য্যৰ শূণ্যতাতো অন্ধৰ হব নোৱাৰে ।

সৌন্দৰ্য্য গুণ মাত্ৰ । ই অন্তৰৰ অন্তৰতম— প্ৰদেশৰ আচুতীয়া বস্তু । আন্তৰিক সৌন্দৰ্য্যবোধ নাথাকিলে জগতৰ কোনো বস্তুতেই সৌন্দৰ্য্যৰ অভিব ক্তি দেখা পোৱা নাযায় । চকুৰ কাম দেখাতহে— আৰু তাৰ গতি তাতেই শেষ । মনৰ মহুৱাৰে সৌন্দৰ্য্যক পকাইহে কোনো বস্তুৰ সুন্দৰতা উপলব্ধি কৰা হয় ।

আমি শুনিছো, দুজন লোকে একেলগে জুৰিৰ কাষত নাইবা সাগৰৰ পাৰত বহিও দুয়োয়ে প্ৰকৃতিৰ বা সাগৰৰ একে আবেগ, উষ্ণতা উপলব্ধি কৰিব নোৱাৰে । এজনে হয়তো জুৰিৰ কাষত বা সাগৰৰ বুকুত একোকেই দেখা নাপায় ; কিন্তু আনজনে হয়তো সৌন্দৰ্য্যৰ সীমাহীন বিশালতাই হাতবাউল দি মতা শুনে । গতিকে দেখা যায় সৌন্দৰ্য্য মনোজগতৰ এক বেলেগ ৰূপ— চকু নিমিত্ত মাত্ৰ । গতিকে অন্ধৰ চকু নৈহে বিকলাঙ্গ হলেও আন্তৰিক সৌন্দৰ্য্যতো বিকলাঙ্গ হব নোৱাৰে ।

দৃষ্টিবান লোক সকলে চকুৰে দেখি এটা বস্তুৰ ওপৰত আবেগ উষ্ণতা অনুভৱ কৰাৰ দৰে অন্ধ সকলেও হাতেৰে স্পৰ্শ কৰি আবেগ

উষ্ণতাত আন্দোলিত হয়— ৰোমাঞ্চিত হয়। অন্ধৰ মনৰ মজিয়াত আলোকিত হোৱা একোটি স্বপ্নময় ভাবক হঠাতে কেতিয়াও সন্ধ্যাৰ গোমোঠা আকাশে আন্ধাৰ কৰি তুলিব নোৱাৰে, নোৱাৰে কুঁৱলীৰ ওৰণিৰে আৱ কৰি ধৰিব। অন্ধৰ মনৰ ৰেচমী পৰ্দাত ফুলহে ফুলা হালধীয়া স্নেহবোৰ জাবৰৰ দ'মৰ কাঠফুলা নহয়; বাটৰ কাষৰ বননিত ফুলি ৰোৱা গন্ধহীন ফুলৰ সৌৰভ। ...

... ... .. আনৰ দৰে সকলো থাকিও দৃষ্টি শক্তি নথকাৰ কাৰণেই অন্ধ সকলে সমাজৰ পৰা, লগৰীয়া জীৱনৰ পৰা শত লাঞ্ছনা, গঞ্জনা কদৰ্থনা, বিদ্ৰূপক নীৰৱে শিৰ পাতি লব লাগে। কিন্তু কিয়? কিয়??

"কোনোৱে দূৰতে চায় কোনোৱেবা চুই যায়
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল.;
সপোন আঁতৰি গলে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।"

অন্ধ সকলক কোনোবাই দূৰতেই চাই দূৰে দূৰে আঁতৰি যায়— কোনোবাই চুই যায়— অন্ধ সকলে সেইয়া পুতৌ বুলি নহয়, মৰম বুলিহে সাৱটি লব বিচাৰে। কিন্তু সেই মৰমৰ সপোনৰ পৰা আঁতৰি আহি যেতিয়া বাস্তৱৰ জ্বলা জুইত পৰেহি তেতিয়া সেই ভুলৰ শুধৰণি আহে— "অন্ধ সকল চিৰ দিনেই বাটৰ কাষৰ বননিৰ ফুল'= দেৱতাৰ পূজাৰ বেদীত নলগা তেজেৰে ক্ষত বিক্ষত হৈ ৰাঙলি হোৱা মদাৰ ফুল!

×=×

---

"উদাৰ মন আৰু হৃদয়ৰ সাহিত্য-শিল্পীয়েই হৈছে ভৱিষ্যত বিশ্ব-ঐক্যৰ বাৰ্ত্তাবহ। সেই ঐক্যৰ ভেঁটি ভয় নহয়, লোভ আৰু ঘৃণাও নহয়। তাৰ ভেঁটি হৈছে শাশ্বত মানৱাত্মা আৰু সত্যৰ প্ৰতি তাৰ ঐকান্তিক আকাঙ্ক্ষা। সেই আত্মাক অস্বীকাৰ কৰাৰ উপায় নাই।"

— ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ।



# ॥ গীত ॥

আমি এই কলঙৰ পাৰতে
পোহৰৰ কাৰেং সজাওঁ
ফুলৰ হাঁহিৰে আমি
জ্যোতিৰ শিখাৰে ৰচা
আশা ভৰা কাহিনী শুনাওঁ।
আমাৰ সপোনে চুমে বিশাল আকাশ
ইয়াত জীৱনে পালে অসীম আবাস
সুৰৰ সেনানী সাজি
জীৱন হবিৰে আমি
সাহসৰ অগনি জ্বলাওঁ॥
আমি মহাপুৰুষৰ আশীৰ্বাদে মণ্ডিত
এই পূত পবিত্ৰ ভূমিতে
ৰচি যাওঁ মানুহৰ যুগমীয়া ইতিহাস
ধৰণীৰ প্ৰতিকণা ধূলিতে
নবীন প্ৰভাতে আহি
পোহৰাৰ ধৰাখনি
আমি তাৰে আৱাহনী গাওঁ॥*

---

* অধ্যাপক শ্ৰীইদ্ৰিছ আলি ৰচিত আৰু সুৰ-সংযোজিত এই গীতটি আমাৰ কলেজৰ 'কলেজ-সঙ্গীত'।

# ॥ সঁচাৰ - কাঠি ॥

পুণ্য প্ৰভা বৰদলৈ
প্ৰাক বিশ্ববিদ্যালয়

নাজানো
কি প্ৰকম্পিত উত্তেজনাত
আনন্দময় বেদনাৰ অনুসন্ধানী দৃষ্টিৰে
জীয়া মানুহৰ মৰিশালি (?) খনত
মই ঘূৰি ফুৰোঁ।
নাজানো
কি প্ৰাণময় বেদনাই
ইয়াত হাঁহাঁকাৰ কৰে।
আৰু
নুবুজোঁ।
জীয়াই জীয়াই মৰা
আৰু
মৰি মৰি জীয়াই থকাৰ
কোনো মূল্য নথকা সত্বেও
দীনতাৰ হীন পাশত আবদ্ধ হৈও
জীয়া মানুহৰ (?) ভুলব স্বাক্ষৰ
বুলি ভাবি–
আত্ম সচেতনতাৰ অভিনয়ৰে,
মাল যুঁজ কৰি কলীয়া-কাইহতে;
আত্ম সন্তুষ্টি লভাৰ সাৰ্থকতা কত?
সেইয়ে কৈছোঁ—



জীয়া মানুহৰ মৰিশালি এইখন।
ইয়াত আছে;
ৰঙা ৰঙা তেজপিয়া।
আৰু আছে
প্ৰকাৰান্তৰে মৰাবোৰৰ গৰা
তেজপিয়াহঁতে
তেজ খোৱাৰ এক ঘিন লগা বুৰঞ্জী।
প্ৰপীড়িত সকলৰ আছে
বহু যুগ সঞ্চিত অভিমান আৰু বেদনা!
তেজপিয়াহঁতৰ প্ৰতি
বিদ্ৰোহ কৰাৰ সচেতন মন কিন্তু নাই।
সেয়েহে
প্ৰাণময় বেদনাৰ প্ৰকম্পিত উত্তেজনাত
জীয়া মানুহৰ মৰিশালিখনত
মই ঘূৰি ফুৰোঁ।
অনুপলব্ধ এক বেদনাময় মুহূৰ্ত্তত!
ইয়াত ঘূৰি ফুৰোঁ।
মৃত সঞ্জীৱনী সুধা ঢলাৰ
এক তীব্ৰ আশা আৰু এটা দৃঢ় মন লৈ।
আৰু বিচাৰি ফুৰোঁ।
উন্নত পৃথিবীৰ—
ৰুদ্ধ দ্বাৰৰ বাঢ়লিটো ক'ত
সঁচাৰ কাঠি যে "সমাজতন্ত্ৰবাদ"।

---

"বৰ্ত্তমান সময়ত অসুখী হোৱাৰ প্ৰধান কাৰণবোৰ হ'ল . ভগ্ন-স্বাস্থ্য, দাৰিদ্ৰ্য আৰু এটা অসন্তুষ্ট যৌন জীৱন।"

— বাট্ৰাণ্ড ৰাছেল।

# মই এল্‌চেচীয়ান নহয়তো ? [!]

বণকলতা শইকীয়া ।
প্রাক্‌বিশ্ব.বিদ্যালয়

এটা কুকুৰ দেখিছিলোঁ।
নগৰৰ এটা কদাকাৰ গলিত
লেৰেলা চেপেতা তাৰ দেহ—
চকুত তাৰ বেদনাৰ করুণ চাৱনি,
সি যেন কব খোজে—
এমুঠি অন্ন লাগে
জীয়াই থাকিব খোজোঁ।—
জীৰ্ণ এই দেহ মোৰ নোৱাৰোঁ৷ বব
সেয়ে ইয়াত লৈছো জিৰণি ।
আৰু এটা কুকুৰ দেখিছিলোঁ।—
এখন এম্বেচেডৰ কাৰত
কাষত আছিল এজনী "অচমীয়া মেম"—
সি যেন কব খোজে-পৃথিবীত দৈন্য কতো নাই
ই ৰব বৰ মানুহৰ সৃষ্টি,
চকুত আছিল তাৰ আভিজাত্যৰ ভেম
আৰু আছিল প্ৰশান্তিৰ দৃষ্টি ।
এটি ভিক্ষাৰী দেখিছিলোঁ।—
ভিক্ষাৰ জোলোঙা লৈ ঘূৰি আছিল ইঘৰে সিঘৰে
তাক এমুঠি চাউল লাগে
সিও জীয়াই থাকিব খোজে ।



দেহ তাৰ ক্ষত-বিক্ষত—কাপোৰ নাই ।
মূৰ তাৰ জুৰুলা-জপৰা—তেল নাই ।
ময়ো ভাবিছোঁ—মেখেলা চাদৰ পৰিহিতা
সুঠাম চেহেৰা আৰু প্ৰশান্ত হাঁহিৰে ভৰা
মই এজনী ভয়ানক এল্‌চেচীয়ান নহয়তো ? (!)
ঠি-ই-ক, সেই এম্বেচেডৰ কাৰত দেখা
"অচমীয়া মেম" জনীৰ কুকুৰটোৰ দৰে ?

---

# ॥ দহোটা বন্তি ॥

গীতাঞ্জলি দাস
প্ৰথম বাৰ্ষিক ।

এটা বিশাল কোঠা ।
তাত দহটা বন্তি জ্বলি উঠিছিল ।
কোঠাটো আলোকিত হৈছিল বন্তিৰ পোহৰত,
সেই বন্তিৰ শিখাত চগাৰোৰ আহি,
জাপ দিছিল ।
হঠাৎ এজাক বতাহ সোমাল কোঠাটোলৈ
খিড়িকীৰে ;
এটা এটা কৰি ন-টা বন্তি নুমাই গ'ল,
বাকী মাত্ৰ এটা হে জ্বলি থাকিল ।
দশম বন্তিটোও নুমাবৰ উপক্ৰম হৈছিল
কোঠাটো আন্ধাৰ কৰি ।

কিন্তু নুনুমাল, বস্তাহবোৰ কেনিবাদি গুছি গ'ল
বৰ্ত্তমান কোঠাটোত এটা ক্ষীণ পোহৰ বিৰাজমান ॥

•  •  •  •

এতিয়া বন্তি কেইটা পুনৰ জ্বলি উঠিল ।
কোঠাটো পোহৰ হ'ল,
চগাবোৰে পুনৰ কোঠাটোলৈ আহিবৰ প্ৰয়াস কৰিছে ।

– =—

## শান্ত ৰূপঃ প্ৰকৃতিৰ

ৰুনুমা ভট্টাচাৰ্য্য
প্ৰথম বাৰ্ষিক

এজাক ধুমুহা আহিছিল,
প্ৰবলভাবে
গোটেই পৃথিবীখন ধ্বংস কৰিবৰ উদ্দেশ্যেৰে ।
গছ-লতাবোৰ ভাগি ছিগি পৰিছিল,
চৰাইবোৰে আশ্ৰয়ৰ স্থল নাপাই
আতঙ্কত চিঞৰি উঠিছিল ।
জীৱ জন্তুবোৰে যেনিয়ে তেনিয়ে বিচৰণ কৰি ফুৰিছিল
জীয়াই থকাৰ মানসেৰে ।
সৰু সৰু ঘৰবোৰ ভাগি পৰিছিল
পৃথিবীৰ বুকুত ।
সাগৰৰ বুকুত প্ৰচণ্ড জোৱাৰ উঠিছিল ।
কিন্তু !
ই কি ?
খন্তেকৰ পাচতে সকলো
শান্ত হৈ গল ।
পৃথিবীৰ শান্ত ৰূপৰ লগত
সকলো শুই পৰিল নিঃশব্দে ।
অলপ আগতে অহা প্ৰচণ্ড ধুমুহাৰ সাক্ষী
পৃথিবীয়ে নিদিয়ে ।
কাৰণ,
পৃথিবীযে নিৰ্ব্বাক ! নিস্তেজ !! আৰু নিৰুত্তৰ !!! ●



## ॥ পৃথিবীৰ আঁচনিৰে ॥

মনোৰমা ভুঞা
২য় বাৰ্ষিক ।

এজাক শুধ বগা
ধুনীয়া চৰাই
কৰ্ত্তব্যত ৰত হৈ
কোনোবা দিশলৈ
উৰা মাৰিলে
কণ্ঠত সমবেত
সঙ্গীতৰ সৈতে ।

আধাৰশিলা
স্থাপন কৰি
চাৰিটা খুটা
কেইটামান ৰাতামেৰে
এটা ঘৰ সজা হৈছিল ।

এজাক ক'লা চৰায়ে
ঘৰটো ভেৰনীয়াকৈ লৈ
প্ৰয়োজনীয় সামগ্ৰী গোটাই
নাইটক্লাব পাতিছি ।

কৰ্ত্তব্যৰ ইতিত,
বগা চৰাই জাকে
শুভতাৰ পথত
নাইটক্লাবটো দেখি
বেকা চাৱনিৰে
আৰু শ্লেষপূৰ্ণ
এজাক
হাঁহিৰ ঘূৰ্ণীৰে
নিজ গন্তব্যস্থানলৈ
উৰা মাৰিছিল ।

ক'লা চৰাইজাকে
ভেৰা লাগি চাই আছিল
কি হৈছিল
একো গম নাপাইছিল ।

•—•

## " স্বপ্ন ভঙ্গ "

৺লক্ষ্যদা বৰদলৈ।
প্ৰাক্তন ছাত্ৰী।

মধু বসন্তৰ সুৱদী দিনত
স্বপ্নকে দেখিলা মাথোঁ,
মৰতত শৰগ ৰচাৰ।
যৌৱনৰ দুৱাৰ দলিত
দুহাতত অমৃতৰ ভাওলৈ
নিমন্ত্ৰণ কৰিছিলা কোনো অতিথিৰ।
হাঁহি হাঁহি, স্বপ্ন দেখি
জাগৰি পৰিলা, তথাপিতো
দিথকত পালা জানো কিবা!
একো নাই,
অকালতে
হাঁহি বোৰ শৰি শৰি শেষ হৈ গ'ল
ভঙ্গহ'ল জীৱনৰ স্বপ্ন
বাস্তৱৰ কঠোৰ আঘাতে
জীৱন কৰিলে মাথো চুৰ্ণ
মনিমালা, তাৰবাবে দুখ নকৰিবা
তোমাৰ হিয়াৰ দুৱাৰ আজি
বন্ধ হৈয়ে ৰওক।
স্বপ্ন বোৰ স্বপ্ন হৈয়ে ৰওক—
কঁাইটকে শেৱালিৰ পাহি বুলি লৈ
জয়ী হোৱা জীৱন যুদ্ধত।

———



## ॥ নবস্ফুৰণ ॥

অপৰা গোহাঁই
প্ৰাক্তন ছাত্ৰী।

লাহে লাহে ধ্বনিত হ'ল
ললিত ঝঙ্কাৰ তুলি
নূপুৰৰ ধ্বনি,
দেউকাত সোনালী আবিৰ
আৰু কাকলিত—
সুমধুৰ গীত লৈ
যেন নৃত্যৰতা কোনো এক
সুন্দৰৰ কাজল সনা
ৰূপহী বালিকা।
আহ্বানৰ মূৰ্চ্ছনা জাগে
মেলখোৱা নয়নজুৰিত।
ক্ৰমে—
স্থিৰৰ পৰা স্থিৰতৰ
হৈ পৰে
আহ্বানৰ ধ্বনি।
পদ-যুগলৰ দৃঢ়-ধ্বনিত
খুন্দা খাই
আবেষ্টনী
চিটিকি পৰে
আৰু
কলিজাত বৈ থকা
সংক্ৰামিত ভাৱৰক
চিকুটি চিকুটি
নিঃশেষ কৰিবলৈ
হস্ত-চালনা

আগুৱাই যায়।

যেন নতুন এক প্ৰাণ গঙ্গাৰ
প্লাবনৰ প্ৰতিশ্ৰুতি
বৃহত্তৰ প্লাবনৰ মানসৰে।
বৃহন্নলাক চাৰখাৰ কৰিবলৈ'
স্ফুলিঙ্গ বাহিৰ হ'ল
নৃত্যৰতাৰ সজল দৃষ্টিত।
আৰু
স্ফুৰণৰ কনা গোটখাই
কাঠক কয়লালৈ
ৰূপান্তৰ কৰাৰ দৰে
এধাৰি মালাৰ ৰূপ ললে,
: উঠা জাগা, চেতনাৰ চেতাৰত
এইয়া নতুনৰ সুৰ।
বিক্ষুব্ধতাত ছাটি ফুটি কৰি
আবেষ্টনীৰ হেঁচাত
কাবু হৈ পৰি থোৱা
মূক শৰীৰৰ
অখণ্ডিত. আগ্নেয় লাভাৰ !!
উত্তপ্ত শ্বাসবোৰত
জয়ৰ উল্লাস শুনা গ'ল।

•—•



# "সাতসমুদ্ৰৰ পাৰৰে"

( পেৰডি )

—উষাৰাণী হাজৰিকা
প্ৰাক্ বিশ্ববিদ্যালয়।

ধুনীয়াকৈ পৃথিৱীৰে
মৰম বেচা বজাৰৰে
মৰম অলপ কিনানা
চেকি সোৱাদ লোৱানা
চেকি সোৱাদ লোৱানা ॥

মৰমে মৰমকেই বিচাৰি
প্ৰতিটো খোজতে খায় হাবাথুৰি
মৰম নহয় মৌসনা
মৰমে কৰে কণা
তথাপি মৰম বিচাৰে

মৰম বিচৰা মানুহে
মৰম বিচৰা মানুহে
মৰম অলপ কিনানা
চেকি সোৱাদ লোৱানা ॥

মৰম নহয় ইযে মাথো চলনা
মৰমেই যে চলনা
শিশুৰ হাতৰ খেলনা
কিয় বাৰু ঠেহ পাতা
ভুৱা মৰমক কিয় মাতা
হোৱা কিয় কৰ্ণ দাতা
হোৱা কিয় কৰ্ণ দাতা ॥

অন্তৰ আজি খালি হায় !
মৰামও যে ঠাই নাপায়
নলবা মিছা চলনা
মৰম মাথো খেলনা
মৰম মাথো খেলনা ॥

———

" হিন্দী ভাষা অতি শ্ৰেষ্ঠ ভাষা। সি যেনে তেজী তেনে কোমল, যেনে তপত তেনে চেঁচা, যেনে কুট তেনে মধুৰ। একাধাৰে হিন্দীভাষাত যে সকলো ৰস বিদ্যমান, যি হিন্দীভাষা শুনিছে, পঢ়িছে, শিকিছে আৰু আলচ কৰি চাইছে, সিয়েই তাৰ সাক্ষী দিব পাৰে। ভাৰতবৰ্ষৰ অধিক সংখ্যক মানুহে হিন্দীভাষা বুজে আৰু কয়। ইংৰাজ প্ৰভৃতি য়ুৰোপীয় সকলে হিন্দী ভাষা অতি আদৰেৰে শিকে আৰু কয়। ভাৰতেশ্বৰী মহাৰানী ভিক্টোৰিয়াই মৌলবী ৰাখি অতি যত্নেৰে হিন্দী ভাষা শিকিছে আৰু সেই ভাষাত কথা কব পৰা হৈছে। আমাৰ খং উঠিলে আমি হিন্দী ভাষাৰ ওপৰত হাত নেপাতিলে আমাৰ মনস্কাম পূৰ্ণ নহয়। যদি ইংৰাজী ভাষাৰ বাহিৰে ভাৰতবৰ্ষত কোনোবা ভাষা গোটেই ভাৰতবাসীৰ পৰস্পৰ কথা কবৰ আৰু ভাব সলনা-সলনি কৰিবৰ উপযোগী তেন্তে সি হিন্দী ভাষা। হিন্দী ভাষাই দেশ উদ্ধাৰৰ ভাষা। লʼৰা শুইৰা, টোপনি মতা, মৃদু-মধুৰ বঙলা ভাষা প্ৰতাপসিংহ, ৰনজিংসিংহৰ ভাষা নহয়। মৃত ভাৰতবাসীৰ শৰীৰত প্ৰানৰ সঞ্চাৰ কৰিবলৈ, সাম্য, মৈত্ৰী আৰু ভ্ৰাতৃভাব বিস্তাৰ কৰি ভাৰত ভূমিত একতা স্থাপন কৰিবলৈ ইয়াতকৈ উৎকৃষ্ট আৰু যোগ্য ভাষা নাই।"

— লক্ষ্মীনাথ বেজবৰুৱা।

---

" সাহিত্যই জাতীয়ত্বৰ আচল চিনাকি, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন; সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই। যি জাতিৰ সাহিত্য নাই, সেই জাতিৰ ভাষা দোৱান মাথোন,— চৰাই-পহুৰ মাত-বোলতকৈ সি এখোপ মাথোন ওপৰত।"

— পদ্মনাথ গোহাঞিবৰুৱা।

# হেৰোৱা সুবাস বিচাৰি

বীনা শৰ্ম্মা।
প্ৰাক্তণ ছাত্ৰী

বন্দনাই খিড়িকীৰে চাইছিল দূৰলৈ— বহু দূৰলৈ। এইদৰে কেৱল আজিয়েই নহয় তাই সদায় চায়। সদায় বহু দূৰত থকা চাৰিআলি -টোত এটা মানুহ হেৰাই নোযোৱালৈকে। আবেলি পাচঁমান বজাত ক্ষীন, ওখ বগা কৈ মানুহজনে কেতিয়া আহি সিহঁতৰ গেটখন খোলেহি তাই সদায় চায়। আজিও চালে। তাইৰ দৃষ্টি গেটখনৰ পৰা ক্ৰমান্বয়ে আঁতৰি সন্মুখৰ ফিল্ডখনত পৰিল। তাই দেখিলে বহুত লʼৰাছোৱালী আহি কেতিয়াবাই ফিল্ডখন ভৰি পৰিল। সৰু সৰু লৰাছোৱালী বোৰৰ অকাৰণ ব্যস্ততা— মনটো ভাল লাগি গʼল তাইৰ। বতাহত সৰু সৰু ছোৱালী বোৰৰ চুলি বোৰ উৰিছে— তাইৰ মনটো উৰা মাৰে, কেইটামান বছৰৰ আগলৈ এৰি অহা সৌ কলেজীয়া দিনবোৰলৈ। ........কলেজ; এৰা কলেজৰ জীৱনটো সঁচাই কিমান ৰোমাঞ্চৰ। তাত আছিল নিজকে বিলাই দি কিবা এটা পোৱাৰ হেঁপাহ। অথচ কলেজৰ জীৱনটো আছিল খুব চুটি। মাত্ৰ চাৰিবছৰ। চকুৰ পচাৰতে গʼল এই বছৰ কেটা। তায়ো বহুত কিবা কিবি পোৱাৰ স্বপ্ন দেখিছিল। পাইছিলো— পায়ো হেকৱালে তাই। এই স্মৃতি বোৰৰ মাজত বুৰ গৈ থাকোতেই হঠাৎ তাইৰ চমক ভাগিল এটা মাতত।

" তুমি ইমান দুষ্ট। কেলেই ইমান জোৰে মাৰি দিছা ? ৰাৰু তোমাকো দেখিম। যাবা ৰাৰু আমাৰ ঘৰৰ আগেদি। টমিক লগাই দিম নহয়। পাবা মজা।"

" তুমি খুব দুখ পালানেকি ? বেয়া নাপাবা দেই। আচলতে জানা— মই তুমি বেছি দুখ নাপাবা বুলিহে তেনেকৈ দিছিলো।"

" ইঃ এতিয়া ভয় খাইছে। মই টমিক লগামেই।"

" বিদ্যা শপত দিছো। টমিক নলগাবা ভাই, তোমালোকৰ টমিয়ে কামুৰিলে মই ৰাৰু কেনেকৈ স্কুললৈ যাম। চাওঁ ৰাৰু কʼত দুখ পালা"— বুলি অলপ ওচৰ চাপি যাওঁতেই মনটিয়ে জুনমনিৰ গালতে ঠাচঁকৈ চৰ এটা মাৰি দৌৰ মাৰিলে। জুনমনিয়ে ইফালে সিফালে চাই হেঁ হেঁ কৈ মুখ মেলিলে । বন্দনাই

খিড়িকীৰে তাইক কাষলৈ মাতি আনিলে। চকুপানীখিনি মচি মূৰটো পিহি পিহি মৰম কৰি দিলে। বন্দনাৰ মৰম পাই তাইৰ কান্দোন বন্ধ হল। বন্দনাই তাইক কোলালৈ তুলি লৈ চুমা এটা খালে তাইক বুকুত সাবটি লৈ মৰম কৰিবৰ মন গ'ল বন্দনাৰ। জুনমনিয়ে কলে "এৰি দিয়া বাইদেই, যাওঁ দেই, প্ৰাৰ্থনা কৰিবৰ সময় হব নহয়।" জুনমনি তাইৰ কোঠাৰ পৰা দৌৰি ওলাই গ'ল আৰু কৈ গ'ল "কালিলৈ আহিম দেই বাইদেউ"।

এইজনী জুনমনিয়ে এদিন তাইক খুৰী বুলি মাতিব লাগিলহেঁতেন। কিন্তু আজি নামাতে এদিন হয়তো জুনমনিৰ নিচিনা কোনোবাই তাইৰ হিয়াখন আগুৰি থাকিলহেঁতেন। তেতিয়া আৰু কাকো ৰাষ্টাৰ পৰা মাতি আনি মৰম কৰিব নালাগিল হেঁতেন। কথাবোৰ ভবাৰ লগে লগে বুকুৰ কোনোবা এখিনিত বেদনা অনুভৱ কৰিলে বন্দনাই।

আকৌ সেই একেই স্মৃতি একেই কথা। একেই কথা একেই স্মৃতি। এৰা এইবোৰ স্মৃতি আজিও আছে বাবেইতো তাই আজিও জীয়াই আছে। তাইৰ মনত পৰিল— তেতিয়া তাই ১ম বাৰ্ষিকত। জীৱনে কেৱল হাঁহিকেই চিনি পাইছিল। কলেজলৈ গৈছিল আৰু আহিছিল। কলেজত থকা সময়খিনি কোনোবা ৰম্যপুৰীত থকাৰ নিচিনা লাগিছিল। এজাক পখিলা যেন ছোৱালীৰ লগত গৈ থাকোতেও যেন সকলোৱেই কিবা এক অৰ্থপূৰ্ণ দৃষ্টিৰে কেৱল তাইকেই চাইছিল। তাই অনুভৱ কৰিছিল মনে মনে তাই ধুনীয়া— সঁচাইয়ে ধুনীয়া। মাজে মাজে নিজকে লোকৰ লগত তুলনা কৰিছিল।

অৱশ্যে অনবৰতে তাকে লৈ তাইৰ কো[..] গৰ্ব্ব-বোধ নাছিল। কলেজতো বহুত লৰ[..] তাইক এবাৰ মতাৰ, এবাৰ কথা পতাৰ সুযো[..] বিচাৰিছিল। তৃতীয় বাৰ্ষিকৰ সেই লৰাটো[..] সিও তাইক মাতিবলৈ সদায় সুবিধা বিচাৰিছি[..] তাকো ভাল লাগিছিল তাইৰ। ওখকৈ ক্ষ[..] ডেকা নামৰ লৰাটো তাইৰ অলপ মাৰ্জ্জি[..] ৰুচিৰ যেন লাগে। মানুহৰ ৰুচি বোধ না[..] কিলে তাই অলপো সহ্য কৰিব নোৱাৰে[..] অতিপাত চুডা পেণ্ট পিন্ধা লৰাবোৰ যে তা[..] সমূলি দেখিব নোৱাৰে। আৰু সিহঁতৰ লগ[..] সেই লৰাটো— সিও তাইক মাতিবৰ চেষ্টা কৰে[..] এদিন তাই কলেজৰ পৰা ওলাই আহো[..] ৰাষ্টাৰ দাঁতিতে থকা পানদোকান খনৰ প[..] ওলাই আহি কলে— "কালি প্ৰফেচৰে দি[..] ইকনমিক্সৰ নোটটো এতিয়া আপোনা[..] হাতত আছেনেকি? মই কালি ক্লাছ কৰিবলৈ নহ'ল। আছে যদি এতিয়া দিব পাৰিব?[..] তাই 'নাই' বুলি লাহেকৈ আঁতৰি গুচি গ'ল[..] যদিও সেইটো তাই সদায় কলেজলৈ নি[..] বহীখনতে আছিল। (সি আৰু সেইটো নো[..] লিখি লবলৈ কাৰো বহী বিচাৰি নাপালে[..] সি প্ৰায়ে তাইৰ ফালে চাই চকুয়ে চকু[..] পৰিলে হাঁহি দিয়ে, বুৰ্ব্বকৰ দৰে। কোনোবা[..] যদি তাইৰ ফালে চাই অলপ হহাঁৰ নিচি[..] কৰে তাই আৰু নহঁহাকৈ থাকিব নোৱাৰে[..] সি তেনেকৈ তাইৰ ফালে চাই হাঁহিলে তা[..] তলমূৰকৈ গুচি যায় তাৰ ফালে পুনৰ নোচা[..] ৰাকৈ। এনেকৈ বহুত লৰাই বহুত বাৰ তা[..] ফালে চাই হাঁহিছে— চিনাকি হোৱাৰ, অকনমা[..]





কথা পতাৰ সুযোগ বিচাৰিছে। তাই সকলো বিনাকষ্টে অস্বীকাৰ কৰি আহিছে। কিন্তু মাত্ৰ দুটা চকুত ঈশ্বৰে কিয় ইমান দীপ্তি দিলে তাই ভাবিব নোৱাৰে। তৃতীয় বাৰ্ষিকৰ অসমীয়াত অনাৰ্চ থকা ৰঞ্জন দুৱৰাৰ সেই দুটা চকু তাই কেতিয়াও প্ৰত্যাখ্যান কৰিব নোৱাৰিলে। আৰু কৰিবৰো ইচ্ছা নকৰিলে। সদায় দহ বাজিত কলেজলৈ যাবলৈ গা-ধুই বন্দনা যেতিয়া মূৰ আচুৰিবলৈ সেইখন খিড়িকীৰ কাষত থিয় হব তেতিয়াই হাতত বহী এখন লৈ খিড়িকীৰ ফালে কেৰাহিকৈ চাই এটা লৰা ৰাষ্টাইদি পাৰ হৈ যায়। সেয়ে ৰঞ্জন দুৱৰা, আৰু সেই একেটা মাথোন দৃষ্টিৰ বাবে বন্দনা বৰুৱা সদায় একে সময়তে একেখন খিড়িকীৰ কাষত পৰ্দাখন অলপ ফাঁক কৰি থিয় হয়হি।

এইদৰেই দিন বাগৰিছিল গতানুগতিক ভাবেই। এদিনৰ কথা তাইৰ খুব মনত আছে। সেই দিনটো! সেই দিনাযে তাই ৰঞ্জন দুৱৰাক প্ৰথম মাতিছিল। কলেজ লাইব্ৰেৰীলৈ গৈছিল তাই। অসমীয়া লোক সাহিত্যৰ বিষয়ে কিবা কিতাপ পায়নেকি চাবলৈ! পিছে পিছে সোমাই গৈছিল ৰঞ্জন দুৱৰা। বন্দনাবৰুৱাৰ গাৰ প্ৰত্যেক কডাল নোমেই সিঁঞৰি উঠিছিল, ৰঞ্জনৰ সন্ধানী চকু ইখন কিতাপৰ পৰা সিখন কিতাপলৈ বাগৰিছিল। একোতেই যেন ক্ষান্ত হোৱা নাই। অৱশেষত তাৰ চকু পৰিল তাই ইতমধ্যে পাত লুটিয়াই থকা কিতাপ খনৰ ওপৰত। খুব মনযোগেৰে দৃষ্টি নিক্ষেপ কৰিছিল তাইৰ হাতৰ কিতাপখনত।

"আপুনি এইখন কিতাপ বিচাৰিছেনেকি?" তাৰ চকুলৈ চাই তাই প্ৰশ্ন কৰিলে।

"অঁ"... মই সেইখনইকে বিচাৰিছোঁ। কিন্তু যদি তো ·····আপোনাক লাগে মই নিনি[..] বাৰু।"

"নহয় মানে আপোনাৰ যদি বি[..] দৰ্কাৰ আপুনি পঢ়ি উঠি মোক দিলেও হ[..] বুলি কৈ কিতাপখন তাৰ হাতত দি [..] ওলাই আহিল মুখত এটা বিজয়ৰ তৃপ্তি লৈ[..] তাই যেন আজি ডাঙৰ ত্যাগ এটা[..] ৰঞ্জনৰ বাবে। ঘৰতো সেইদি[..] একেটা কথাই তাইৰ মনত ভুমুক মাৰে[..] কিতাপখনৰ অৱশ্যে তাইৰ বিশেষ দৰ্কা[..] আছিল। কিতাপখন নহলে এই তিনিদিন[..] প্ৰতিযোগিতাৰ বাবে পঠাব লগা ৰচনা[..] লিখি শেষ হব আশা কম। তথাপি তাই ভালেই কৰিলে। প্ৰতিযোগিতাৰ বাবে ৰচনা লিখাতো সদায় হয়। কিন্তু এনেকুৱা সুবিধা বোৰ জানো সদায় আহে!

লাহে লাহে ৰঞ্জন নামৰ লৰাটোক কলেজ লাইব্ৰেৰীত লগ পাবলৈ ধৰিলে। অন্য কথাবতৰা একো নাপাতে। মাত্ৰ কোনখন কিতাপ কেনেকুৱা লাগিল ইত্যাদি ধৰনৰ দুই এটা কথা পাতে।

আলোচনীৰ সম্পাদক মুনীন কটকী ৰঞ্জনৰ লগত প্ৰায়ে একেলগে ফুৰা তাই দেখে। এদিন সিহঁত দুয়োটাই তাইৰ ফালে চাই কিবা এটা কথা পতা যেন দেখিলে। অলপ পিছতে মুনীন কটকী আগবাঢ়ি আহি তাইক কলে যে কলেজ আলোচনীৰ বাবে তাই কিবা এটা দিব লাগিব। আৰু সি আনিবলৈ দুই

এদিনতে যাব বুলিও কলে । তাই মাত্র চেষ্টা কৰি চাম বুলি কলে। তাই অৱশ্যে কোনো গল্প কবিতা নিলিখে। কেতিয়াবা কিবা বিষয়ৰ প্ৰবন্ধ লিখে আৰু সেইবোৰৰ দুই এটা মাজে মাজে কোনোৱা আলোচনীত প্ৰকাশো পায়। প্ৰবন্ধবোৰ অৱশ্যে চিন্তা গধূৰ হয় বুলি তাই নাভাবে। সৰুৰে পৰাই কিতাপ পঢ়া অভ্যাসটো হৈ গ'ল । সেই কাৰণে আজিও তাই পঢ়ে অলপ বেছিকৈ অন্যতকৈ তুলনামূলক ভাবে । তাৰ পৰাই প্ৰবন্ধবোৰৰ সমল ·গোটাই লয় । আৰু লিখে অন্যে জনা কথাবোৰকে সজাই পৰাই । তাই ভাবে তাত নতুনত্ব একো নাই । অন্যে কি ভাবে তাই নাজানে ।

কলেজ আলোচনীত কিবা এটা দিব লাগিব। অন্য নহলেও ৰঞ্জনৰ বন্ধু মুনীনৰ কথাটো পেলাব নোৱাৰি। কিন্তু কি লিখিব ! সদায় লিখা বিষয়বোৰৰ ওপৰতো আৰু প্ৰবন্ধ লিখিব নোৱাৰি। তাই অৱশ্যে অসমীয়া সাহিত্যৰ ওপৰত ভিত্তি কৰিয়েই প্ৰবন্ধ লিখি ভাল পায়। চুটি গল্পৰ বিষয়ে আজিলৈকে তাই একো লিখা নাই । ঠিক এইবাৰ তাই চুটি গল্পৰ বিষয়ে প্ৰবন্ধ লিখিব। ৰঞ্জনক সুধিব লাগিব এই বিষয়ে কিবা কিতাপ আছেনেকি তাৰ হাতত । কেৱল অনাৰ্চৰ ল'ৰা বুলিয়েই নহয় এনেয়েও সি যথেষ্ট কিতাপ পঢ়ে বুলি তাই ইতিমধ্যে গম পাইছে । এইদৰে ভাবি ভাবি কলেজৰ পৰা আহি থাকোতেই তাইৰ কাষত এখন গাড়ী ৰৈ গ'লহি । গাড়ীৰ ফালে নাচালেও তাই জানে কাৰ গাড়ী আৰু গাড়ীৰ ভিতৰত কোন আছে। কেৱল সেইদিনাই নহয় বহুদিন বহুবাৰ ডাঃ অজয় চলিহাৰ একমাত্ৰ পুত্ৰ অনন্ত চলিহাই তাইৰ কাষত এনেদৰে গাড়ী ৰাখিছে। অনন্তই গাড়ীৰ ভিতৰৰ পৰাই মাত লগালে । — "বন্দনা অকলে অকলে যে আহিছা, আহাঁ ঘৰত থৈ আহিম। "

"নালাগে দিয়ক, ঘৰৰ ওচৰচোন পালোঁ-হিয়েই। অলপ খোজ কাঢ়িয়েই ভাল লাগে।" এই দৰে অনন্তক তাই সদায় প্ৰত্যাখ্যান কৰি আহিছে। আজি আকৌ তাৰেই পুনৰাবৃত্তি। তাই দেখিলে অনন্ত চলিহাই তাইৰ অলপ আগে আগে গৈ থকা নমিতা ফুকনক গাড়ীত তুলি লৈ গৈছে। এই অনন্ত ডালৰ পৰা ৰক্ষা নাই। যলৈকে নাযাওক লগ পাবই । পিছত গাড়ীত উঠিবলৈ মাতিব বা সেই ঠাইতে ৰৈ কথা পাতি থাকিবলৈ বিচাৰিব ।

কেইদিন মানৰ পিছত তাই ঘৰতে কিবা চিলাই কৰি বহি আছিল। গেটখন খোলাৰ শব্দ হোৱা শুনি তাই বাহিৰলৈ চালে। গেটখন খুলি ৰঞ্জন সোমাই অহা দেখিছিল ভিতৰৰ পৰা। আচৰিত হৈছিল তাই। কোনো দিনেতো তাই ৰঞ্জনক মতা নাই সিহঁতৰ ঘৰলৈ। বহুদিনৰ আগতেই সি তাইক এইখন ঘৰত দেখিছে। তথাপি সি অহা নাই। অলপ মাত্ৰ আগতে তাই শুই উঠিছে। চুলিখিনি অলপ ঠিক কৰি ওলাই যাবনেকি তাই ভাবিলে। নাই ৰঞ্জনক বাহিৰত থৈ তাই ভিতৰত সোমাই থাকিব নোৱাৰে। খু-উ-ব আচৰিত হ'ল। কিয় আহিছে বাৰু ৰঞ্জন সিহঁতৰ ঘৰলৈ ? নে ৰঞ্জনে ইতিমধ্যে তাইৰ মনৰ খবৰ গম পাই পেলাইছে। কিজানি তাৰ মনতো সেই একেটা ভাবেই



( নগাওঁ ছোৱালী কলেজ আলোচনী )

তিক্ৰিয়া কৰিছে । তাৰেই ৰতৰা দিবলৈ
াহিছে আজি ৰঞ্জন। এক মুহূৰ্ত্তে বহু কথা
ৰি পেলায় তাই। একো ঠিক কৰিব নোৱাৰি
হিব পালেহি। তাইক দেখা পাই ৰঞ্জনে
সন্তুৰ ধুনীয়াকৈ হাঁহি দিলে। সেই হাঁহিতে
াইৰ সৰ্ব্বশৰীৰ কঁপি উঠিল। তাই যেন কৈ
ৰ ইমান দিন তুমি কিয় অহা নাছিলা ?
ই যে তোমাৰ বাবেই অপেক্ষাৰত । তাই
খেৰে ফুটাই কলে — 'আহক বহকহি।'
কলে, "আপুনি আলোচনীৰ বাবে দিব
গা প্ৰবন্ধটো মোকেই মুনীনে লৈ যাবলৈ কলে.
াইবাবে এইপিনে আঁহোতেই সোমালোঁ।
ল যদি দিয়ক । "

"নাই আৰু অলপমান বাকী আছে।
াজি শেষ কৰিব পাৰিম।"

"তেন্তে কালিলৈকে লৈ যাম।"
বাৰু । থিয় হৈয়ে থাকিলযে— আহক।"

"নহয় আজি নবহো। যাওঁ দেই।"
লবাৰু' বুলি কৈ তাই ৰঞ্জন যোৱাৰ পিনে
ই থাকিল চকুৰ আঁতৰ নোহোৱালৈকে ।
তি তাই প্ৰবন্ধটোৰ বাকী থকা খিনি শেষ
বিলে পিছ দিনাও আহিল ৰঞ্জন । তাই মাতি
নি বহুৱালে । ৰঞ্জনে কথা কলে— "আজি
শ্চয় শেষ হ'ল নহয় ? " তাই ইচ্ছা কৰা
ল দিব পাৰিলেহেঁতেন নিদিলে। প্ৰবন্ধটোৰ
বেহে আহিছে নিশ্চয় ৰঞ্জন। আজি দি দিলে
তো আৰু নাহে । তাই কলে- "মাফ
ৰিব লিখি হ'ল । কিন্তু মাজে মাজে দুই
া লাইন সলাই দিলে ভাল হয়নেকি !
লিলৈ দিমেই।" তাই হাঁহিলে ৰঞ্জনলৈ চাই।

ৰঞ্জনেও। কিছু সময় দুয়ো নীৰব । ৰঞ্জনক কাষত বহুৱাই লৈ তাই কবলৈ কথা বিচাৰি নাপালে। কোঠাটোত অকলশৰে তাই আৰু ৰঞ্জন। তাই দেখোন ইমান দিনে ভাবি থকা কথাটোৰে ইঙ্গিত দিব পাৰে। নাই নোৱাৰি। সি বাৰু কি ভাবিব। তাইৰ প্ৰতি তাৰ ধাৰনাই হয়তো সলনি হৈ যাব পাৰে; ৰঞ্জনে যদি বেয়া পায় ? যদি বেয়াই পায় তেন্তে কিয় আহিছে সি ? আলোচনীৰ বাবে প্ৰবন্ধ পাতি বিচৰাটো ৰঞ্জনৰ কাম নহয় ! নে মুনীনে অকলে নোৱাৰে বাবে ? কিন্তু মুনীনক সহায় কৰিবলৈতো সহ সম্পাদক আছে ! তেন্তে ? তেন্তে কিয় ?!

"আপুনি দেখোন মনে মনে ৰ'ল। কালিলৈ আহিম তেনেহলে ? আজি যাওঁ "

"ইমান সোনকালে যাব নোৱাৰে।" তাই লৰা লৰিকৈ একাপ চাহ আৰু এখন প্লেটত কিবা কিবি অলপৰে সৈতে তাৰ আগত থলেহি ।

সেইদিনা গেটলৈকে আগবঢ়াই দি তাই তাক কৈছিল – "কালিলৈ আহিব দেই।" সি শলাগি আঁতৰি গৈছিল ।

পিছদিনাও আহিছিল ৰঞ্জন দুৱৰা । কিছুসময় কথা বতৰা পতাৰ পিছত তাই ভিতৰৰ পৰা প্ৰবন্ধটো আনি তাৰ হাতত দি কলে "আপুনি সম্পাদকৰ হাতত দিয়াৰ আগতে এবাৰ পঢ়ি চাবচোন । কৰবাত সালসলনি কৰিব লাগিব নেকি ?

"আপোনাৰ লিখা মই কি সালসলনি কৰিব পাৰিম "

"ইচ" বুলি তাই হাঁহিলে।

" আপুনি মোক আপুনি বুলি কিয় কয় " " তুমি বুলি মতাত অধিকাৰ দিয়া হোৱা নাই বাবেই । " "আজিৰ পৰা দিছো । "

" ময়ো তাকেই বিচাৰিছো "— কৈয়েই সি তৰ্মূৰ কৰে ।

চাহ তামোল খোৱাৰ পাছত তাই কলে " আকৌ আহিবতো " ?

" আহিব পাৰো, যদি তুমি ইচ্ছা কৰা । '

তাই একো নামাতিলে ।

ৰঞ্জন আহিছিল সিহঁতৰ ঘৰলৈ মাজে মাজে, তাৰ পিছত প্ৰায়ে আৰু শেষত সদায়েই । ৰঞ্জন দুৱৰা অনাৰ্চ গ্ৰেজুৱেট হৈ গুচি গ'ল এম, এ পঢ়িবৰ বাবে । তাইৰ থাকি কিবা কিবা লগা হ'ল । অৱশ্যে সি চিঠি পত্ৰ দিছিল নিয়মীয়াকৈ । তায়ো বি, এ দিবলৈ সাজু হৈছিল । দুবছৰৰ পিছত ৰঞ্জন আহিছিল এম, এ পাছ কৰি । বন্দনাৰ আনন্দৰ সীমা নোহোৱা হৈছিল ।

এদিন সন্ধিয়া ৰঞ্জনে সুধিছিল—

' কেনেকুৱা লাগিছে বন্দনা মই অহাৰ কাৰণে ?'

" বেয়া লাগিছে । "

" কিয় ? " — আচৰিত হৈ সি সুধিছিল । " তোমাৰ ওচৰত থকাতকৈ তোমাৰ কথা ভাবি ভাবিহে বেছি ভাল লাগে । সেইবাবেই "

" ঠিক আছে, আজিৰ পৰা আৰু নাহো । তুমি তোমাৰ ভাল লগা কথা বোৰকে ভাবি বহি থাকিবা ! হবনে ?

" মোৰ লগত ধেমালি নকৰিবা কিন্তু । কৈ দিছো "

ৰঞ্জনে হাঁহি হাঁহি তাইৰ হাতখন নিজৰ মুঠিলৈ আনিছিল ।

বন্দনাৰ মাক বাপেকে জানিছিল মনৰ খবৰ । হকা বধা কৰা নাছিল । বন্দনাই একো ভুল কৰিবলৈ ওলোৱা নাই ।

ৰঞ্জনৰ ঘৰতো তলে তলে ভাবিছিল ৰঞ্জনৰ বিয়াৰ কথা । মাক বাপেকে সি আগতে কাৰোবাক ঠিক কৰিছেনেকি সুধিবলৈ বেয়া পাই বৌয়েকক কথাটো সুধিবলৈ কৈছিল । এদিন আবেলি ৰঞ্জন ওলাইছিল বন্দনা হঁতৰ ঘৰলৈ । বৌয়েকক চাহ একাপ খাওঁ বুলি সি বৌয়েকৰ পিছে পিছে গ'ল । বৌয়েকে কলে— "অনবৰতে তোমাৰ পিছে পিছে এনেকৈ লাগি ফুৰিবলৈ মোৰ কাম আছে নহয় ! ব্যৱস্থাটো কৰি পেলোৱা সোনকালে । "

" মানে "

" ঃ মানে, মানে এতিয়া নুবুজাই হ'ল । কলেজত দৈনিক কিমানযে মানে বোৰ লোকক বুজাব লাগে, এতিয়া এই সাধাৰণ মানেটোকে নুবুজা হ'ল । ইতিমধ্যে চাগৈ কিমানত চকু পৰিছে: কোৱাচোঁন তুমি বাৰু কাক বিয়াকৰাবা"

"তুমি দেখোন একেলগে বহুত কথাই ক'লা । বাৰু বাদ দিয়া সেইবোৰ । চাহ একাপ দিয়া সোনকালে । "

" নহয় মই মাত্ৰ এটা কথাহে সুধিছো তুমি তাকো বুজা নাইনে ? কলেজৰ প্ৰফেচৰে যদি ইমান ব্যাখ্যা কৰি কথা কব লগা হয় বাকী বোৰৰ ফালে দেখোন আধ্যা । বাৰু মই তোমাক সুধিছো যে তুমি কাক বিয়া কৰাবলৈ ইচ্ছা কৰা ? এনেয়ে নহয় । দৰকাৰ হৈছে । তুমি যাকে ইচ্ছা কৰা তাকে বিয়া কৰাই দিব মা দেউতাই । এই কথাটো সুধিবলৈ মোক বহুত দিনৰে পৰাই কৈ আছে । তুমি জানিছাই চাগৈ যে বহুতো প্ৰস্তাব ইতিমধ্যে দেউতাৰ হাতত পৰিছে । এতিয়া সুস্থিৰ মগজৰে উত্তৰ দিয়া । "

ৰঞ্জনে এবাৰ ভাবিছিল তাৰ এই মৰমীয়াল কথকী বৌয়েক জনীক তাৰ মনৰ কথাটো কবনে নকয় । পিছত দেখিলে যে এইটো কথা কবলৈ বৌয়েকতকৈ উপযুক্ত পাত্ৰ আৰু কোনো নাই । শেষত কলে— "বাৰু মই এনেয়ে এজনী ছোৱালীৰ নাম কৈ দিব পাৰো । যদি সকলোৱে ইচ্ছা কৰে মোৰ আৰু একো নাই । আৰু যদি নকৰে মইনো কি কৰিম । "

" ক'ৰ ছোৱালী "

" তুমি চিনি পাবাই নেকি ! এইবাৰ যে বি, এ পাছ কৰিছে— ৰমেশ বৰুৱাৰ ছোৱালী বন্দনা বৰুৱা । "

"বাঃ বেচ ধুনীয়া কথা । সেইজনী ছোৱালীতো মই জানোৱেই । চাবা মই আজিয়েই দেউতাক কম, আৰু অহা মাহত আমাৰ ঘৰত বিয়া । "

" আৰু এটা কথা শুনা বৌ । তুমি কিন্তু দেউতাক মই লভ্, চভ্, কৰি বিয়া কৰাবলৈ ওলাইছো বুলি নকবা । কবা যে তুমি ছোৱালী জনী চিনি পোৱা আৰু ভাল । "

" বাৰু তুমি মোক কথা কব শিকাব নালাগে । " সেইদিনা ৰঞ্জন কলৈকো নোলাল । ঘৰতে এনেয়ে বহি থাকিল । তাৰ খুব ভাল লাগিছিল ঘৰত মনৰ কথা প্ৰকাশ কৰি । খুব ভয়ো লাগিছিল মাক দেউতাকে তাৰ কথাটো না কৰে বুলি ।

ৰাতি তাৰ কোঠাত পানী এবটি থবলৈ আহি বৌয়েকে কৈছিল যে আজি কথাটো উলিয়াইছিল । মাক দেউতাকে খুব ভালদৰে চিনি পায় আৰু সকলো পিনৰ পৰা ভাল হব যেন দেখিছে । আৰু যিহেতু ৰঞ্জনৰ ইচ্ছা, এই বিয়া হোৱাত বাধা নাই ।

সেইদিনা ৰাতি ৰঞ্জনৰ টোপনি অহা নাছিল আনন্দত । পিছদিনা আহিছিল বন্দনা হঁতৰ ঘৰলৈ সন্ধিয়া পৰত । আগদিনা সিহঁতৰ ঘৰত হোৱা কথবাৰ্তা খিনিৰ এটাও বাদ নপৰাকৈ তাইৰ আগত কৈছিল ৰঞ্জনে । আজিও তাইৰ এটাও শব্দ নাপাহবাকৈ মনত আছে । আনন্দত তাই কথা কব পৰা নাছিল । মুখখন গুজি দিছিল ৰঞ্জনৰ বুকুত । ৰঞ্জনে এটা আঙঠি তাইৰ হাতখনৰ এটা আঙুলিত পিন্ধাই দিছিল । তাৰ পিছত সিহতে কথা পাতিছিল ব হু-ত কথা — ব-হু-ত সময় । ওভতোতে ৰঞ্জনৰ ৰাতি হৈ গৈছিল ।

পিছদিনা প্ৰচাৰ হৈছিল গোটেই নগৰত । কালি ৰাতি প্ৰায় ১১ বজাত প্ৰফেচৰ ৰঞ্জন দুৱৰা কৰবাৰ পৰা ঘৰলৈ আঁহোতে অনন্ত চলিহাৰ গাড়ীৰ চেপাত ৰৰ বেয়াকৈ জখম হয় আৰু প্ৰায় লগে লগেই মৃত্যু হয় । গাড়ীত অকল অনন্ত চলিহা আছিল ।

সকলেৱেই শুনিছিল । তাইও । শুনি মাক বাপেকে হয়তো ভাবিছিল— কান্দি কান্দি এইজনী পাগলী হব । ইমান বোৰ চকুপানী ক'ত শুকাল ভাবি বন্দনা নিজেও কম আচৰিত হোৱা নাছিল । মুখৰ মাতো হেৰাই গৈছিল । খিড়িকীৰ

কাষত বহি আকাশলৈ চাইছিল। ভাব হৈছিল যেন গোটেই আকাশখন এটা বিৰাট শূন্যৰ বাহিৰে আন একো নহয়।

ইয়াৰ পিছত মাক বাপেকে সম্ভব তাইৰ খিয়ালী মনটোৰ কাৰণেই তাইৰ বিয়াৰ কথা উলিয়াবলৈ টান পাইছিল। দিন বোৰ বাগৰিছিল। তায়ো সহজ হবলৈ যত্ন কৰিছিল। এদিন মাকক তায়ে কৈছিল ভনীয়েক ৰূপলেখাৰ বিয়াৰ কথা। অজিত ফুকন নামৰ ল'ৰাটোলৈ ৰূপাক বিয়া দিলে ভাল হব বুলি তাই মাকক কৈছিল। তাই জানিছিল অজিত ফুকন নামৰ লৰাটোৱে ৰূপাক আজি বহুদিনৰ পৰাই ভাল পায়। ৰূপলেখায়ো। অৱশ্যে ঘৰত কোনেও গম নাপায় মাত্ৰ বন্দনাৰ বাহিৰে। মাকে বন্দনাৰ মুখলৈ চাইছিল বহুসময়। তাই সুধিছিল–

"কিয় চাইছা মা?"

"নাই, ভাবিছো"

"কি ভাবিছা?"

"বিয়াৰ কথা। বিয়া বুলিয়েইতো বিয়া হব নোৱাৰে। অন্য কথাও চিন্তা কৰিব লাগিব।"

মাকে হয়তো ভাবিছিল তাইৰে কথা। বায়েকৰ বিয়া নোহোৱাকৈ কেনেকৈ ভনীয়েকৰ বিয়া হব।

"নাই চিন্তা কৰিবৰ একো নাই। এইখন বিয়া সোনকালে পাতি পেলোৱাটোৱেই ভাল।" বন্দনাই কৈছিল।

বিয়াৰ কামত আগভাগ লৈছিল তাই। মাক বাপেকে তাইৰ এই ব্যৱহাৰত একো মতা নাছিল। বিয়াৰ দিনা ৰাতি তাইৰ মনৰ মাজত যি প্ৰবল ধুমুহা হৈছিল তাৰ কথা অন্য কোনেও গম পোৱা নাছিল।

ভনীয়েকৰ বিয়াৰ পাছত অন্য মানুহৰ মতে তাই আগতকৈয়ো গহীন হৈছিল।

ৰঞ্জনৰ ভয়েক অৰূপক তাই মৰম কৰে বেছি। খুব ভাল লাগে তাইৰ তাক। ককায়েকৰ যেন অন্য এটা ৰূপ। ইমান মিল। ইমান সাদৃশ্য। তাই এদিন তাক ৰাষ্টাত লগ পাই কৈছিল— "আজি আমাৰ ফালে যাবাচোঁন। কাম আছেনেকি?"

"নাই কাম, যাম বাৰু"। আবেলি আহিছিল অৰূপ। তাই দেখিছিল ভিতৰৰ পৰা। সেই একেই খোজ। ককায়েকৰ যেন অন্য এটা ৰূপ। আগতে যেনেকৈ ৰঞ্জনে অতি সন্তৰ্পনে গেটখন খুলি সোমাই আহে ঠিক তেনেকৈয়ে আহিছে অৰূপ। তাই তাক মাতি আনি বহুৱালে পিছত মৃদুলাক মাতি আনি কলে- "এই এইবাৰ মেট্ৰিক দিব। তুমি যদি বেয়া নোপোৱা আৰু সময় হয় এইক অলপ অঙ্ক দেখুৱাই শুনাই দিব পাৰিবা?"

সি 'বাৰু' বুলি মূৰ দুপিয়াইছিল। তেতিয়াৰে পৰা সি সদায় আহে। মৃদুলাক পঢ়াবলৈ। সি সোমাই অহা দেখিলে তাইৰ বুকুখন বিষাই যায়। সেইফালে আৰু চাব নোৱাৰে। সেই একেই কথা কোৱাৰ ভঙ্গী। তাই সহ্য কৰিব নোৱাৰে। তথাপি সি না হলে তাই বেয়া পায়। তাৰ প্ৰতিটো খোজে, প্ৰতিটো কথাই, প্ৰতিটো কামেই তাইক অন্য এটা মানুহৰ কথা সোঁৱৰাই দিয়ে। সেয়া তাই সহ্য কৰিব নোৱাৰিলেও তাতেই তাইৰ তৃপ্তি। তাকেই ভাল পায়। সেই কাৰণেইতো তাই তাক মাতি আনিছে।





কেতিয়াবা সি মৃদুলাৰ ওচৰত বেছি ৰাতি কৰিলে তাইৰ ভয় হয়। কিজানিবা আকৌ আগতে তাই সদায় প্ৰত্যাখ্যান কৰি অহা অনন্ত চলিহাই ব দৰে কোনোবাই ক'ৰবাৰ আন্ধাৰ গলিৰ পৰা ওভতোতে তাইৰ এইকন সুখো সহ্য কৰিব নোৱাৰি তাইৰ ওপৰত প্ৰতিশোধ লয়। তেতিয়া তাই তাক কয় "ৰাতি হ'ল যোৱাগৈ যোৱা।"

সি ওলাই যোৱাৰ পিছত তাই চাই থাকে অপলক দৃষ্টিৰে তাৰ ফালে। সেইখন খিড়িকীৰ কাষত বহী দূৰৰ চাৰি আলিটোৰ দক্ষিণ ফালৰ ৰাষ্টাটোত সি হেৰাই নোযোৱালৈকে কেতিয়াবাই আন্ধাৰ হৈছিল। সেইদিনা হয়তো আঁউসী। তাই মনত পেলাবলৈ যত্ন কৰিলে। লাইটটো নজ্বলোৱাকৈ আন্ধাৰতে বিচনাখনত শুই পৰিল বন্দনা। লাইটৰ পোহৰতকৈ আঁউসীৰ আন্ধাৰেই ভাল। লাইটেতো আৰু পূৰ্ণিমাৰ চন্দ্ৰৰ কাম কৰিব নোৱাৰে। হাতখন তাই মূৰৰ ওপৰেদি পিছলাই দিলে। এডাল নে দুডাল চুলি আঙঠিটোত লাগি দুখ পাই গ'ল। হাতখন নমাই আনিলে মূৰৰ পৰা! আঙঠিটো জিলিকিছিল আন্ধাৰতে।

—+—

---

"মই তোমাতকৈ ধনী, গতিকে মই তোমাতকৈ শ্ৰেষ্ঠ," "মই তোমাতকৈ বেছি বাকপটু, গতিকে মই তোমাতকৈ শ্ৰেষ্ঠ" — এনেদৰে তৰ্ক কৰাটো যুক্তি সঙ্গত নহয়। "মই তোমাতকৈ ধনী, গতিকে মোৰ সম্পত্তি তোমাতকৈ শ্ৰেষ্ঠ," "মই তোমাতকৈ বেছি বাকপটু, গতিকে মোৰ ভাষণ তোমাতকৈ শ্ৰেষ্ঠ" — এনেকৈ কোৱাহে বেছি যুক্তি যুক্ত। তুমি তোমাৰ সম্পত্তি বা ভাষণৰ ওপৰত!

— এপিকটেটাছ।

# চিৰন্তণ

— সুনীতি বৰুৱা
দ্বিতীয় বাৰ্ষিক শ্ৰেণী।

প্ৰথমে বিৰিঙি উঠিল বিন্দু বিন্দু কিছুমান কণিকা ! লাহে লাহে সেইবোৰ ডাঙৰ ডাঙৰ টোপাল হৈছিল। সেন্দুৰৰ ডাঙৰ ৰঙা ফঁটাটো বিয়পি গৈছিল। ঘাম আৰু সেন্দুৰমিহলি কিছুমান ৰঙচুৱা পানী মুখখন প্লাৰ হৈ ডিঙিত বগাইছিল। উত্তেজনাত তাই কঁপিছিল। আজি দহ বছৰ চেপি ৰখা এটা গোপন আকাঙ্খ্যাই যেন পূৰ্ণতা বিচাৰি ব্যাকুল হৈ পৰিল। কিন্তু কিয়— কিয় এতিয়া তাই প্ৰতিহিংসাত গুমৰি উঠা নাই— নিজকে তাই হেজাৰবাৰ প্ৰশ্ন কৰিলে। যিমানে তাই পঢ়ি গৈছে সিমানে প্ৰতিটো শব্দ, প্ৰতিটো বাক্যই তাইক টানি নিছে কাষলৈ আৰু কাষলৈ। কিবা এক সন্মোহিনী শক্তিয়ে তাইৰ সমগ্ৰ সত্বাক যেন সেই শক্তিৰ কেন্দ্ৰলৈ প্ৰবল আকৰ্ষনৰে টানি লৈ গৈছে। তাৰ পৰা যেন তাই আৰু ঘূৰি আহিব নোৱাৰে। এয়াযে তাইৰেই অদৃশ্য প্ৰতিদ্বন্দ্বী। নহলে কিয় - কিয় গৌতমে তাইক ইমান মৰমৰে সামৰি লোৱাৰ পাছতো কেতিয়াবা ইমান বেছি অন্যমনস্ক হৈ পৰে। আৰু কেতিয়াবা নিঃসহায় শিশুৰদৰে তাইৰ ডিঙিত সাৱটি ধৰি পৰম আশ্বাসৰে তাইৰ কানত মুখ লগাই কয়— "তুমিতো মোক কেতিয়াও এৰিব নোৱাৰিবা হেমা, এই পৃথিবীত মোৰযে আৰু কোনোৱেই নাই- কোন্নোৱেই নাই।" কিন্তু সেই গৌতমো কেতিয়াবা সঁচাকৈয়ে খুউব বেছি ভাৱপ্ৰৱন হৈ পৰে। এতিয়াও হয়। মুখখন শাৰী খনৰ আঁচলৰে জোৰেৰে মোহাৰি দিলে হেমালীয়ে- হেমালী চৌধুৰীয়ে। তাইৰ অস্থিৰ দৃষ্টি পুনৰ নিৱদ্ধ হৈ পৰিল এখন কাগজত। মাজে মাজে কাগজ খন ফাটি গৈছে কিন্তু নিঃচিহ্ন হোৱা নাই আখৰবোৰ। এইবোৰ আখৰ, শব্দ আৰু বাক্য।

"……… ছিঃ, মইযে আজি নিজকে পুতৌ কৰিবলৈ শিকিলোঁ। মোৰ মোৰ সীমাহীন পুতৌ ওপজে আজি। কিন্তু নিজক পুতৌৰ দৃষ্টিৰে চাবলৈ যোৱাটো কিমান বেদনাদায়ক। সেয়া বুজাৰ মানসিক স্থস্থিৰতা তোমাৰ মুঠেই নাই। মই বাৰু দৃষ্টিহীন আছিলোঁ নেকি ? কিন্তু দৃষ্টিহীন নহলেও মোৰ দৃষ্টিদোষ ঘটিছিল ভীষণভাৱে। ভাবিছিলোঁ কি জানা ? মই নিজে মানুহ হৈ আনবোৰকো যেন বিচাৰ কৰাৰ চোৱাৰ সমৰ্থতা মই গোটাব পাৰেঁ। মই সক্ষম হোৱা নাছিলোঁ এই ক্ষেত্ৰত, কিন্তু ভাবিছিলোঁ মই যথেষ্ট সক্ষম। এয়া এয়াই যেন মোৰ দৃষ্টিদোষৰ সূত্ৰপাত। হেজাৰ বিজাৰৰ মাজত মোৰ দৃষ্টিয়ে এদিন এইদৰেই তোমাক মানুহ বুলি বিচাৰি উলিয়াইছিল। আৰু তাৰপিছত মধুৰ তৃপ্তিৰে মই ক্ষণ গনিছিলো তোমাক আৰু এক নতুন আৰু মহান ৰূপত চাবলৈ। আন এক সুন্দৰ ৰূপত তোমাক চাবলৈ অপেক্ষাৰতা মোৰ চকুত হয়তো সেইদিনা আছিল হৈমন্তী পুৱাৰ কিছুমান মধুৰ আবেশ। কিন্তু ব্যৰ্থ হৈছিল মোৰ যুগ যুগৰ আশা। মই পৰীক্ষা কৰিছিলোঁ। ঠিকেই তুমিও আহিছিলা সেই সময়তে যি সময়ত। মোৰ হাতত থকা কিছুমান ৰজনীগন্ধাৰ মৃদু সৌৰভে মোক সঁহাৰি জনাইছিল তুমি অহাৰ বাতৰিৰে। তুমি বেছি উগ্ৰতা, বেছি উন্মাদনা বেয়া পাবা, সেয়া আছিল মোৰ গভীৰ ধাৰণা। ধাৰণা মোৰ শুদ্ধই আছিল, প্ৰতীক্ষাও মোৰ শেষ হৈছিল তুমিও আছিলা ঠিক সময়তে কিন্তু !! তোমাক দেখিলোঁ মই কি ৰূপত ! কিয়- কিয় বাৰু মোৰ প্ৰতীক্ষা ইমান বেছি অৰ্থহীন হৈ পৰিল ? সেইবাবেই জানা মোলৈ আজি নিজৰে পুতৌ জন্মে। ইমান নিৰ্ব্বোধ আছিলোঁ মই ? তুমিতো আহিছিলা। ময়ো আগবাঢ়িছিলোঁ তোমাক স্বাগত জনাবলৈ। কিন্তু তোমাৰ চকুত সেয়া মই কি দেখিলোঁ ! মই কি দেখিলোঁ ??

তোমাৰ চকুৰ সুবিশাল নীলা খিনি কৰ্পূৰ হৈ উৰি গল। কিন্তু কেনেকৈ ? তোমাৰ চকুৰ উজ্জ্বল জ্যোতি ক'ত হেৰুৱালা ? দেৱতা হব নোৱাৰিলেও সাধাৰণ মনুষ্যত্ব খিনিতো হেৰুৱাব নেলাগিছিল। আজি তুমি মোৰ কাষত খুউব সাধাৰণ জানা। তোমাৰ উজ্বল জ্যোতিবোধৰ পিছে পিছে উদভ্ৰান্তৰ দৰে দৌৰি ফুৰা মই চিকাৰীৰ আঘাতত বৈ যোৱা চকিতা হৰিনীজনীৰ দৰেই এসময়ত বৈ গলোঁ। গতি মোৰ স্তব্ধ হল। জ্যোতিৰ পম খেদি খেদি মই পালো এটি অস্বচ্ছ গোলক যাৰ মাথো কাষেদিও জ্যোতি বিচ্ছুৰিত হব নোৱাৰে। দেৱতা হব নোৱাৰিলেও মানুহ হৈয়েতো থাকিব পাৰিলাহেঁতেন। তোমাৰ হৃদয়ৰ বিশালতা খিনিক নৰকগামী নকৰিওতো পাৰিলাহেঁতেন। দেহাটো তোমাৰ মূল্যবান সাজ সজ্জাৰে সজ্জিত হৈ পৰিছিল যদিও মনটোৰ তোমাৰ মৃত্যু হৈছিল। মই ভালদৰেই উপলব্ধি কৰিছিলোঁ ইমান বেছি মানসিক অভাৱৰ মাজত আত্মাই তোমাৰ অশান্তি বোধ কৰিছিল, হয়তো মুক্তিৰ পথ বিচাৰিছিল। আৰু ঠিক সেই সময়ত তুমি হেৰুৱাইছিলা এযোৰ গভীৰ নীলা চকুৰ উদাৰ উদাৰ তন্ময়তা ভৰা চাৱনি। তোমাৰ চকুত মই সেয়া কি দেখিলোঁ ? জ্যোতিৰ পিছত দুৰ্ম্মূল্য মৃগকস্তুৰীৰ সন্ধানত ফুৰা চিকাৰীবোৰৰ দৰে মই বহুত বনাঞ্চল নহয়, লোকা-

লোক পাব হলোঁ। সন্ধান মোৰ মৃগনাভৰ নহয়। এজন মানুহ॥ যাক মই সম্পূৰ্ণ অৰ্থত মানুহ বুলি বিবেচনা কৰিব পাৰোঁ। কিন্তু!! তোমাক স্বাগতম্ জনাবলৈ গৈ এখন চোকা চুৰি তোমাৰ বুকুত বহুৱাই দিয়াৰ পিছৰ অস্থিৰতাৰে মই উভতি দৌৰ মাৰিছিলোঁ। এক সীমাহীন বিতৃষ্ণাত মোৰ সমগ্ৰ সত্বাই সেইদিনা তোমাক ঘিণ কৰি দিছিল। তোমাৰ চকুলৈ চকু তুলি চোৱাৰ হেপাহ মোৰ নোহোৱা হৈ গ'ল'ৰৰঞ্চ তোমাক দেখা নেপাবৰ বাবে মই যেন অন্ধ হৈ যাওঁ। হোঃ এয়া, এয়াই আজি তোমাৰ মৰমী নীলাৰ, তোমাৰ আদৰ্শ বিচৰা নীলাৰ, তোমাৰ জ্যোতি বিচৰা নীলাৰ কাম্য।

এজনী সৰু ছোৱালী, যাৰ অভাৱ আছিল মৰমলগা এটি খুউব আপোন বস্তুৰ, সেই জনী ছোৱালীক তুমি এদিন মৰম কৰিছিলা, তায়ো তোমাক প্ৰানভৰা মৰমৰে সেইখন আসনতে বহুৱাইছিল যিখন আসন হয়তো চিৰদিনেই শূণ্য হৈ ৰ'লহেঁতেন। ঠিক তেনে এটা অভাৱেই যে তোমাৰো আছিক সেইকথা নীলাই– তোমাৰ মৰমী নীলাই খুউব ভালদৰে বুজিছিল। সেইবাবেই অন্তৰৰ সৰবোৰ মৰম ঢালি তাই যেন তোমাক আপোন কৰি লবলৈ বিচাৰিছিল। এজনী সৰু ছোৱালীৰ সববোৰ স্বাভাবিক আব্দাৰবে তাই তোমাক সদায়ে ব্যতিব্যস্ত কৰি তুলিছিল। কিন্তু আমনি পোৱা নাছিলা তুমি। বৰঞ্চ তাইৰ সৰু সৰু প্ৰশ্নবোৰ সৰু সৰু মিঠা মিঠা উত্তৰ দি তুমি হাঁহিছিলা। সেই হাহি পূৰ্ণতাৰ কিবা পোৱাৰ হাঁহি। কিন্তু তাই যে লাহে লাহে ডাঙৰ হৈ আহিছিল।

তাই ডাঙৰ হল। তুমি কিন্তু তাইৰ সেই নতুন ৰূপটোৰ কাষত সম্পূৰ্ণ নিৰ্বিৰকাৰ হৈ তাইৰ মন প্ৰান পৱিত্ৰ পৱিত্ৰ অনুভূতি কিছুমানৰে ভৰাই তুলিছিলা। সেইদিনা তোমাক পাই তাই যে কিমান বেছি গৌৰৱান্বিতা হৈছিল! কিন্তু সেইবোৰ সুখ তাইৰ পৰা আজুৰি আজুৰি কোনে কাঢ়ি লৈ গল? সেই নামহীন মৰমবোৰৰ স্থায়িত্বক সময়ে এদিন উপলুণ্ঠ কৰিলে। তোমাক খুউব মৰম কৰা নীলাই তোমাক নতুনকৈ আৰু এটা বস্তু দিবলৈ শিকিলে সেয়া শ্ৰদ্ধা॥ তুমি জানা, মৌচুমক মই ভাল পাওঁ। বহুত আগতে এইকথা তোমাক জনোৱাৰ আৱশ্যকতা মই অনুভৱেই কৰা নাছিলোঁ। কিন্তু ঠিক সেইদিনাৰ পৰাই মোৰ ধুনীয়া জীৱন সঙ্গীতটিৰ মধুৰ সুৰটিৰ ছন্দপতন ঘটিল। মোক খুউব মৰমকৰা প্ৰান্তৰৰ মৃত্যু হল আৰু লগে লগে মৃত্যুৰ বিভীষিকাৰ মাজেদি এটি পৱিত্ৰ সত্বাক ভিডিত ৰচি লগাই টানি টানি লৈ গ'ল। মৃত্যু নিবিচৰা এটি ৰঙীন ফুলৰ কলিক সৃষ্টিৰ আনন্দ কন উপভোগ কৰাৰ ঠিক আগমুহূৰ্ত্তত তুমি ভাঙি ছিঁড়ি মোহাৰি পেলালা। প্ৰান্তৰৰ ব্যক্তিত্বক তুমি কিয় ইমান অপমান কৰিলা? নীলাক দেখিলে তোমাৰ চকুত জুই জ্বলা হল। কিন্তু সেইকুৰা জুইৰ জ্যোতি নাই, আছে মাথো কিছুমান ভয়াবহ স্ফুলিঙ্গ, সি মাথো ধ্বংসহে কৰিব পাৰে, সৃষ্টি কৰিব নোৱাৰে তুমি জ্যোতিহীন হৈ পৰিলা। প্ৰান্তৰে মোৰ পৰা কি বিচাৰিছিল? কি বিচাৰিছিল?? বেছি ৰিচৰা নাছিল। বিচাৰিছিল মাথো অলপ সেউজ সেউজ প্ৰেৰণা। সেইপ্ৰান্তৰে





দিন মোক কি কৈছিল জানা—"নীলা, মই প্ৰেৰণা বিচাৰোঁ। মোৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত ই হবি মোৰ বাবে এটি উজ্বল প্ৰেৰণা। যি থো যুগ যুগ ধৰি প্ৰেৰণাৰেই মোক ৰঙীন ৰি তুলিব, ৰঙীন কৰি তুলিব মোৰ সাহিত্য ষ্টিক। চহৰৰ নিৰিবিলি উৎকণ্ঠত বৈ থকাৰ ৰে তোৰ মৰমৰ প্ৰান্তৰদাই তোৰ জীৱনৰ ান্তৰতে বৈ সৌন্দৰ্য্যৰে সুন্দৰৰ সৃষ্টি কৰি ব চিৰদিন।" সেয়াতো তুমিয়েই কৈছিলা। সেই বোৰ যে তোমাৰ কথা আছিল। মোৰ াত্মাক তোমাৰে সুবিশাল ব্যক্তিত্বৰ আৰু বেছি ন্নিধ্যলৈ টানি নিয়া তোমাৰেই মৌ মিঠা থা আছিল সেই বোৰ। কিন্তু সেই বোৰ কথা ভাবিবলৈ, কবলৈ তুমি এদিন পাহৰি গ'লা। ৰৰ নিল্লৰ্জ্জভাৱে সেইদিনা তুমি তোমাৰ প্ৰাপ্যৰ বাবে সচেতন হৈ পৰিছিলা। তোমাৰ চকুৰ সুবিশাল নীলাখিনি লাহে লাহে মোৰ দৃষ্টিত ধূসৰ হৈ গল। মোলৈ একেথৰে চাই থকা তোমাৰ চকুৰ মনি দুটাই নাচিছিল। আৰু তাত আছিল এক নতুন দৃষ্টিৰ নতুন আমন্ত্ৰণৰ নৃশংস ব্যাকুলতা। মই ভয়তে চকুমুদি দিছিলো। তাৰপিছত মই ভয় কৰিলো তোমাৰ কাষলৈ যাবলৈ। মই তোমাক জনাই দিছিলোঁ মৌচুমক মই ভাল পাওঁ। বহুত দিনৰ আগতেই কোনোবা এখন বিয়াৰ পৱিত্ৰ হোমৰ জুই কুৰা জ্বলি থকা অৱস্থাতে, মঙ্গল বাদ্যবোৰ বাজি থকা সময়তে, পুৰোহিতে বেদৰ স্তোত্ৰবোৰ পঢ়ি থকাৰ সময়তে, সেই কোলাহলৰ বহুত আঁতৰত মৌচুম আৰু মই, দুয়োকে দুয়ো মনৰ কথাবোৰ জনাই দিলোঁ। কিন্তু সেয়া জনাৰ পিছত তুমি জ্বলিছিলা। কিন্ত সেই জুই জ্যোতিহীন তোমাক দিবলৈ আজি আৰু মোৰ কাষত একো নাই। মোৰ সপোনৰ সমাধিত বহি মই আজি আৰু তোমাৰ কথা ভৱা নাই। তুমি হেৰাই গলা এটা জনাকীৰ্ণ সাধাৰণ মিচিলত। তুমি নিঃচিহ্ন হৈ যোৱা, ক্ষতি কি??
......................"

হেমালী চৌধুৰীয়ে দীঘলকৈ এটা উশাহ টানিলে। কিন্তু অন্তৰৰ ঔৎসুক্য শেষ হোৱা নাছিল। আনপিনৰে গাঁঠি থোৱা সিখন কাগজৰ ওপৰেদি হেমালীৰ জলক্ তবক্ দৃষ্টি আকৌ বাগৰি গল।

"গৌতমদা, আজি তোমাৰ বিয়া, তুমি আচৰিত হবা জানা মই তোমাৰ কন্যা হেমালীক চিনি পাওঁ। ভয় খাইছা নেকি? ধেৎ তেওঁয়ে মোক চিনি নেপায়? সেইবাবেই তুমি ভয় নাখাবা। বিয়ালৈ দেখোন নামাতিলা? বেয়া লাগিছে তুমি নামাতা কাৰণে। তথাপি কামনা কৰিলো তোমাৰ আৰু হেমালী নবৌ এটি সোনসৰা, মুকুতাসৰা উজ্জ্বল ভবিষ্যতৰ। অ' খবৰ এটা পাইছা জানো? মানে এই মাহৰে ২৭ তাৰিখে (ইংৰাজী) মৌচুমৰো বিয়া। আচৰিত হবা নেকি আৰু এটা খবৰ দিলে? মানে মৌচুমৰ কন্যাজনী মই নহয়!! মোৰ মনৰ সববোৰ কথা জনা মোৰ খুউব মৰমৰ দেবহুতি মৌচুমৰ কন্যা। আমি দুয়োজনী একেটা (Institution) ৰে ছাত্ৰী। মৌচুমৰ লগত দেবহুতিৰ চিনাকি হৈছিল মোৰ যোগেদিয়েই। মৌচুমৰ হেনো দেবহুতিক হঠাতে খুউব ভাল লাগি গল। সেইকথা মৌচুমে

দেৱহুতিক জনাইছিল- আৰু তাই জনাইছিল মোক। আৰু তেতিয়া মই কি কৰিলো জানা? মনৰ খবৰ ললো মৌচুমৰ। গম পালোঁ এজাক নতুন ফাগুনে মৌচুমক নতুনকৈ জোকাইছে মই বাৰু আন্তৰায় হওঁ কিয়? সৌসিদিনা আজি পোন্ধৰ দিনৰ আগতে মই, মৌচুম আৰু দেৱহুতি এটি হিমানী সন্ধিয়া ওলাই গৈছিলো গঙ্গাৰ পাৰলৈ। গঙ্গাৰ পাৰত সদায় বহা নিৰ্দ্দিষ্ট ঠাই টুকুৰাত আমি তিনিওটা বহিছিলোঁ। আকাশত আছিল অযুত জোনাক। সেই জোনাকত মই দেখিলো কি জানা? মৌচুমে দেৱহুতিৰ চকুৰ ভাষা পঢ়িবলৈ কৰা গোপন প্ৰয়াস। জোনটোৰ উজ্জ্বল পোহৰ খিনি লাহে লাহে অনুজ্জ্বল হৈ পৰিছিল। মই প্ৰস্তুত হলোঁ। 'মৌচুম দেৱহুতি' মোৰ মাতত গোপনে দুটি মন এটি হৈ বিহাৰ কৰা মৌচুম আৰু দেৱহুতি উচপ্ খাই উঠিছিল। 'কিবা কৰা?' সিহঁতে একেলগে একেহটা শব্দকে কৈছিল 'কিবা কিবা'। সিহঁতৰ শব্দ কেইটাৰ সমন্বয়লৈ চাই ময়ো এবাৰ উচপ্ খাই উঠিলো। ইমান সঙ্গত! ইমান মিল!! উত্তৰোন্মুখ মৌচুম আৰু দেৱহুতিৰ দুখন হাত লাহে লাহে মই মোৰ দুয়োখন হাতৰ মাজত সাৱটি ধৰিলো। সিহঁতৰ দুয়োখন হাত লগালগিকৈ লৈ মোৰ দেহৰ সমস্ত শক্তিৰে হেঁচা মাৰি ধৰিছিলোঁ— "তোমালোকৰ মিলন চিৰ শাশ্বত, চিৰসত্য আৰু অব্যয় হওক"। মই কৈছিলো। "মৌচুমক কি কৈছা?" বুলি আতঙ্কত চিঞৰি উঠা মৌচুমক মই কৈছিলো "তোমাৰ প্ৰতি থকা মোৰ সীমাহীন ভালপোৱাৰ এয়া উপহাৰ— দেৱহুতিক তোমালৈ।"

"নীলা, তই মোক কিয় ইমান অপমান কৰিলি" বুলি হুক্ হুকাই কান্দি উঠা দেৱহুতিৰ কপালত মই এটা চুমা আঁকি দিলো। আৰু তাৰপিছত? কক্ষচ্যুত গ্ৰহীয়াত্ৰাৰ দৰে মই যেন খহিপৰিলোঁ। আৰু তাৰ পিছত সিহঁতক তাতে এৰি মই গঙ্গাৰ পাৰে পাৰে দৌৰিছিলো অকনমান সান্ত্বনা বিচাৰি, অকনমান আশ্ৰয় বিচাৰি। এতিয়া মই শান্ত হব পাৰিছো। সহজ হব পাৰিছো মৌচুমৰ লগত, দেৱহুতিৰ লগত। কিন্তু সিহঁতে পৰা নাই মোক সহজে লব।

তোমাৰ বিয়াৰ খবৰটো মৌচুমেই মোক দিছিল। খুউব ভাল লাগিছে আজি এই পবিত্ৰ ক্ষণত তোমাক সুঁৱৰি। আজি আৰু তোমাৰ ওপৰত মোৰ কোনো ক্ষোভ নাই। অ... এতিয়া মই অসম্ভৱ ব্যস্ত জানা। কাৰণ মৌচুম... বিয়াৰ সমগ্ৰ দায়িত্ব মোৰ ওপৰতে। বিয়া... মই মাতিলোঁ। দেই মৌচুমৰ হৈ। আহিবা কিন্তু। মোৰ ৰূপটো চাবলৈ, খহনীয়া মনটো উমান লবলৈ তোমাৰ জানো এতিয়া মনবো... নাই। এয়াযে তোমাৰ হাঁহাৰ সময়। ...... ..........."

শেষ হৈছিল এখন দীঘল চিঠিৰ অসমাপ্ত অধ্যায়। হেমালীয়ে আকৌ এ... দীঘলকৈ উশাহ টানিলে। মুখখন আকৌ এ... মচি ললে। এক অনামী বেদনাৰ উন্মত্ত অনু... হেমালীক জোকাৰ খুৱাই তুলিলে। কিছু... নামহীন বেদনাই হেমালীক যেন এই কন্দুৱাই পেলাব। নীলাক্ষিৰ প্ৰতি কিবা অনুকম্পাই তাইৰ সমগ্ৰ সত্বাক আচ্ছন্ন কৰি তুলিলে। তাই যেন এই মাত্ৰ নীলাক্ষিক লগ ধৰিব আৰু কব যেন বহুত কথা। জীৱনত আমি বিচাৰো কি আৰু পাওঁ কি আমি নিজেই নাজানো। নহলে মৌচুমে ভুল কৰিলে কিয়। হেমালীয়ে আৰু যেন বুজাই দিব— নীলাক্ষি তুমি সুখী বুলিয়েই নিজকে ভাবি লব পাৰা। কিন্তু গৌতম অসুখী, মই অসুখী, হয়তো মৌচুমো অসুখী আৰু অসুখী দেৱহুতি। চাক্ষুষ দৃষ্টিত তুমি দেখিবা হেজাৰ প্ৰ বনেও উটাব নোৱাৰা গৌতম আৰু মোৰ মান মৰ্য্যাদাৰে ভৰা এখন সুখৰ সংসাৰ, কিন্তু সুখ জানো তাতে থাকে নীলাক্ষি? গৌতমক মই ভাল পাইছিলোঁ। সেইবাবেই মা- দেউতাৰ হেজাৰ অনুৰোধ আৰু বাধাক আওকান কৰি মই বিয়া কৰিছিলোঁ। তোমালোকৰ অসমীয়া গৌতমক। কিন্তু মই জানো ইয়াকে বিচাৰিছিলোঁ? এজনী দুঃসাহসিক গাভৰুৰ মৰ্ম্মন্তুদ বেদনাৰ ব্যক্তিত্ব সম্পন্ন প্ৰকাশে হেমালীক আজি যেন আচ্ছন্ন কৰি তুলিছে। ইমান গভীৰ বেদনা, অথচ কিমান সাধাৰণভাৱে নীলাক্ষিয়ে এই বেদনাৰ হলাহল আকণ্ঠ পান কৰিছে। সঁচা সোণক সোণ বুলি বুজিও নীলাক্ষিয়ে হাঁহি মুখে তাক প্ৰত্যাখ্যান কৰিব পাৰিলে। কিন্তু তাই সাৱটি লোৱা মানিক-ডোখৰ যে প্ৰকৃততে এডোখৰ মূল্যহীন কাচহে আছিল। হেমালীয়ে ভাবি আচৰিত হল নীলাক্ষিৰ দৰে এজনী দূৰদৰ্শী ছোৱালীয়ে মৌচুমৰ দৰে এটা ৰং-বোটলা ডেকাক কেনেকৈ ভাল পাব পাৰিলে। হেমালীয়ে ভাৱি আছিল

"হেমা, হেমা, এই হেমা"

গৌতমৰ মাতত হেমালী উচপ্ খাই উঠিল। চেন্দেলযোৰ চোচোৰাই চোচোৰাই হেমালী দুৱাৰ খনৰ ফালে আগবাঢ়ি গল। হেমালীয়ে দেখি থকা এটা ধুনীয়া সপোন কাষত শুই থকা বেচুৱাৰ অস্বাভাৱিক চিঞৰত যেন বিশৃঙ্খল হৈ পৰিল। তাই আগবাঢ়ি গৈছিল দুৱাৰ খনৰ ফালে। অৰ্গলদালত হাত থৈ হেমালীয়ে ভাবিছিল আজিযে তাই গৌতম চৌধুৰীৰ মনৰ দুৱাৰৰ অৰ্গলদাল দাঙি দিছে। অলপ পিছতে দুৱাৰখন মুকলি হব।

—×—

" সদায় চমু বাটেদি যাবা; চমু বাটটোৱেই আচল বাট : সেইবাবেই সকলোবোৰ কথা আৰু কাম গভীৰ যুক্তি অনুযায়ী কৰা আৰু কৰিবা। "

— মাৰ্কাচ অৰেলিয়াচ।

# উপলক্ষ্য

— অনুসূৱা দাস
তৃতীয় বাৰ্ষিক শ্ৰেণী ।

প্ৰথমতে বতাহ। তাৰপিছত কিন্‌কিনীয়া বৰষুণ আৰু অৱশেষত হুৰ্‌হুৰাই বৰষুণ আহিল। বতাহ বৰষুণ একেলগে। ফুলৰে ৰগা হৈ থকা জেচমিনজোপাৰ পৰা কইবাপাহো ফুল সৰি পৰিল । ইমান বেয়াকৈ ৰবযুণ দিছে খং উঠি গ'ল মোৰ। খোলা খিড়িকী খনেদি ৰবযুণজাক ভিতৰ সোমাই আহিল । মোৰ ভৰিৰ বহুতখিনি ওপৰলৈকে তিতি গ'ল। বৰ বেয়াও লগা নাছিল আৰু খুব ভালো লগা নাছিল। কিন্তু বহাৰ পৰা উঠি খিড়িকীখন বন্ধ কৰি দিবৰ মন নগ'ল। খিড়িকীত ভৰি দুটা থৈ চকীখনত আধা বহা অৱস্থাতে তেতিয়াও বহিয়েই থাকিলোঁ। সদায় ভাল লাগি থকা, "I love yau more, than you know..." গানটো মোৰ আজি বেয়া লাগি গ'ল। গুণগুনো গুণগুনো বুলি শুনি থকা ৰেকৰ্ডখন সলাই আন এখন দিওঁ বুলি ভাবিও ৰেকৰ্ড-প্লেয়াৰটো বন্ধ কৰি থলোঁ।। পঢ়িম বুলি মেলি লোৱা গল্প কিতাপখন তেতিয়াও হাততে থাকিল । পঢ়িব নোৱাৰিলোঁ । কিতাপখন টেবুললৈ দলিয়াই দিলোঁ । বৰষুণজাক মোৰ ভাল নালাগিল, মনটো আৰু বিষাই তুলিছিল । কেইবা-দিনো উংকট ৰ'দ দিয়াৰ পিছত আজি এইজাক বৰষুণ দিছে । আনসময়ত এই বৰষুণজাক মোৰ কেনেকুৱা লাগিলহেঁতেন ক'ব নোৱাৰোঁ। কিন্তু আজি মোৰ ভাল নালাগিল । এই মুহূৰ্ত্তে বৰষুণজাকক মোৰ ভীষণ শত্ৰু যেন লাগিল .... ।

মনটোক মই তেতিয়াও কোনোমতেই সান্ত্বনা দিব নোৱাৰিলো । নিজৰ ওপৰতে মোৰ খং উঠি গ'ল । কি দৰকাৰ আছিল মোৰ বিয়ালৈ যোৱাৰ । আগদিনাই নিশ্চয় গুছি আহিব পাৰিলোহেঁতেন । বিয়াৰ পিছদিনাও আহিলো যেতিয়া আগদিনাই অহাহেঁতেন একো বেয়া নহলহেঁতেন। পিছদিনা মামীক মান্তি কৰাব পাৰিলো যেতিয়া আগদিনাও নিশ্চয় পাৰিলো হেতেন । কিয় বাৰু মই বৈ গ'লো ? কিহৰ আশাত ? চন্দনদাইতে জোৰ কৰি ৰখা বাবে ? উঁহো কেতিয়াও নহয়। মামীৰ বাবে। এইবাৰ মোৰ গোটেইবোৰ খং গোট খালে মামীৰ ওপৰত।

মামীয়ে মোক আহিবলৈ দিয়াহেঁতেনতো আজি মই এইবাৰ কথা কেতিয়াও শুনিব নালাগে ।

নোৱাৰো, ইমান সৰু হৈ যাব মই নোৱাৰো। ক'তা, মোৰ কৰিবলৈতো এতিয়া একো উপায়ো নাই। বহুত দেৰি হৈ গ'ল। বহুত দেৰিকে' জানিলোঁ আৰু মই ভাবিছোঁও বহুত দেৰিকে'। যিটো কথা ভাবি ইমানদিনে মনটো ভাল লাগিছিল, আজি সেইযাৰ কথাই মনটো আউল লগাই দিলে। বহুতবাৰ ভাবিলোঁ, নাভাবোঁ হৈ যোৱা কথা। কিন্তু নাভাবোঁ নাভাবোঁ বুলিও কথাবোৰ মনলৈ আহিল আৰু ভাবোঁ ভাবোঁ বুলিও গোটেই দিনটো ভাবিব নোৱাৰিলোঁ। কাকুবায়ে কোৱা কথাষাৰ মোৰ কানত বৈ বৈ বাজি থাকিল-- "মোৰ ভনী বুলি...... ।" মইতো বিচৰা নাছিলো। মোৰ পাব লগাখিনিতকৈ একো বেছি মই চন্দনদাৰ পৰা বিচৰা নাছিলো। তথাপি কিয় কলে চন্দনদাই তেনেকৈ ।— নিজকে বহুতবাৰ প্ৰশ্ন কৰিলোঁ, কিয় ক'লে! উত্তৰ জানো পালোঁ ? তেনেকৈ নোকোৱাহেঁ-তেনো তেওঁৰ প্ৰেম ভুল হৈ নাযায় । কাকু-বায়েতো চন্দনদাক খুব ভাল পায়, কাকুবাক ভালৰি লগাবলৈকে চন্দনদাই তেনেকৈ নোকোৱাহেঁতেনো হৈ যায়।

বৃথা চেষ্টা এটা কৰিছিলোঁ কথাবোৰ পাহৰি যাবলৈ। বহুত সময় একে ঠাইতে বহি আছিলোঁ।

এটা সময়ত বৰষুণজাক এৰিলে । মাটিৰ পৰা এটা মিঠা গোন্ধ ওলাইছে। আকাশখনলৈ চালোঁ— অলপো মেঘ নাই। যেন অলপ আগতে থকা ক'লা ডাৱৰবোৰ আকাশৰ তেনেই অচিনাকি। মুকলি আকাশ। তেতিয়া সন্ধিয়া। আকাশত জিলিকি উঠা কাচিজোনটো নাৰিকলজোপাৰ ফাঁকেৰে ধুনীয়াকৈ দেখি। বৰষুণত তিতা নাৰিকলৰ পাতবোৰ জোনৰ পোহৰ পৰি ৰূপালী হৈ জিলিকি উঠিছে ধুনীয়া । দৃশ্যটো মোৰ ক্ষন্তেকৰ বাবে হলেও বেয়া নালাগিল, আটাইতকৈ ভাল লাগিল মোৰ জেচ্‌মিনজোপা। অলপ আগতে পোৱা প্ৰকৃতিৰ সকলো অত্যা-চাৰেই জেচ্‌মিন জোপাই পাহৰি পেলাইছে, আকৌ ফুলেৰে ৰগা হৈ পৰিছে, জোনাকত এটা মিঠা জীয়া গন্ধ উটাই দিছে, [illegible] বোৰ ৰূপালী ।

প্ৰকৃতিৰ এই আনন্দত মই যোগ দিব নোৱাৰিলোঁ, কাকুবা'ৰ কথাখিনি আকৌ মনত পৰিল, মনটো মোৰ ভাল নালাগিল, —— কিয় হ'ল, কিয় হ'ল এনেকুৱা ? নিজকে প্ৰশ্ন কৰি কৰি উত্তৰ নাপালোঁ, হয়তো মোৰ গুৱাহাটীলৈ যোৱাটোৱেই ভুল হৈ গ'ল, গুৱাহাটীলৈ নোযোৱাহেঁতেনো নিশ্চয় মোৰ বন্ধৰ দিন কেইটা বেয়াকৈ নগল হেতেন আৰু গুৱাহাটীলৈ নোযোৱা হ'লে কুমকুমবাইদেউৰ বিয়ালৈও বৈ যাব নালাগিলহেঁতেন ।

...... কুমকুমবাইদেউ চন্দনদাৰ ভনীয়েক। এবাৰ তেওঁলোক বদলি হৈ ইয়ালৈ আহিছিল আৰু আমাৰ ঘৰৰ ওচৰতে আছিল। কুমবাই-দেউৰ দেউতাক উচ্চ চৰকাৰী বিষয়া। তিনিটা লৰাছোৱালীৰে বেচ এটা সুখী পৰিয়াল। কুমবাইদেউৰে বি, এ পঢ়ে, চন্দনদা গুৱাহাটীত ইঞ্জিনীয়াৰ আৰু অকনমানি স্তুতিজনী তৃতীয়-মানত। আমাৰ দুয়োখন ঘৰৰ মাজতে এটা

ভাল সম্বন্ধ গঢ়ি উঠিছিল। প্ৰথমতে অলপ ভয়, অলপ সংকোচ আৰু অলপ লাজেৰে আমি মানে মই আৰু কাকুবা কুমবাইদেউৰ মাক পেহীদেউৰ দ্বিতীয় আৰু তৃতীয় কন্যা হৈ পৰিছিলো। চন্দনদা মাজে মাজে মাত্ৰ ঘৰলৈ আহে। কুমকুমবাইদেউক মই ভাল পাইছিলোঁ। ওখ, লাহী গাটোৰে মুখখন বেচ মৰম লগা, আটাইতকৈ ভাল লাগিছিল মোৰ কুমকুমবাইদেউৰ মনটোক। কিন্তু মোৰ বন্ধুত্ব গঢ়ি উঠিছিল চন্দনদাৰ লগতহে। গুৱাহাটীৰ পৰা আহিলে স্তুতিৰ লগতে মোলৈও বহুতো মোৰ ভাল লগা বস্তু আনি দিছিল। চন্দনদা আহিলে ফুৰিবলৈ যোৱা, টেবুল টেনিচ খেলা আমাৰ দৈনন্দিন কাম। আমাৰ লগত কুমবাইদেউ আৰু কাকুবাই খুব কমেই যোগ দিছিল। কম সময়ৰ ভিতৰতে চন্দনদাই আমাৰ ঘৰখন আপোন কৰি ললে। ল'ৰা নোহোৱা ঘৰত মায়ে চন্দনদাক খুব ভালপালে। ভাল পালোঁ আমিও। এদিন মই জানিব পাৰিলো মই উপলক্ষ্যহে। আচলতে চন্দনদা আহে আমাৰ ঘৰলৈ' কাকুবাৰ বাবে।

সেইদিনাৰ পৰা এৰাই ফুৰিলো চন্দনদাক। নোৱাৰো মই সৰু হৈ থাকিব। মনটো মোৰ বেয়া লাগিল। কিন্তু কৰিবলৈ যে একো উপায় নাই। বেছিকৈ আঘাত পালোঁ। চন্দনদাৰ ব্যৱহাৰতহে, যেতিয়া মই এৰাই ফুৰাৰ বাবে চন্দনদাই এদিনলৈ ভুলতো কোনো অভিযোগ নুতুলিলে মোৰ ওপৰত তেতিয়া। আশা কিন্তু কৰিছিলোঁ। চন্দনদাই এদিন মাতিব আৰু হাতখনত ধৰি ঠিক আগৰ দৰেই সুধিব

"টুটু তুমি আজি কালি কিয় নাহা মোৰ ওচৰলৈ? নুসুধিলে, ময়ে আঁতৰি থাকিলোঁ। তেতিয়া চন্দনদা কাকুবাৰ বন্ধুত্ব বেচ গাঢ় হৈ পৰিছিল।

এদিন তেওঁলোক গুৱাহাটীলৈ বদলি হৈ গুছি আহিল। তেওঁলোকৰ ঘৰৰ সকলোৱে ভাল পালে, আকৌ নিজৰ ঠাইখন পাবগৈ। কিন্তু দুখ লাগিল যাবৰ সময়তহে বেছিকৈ। আমাক এৰি যাবগৈ, আমাৰো কম বেজাৰ নালাগিল, যাবৰ সময়ত মাত লগাবলৈ গৈ কুমবাইদেৱে কান্দি পেলালে। কান্দিলে পেহীয়েও, মায়েও আৰু কাকুবায়েও, দুঃখ মোৰো লাগিছিল। কান্দিব পৰা নাছিলো, কুমবাইদেউহঁত যোৱা ভালেখিনি সময়ৰ পিছত মোৰ বেদনাখিনি চকুপানী হৈ ওলাল।

এই কুমকুমবাইদেউৰ বিয়াৰ বাবেই আৰু দুটাদিন বেছিকৈ থাকিব লগা হৈছিল মোৰ গুৱাৱাহাটীত, আৰু থাকিব লগা হোৱাৰ বাবেই আজি মোৰ এই অৱস্থা। কাৰণ তেওঁলোক গুৱাহাটীলৈ অগাৰ পিছতো আমাৰ সম্বন্ধ ভাগি পৰা নাছিল দিনতীয়াকৈ হলেও প্ৰায়ে চন্দনদা আমাৰ ঘৰলৈ আহি থাকি আমাৰ সম্বন্ধ সজীৱ কৰি ৰাখিছিল। বহুত পিছলৈ উলটি গৈছিলো যদিও মই কাকুবায়ে কোৱা কথাখিনি পাহৰিব নোৱাৰিলো — "টুটু, তুমি যে কৈছিলা কুমকুমবা'ৰ বিয়াত তোমাক লৈ চন্দন খুব ব্যস্ত হৈছিল বুলি, আজি আহিছিল নহয়, তেতিয়া সুধিছিলো, কি কলে জানা? কুমকুমবা'ৰ বিয়াত তোমাক লৈ ব্যস্ত হৈছিল তুমি মোৰ ভনী বুলি, তুমি মোৰ ভনী বাবেই



( নগাওঁ ছোৱালী কলেজ আলোচনী )

মামীয়ে মোক আহিবলৈ দিয়াহেঁতেনতো আজি মই এইযাৰ কথা কেতিয়াও শুনিব নালাগে।

নোৱাৰো, ইমান সৰু হৈ যাব মই নোৱাৰো। ক'তা, মোৰ কৰিবলৈতো এতিয়া একো উপায়ো নাই। বহুত দেৰি হৈ গ'ল। বহুত দেৰিকৈ জানিলোঁ আৰু মই ভাৱিছোঁও বহুত দেৰিকৈ'। যিটো কথা ভাৱি ইমানদিনে মনটো ভাল লাগিছিল, আজি সেইযাৰ কথাই মনটো আউল লগাই দিলে। বহুতবাৰ ভাবিলোঁ, নাভাবোঁ হৈ যোৱা কথা। কিন্তু নাভাবোঁ নাভাবোঁ বুলিও কথাবোৰ মনলৈ আহিল আৰু ভাবোঁ ভাবোঁ বুলিও গোটেই দিনটো ভাবিব নোৱাৰিলোঁ। কাকুবায়ে কোৱা কথাষাৰ মোৰ কানত ৰৈ ৰৈ বাজি থাকিল-- "মোৰ ভনী বুলি......।" মইতো বিচৰা নাছিলো। মোৰ পাব লগাখিনিতকৈ একো বেছি মই চন্দনদাৰ পৰা বিচৰা নাছিলো। তথাপি কিয় কলে চন্দনদাই তেনেক।— নিজকে বহুতবাৰ প্ৰশ্ন কৰিলোঁ, কিয় ক'লে! উত্তৰ জানো পালোঁ? তেনেকৈ নোকোৱাহেঁ-তেনো তেওঁৰ প্ৰেম ভুল হৈ নাযায়। কাকু-বায়েতো চন্দনদাক খুব ভাল পায়, কাকুবাক ভালৰি লগাবলৈকে চন্দনদাই তেনেকৈ নোকোৱাহেঁতেনো হৈ যায়।

বৃথা চেষ্টা এটা কৰিছিলোঁ কথাবোৰ পাহৰি যাবলৈ। বহুত সময় একে ঠাইতে বহি আছিলোঁ।

এটা সময়ত ৰবষুণজাক এৰিলে। মাটিৰ পৰা এটা মিঠা গোন্ধ ওলাইছে। আকাশখনলৈ চালোঁ— অলপো মেঘ নাই। যেন অলপ আগতে থকা ক'লা ডাৱৰবোৰ আকাশৰ তেনেই অচিনাকি। মুকলি আকাশ। তেতিয়া সন্ধিয়া। আকাশত জিলিকি উঠা কাচিজোনটো নাৰিকলজোপাৰ ফাঁকেৰে ধুনীয়াকৈ দেখি। ৰবষুণত তিতা নাৰিকলৰ পাতবোৰ জোনৰ পোহৰ পৰি ৰূপালী হৈ জিলিকি উঠিছে ধুনীয়া। দৃশ্যটো মোৰ ক্ষন্তেকৰ বাবে হলেও বেয়া নালাগিল, আটাইতকৈ ভাল লাগিল মোৰ জেচ্‌মিনজোপা। অলপ আগতে পোৱা প্ৰকৃতিৰ সকলো অত্যা-চাৰেই জেচ্‌মিন জোপাই পাহৰি পেলাইছে, আকৌ ফুলেৰে ৰগা হৈ পৰিছে, জোনাকত এটা মিঠা জীয়া গন্ধ উটাই দিছে, গোটেই বোৰ ৰূপালী।

প্ৰকৃতিৰ এই আনন্দত মই যোগ দিব নোৱাৰিলোঁ, কাকুবা'ৰ কথাখিনি আকৌ মনত পৰিল, মনটো মোৰ ভাল নালাগিল, ——কিয় হ'ল, কিয় হ'ল এনেকুৱা? নিজকে প্ৰশ্ন কৰি কৰি উত্তৰ নাপালোঁ, হয়তো মোৰ গুৱাহাটীলৈ যোৱাটোৱেই ভুল হৈ গ'ল, গুৱাহাটীলৈ নোযোৱাহেঁতেনো নিশ্চয় মোৰ বন্ধৰ দিন কেইটা বেয়াকৈ নগল হেতেন আৰু গুৱাহাটীলৈ নোযোৱা হ'লে কুমকুমবাইদেউৰ বিয়ালৈও ৰৈ যাব নালাগিলহেঁতেন।

...... কুমকুমবাইদেউ চন্দনদাৰ ভনীয়েক। এবাৰ তেওঁলোক বদলি হৈ ইয়ালৈ আহিছিল আৰু আমাৰ ঘৰৰ ওচৰতে আছিল। কুমবাই-দেউৰ দেউতাক উচ্চ চৰকাৰী বিষয়া। তিনিটা লৰাছোৱালীৰে বেচ এটা সুখী পৰিয়াল। কুমবাইদেউৱে বি, এ পঢ়ে. চন্দনদা গুৱাহাটীত ইঞ্জিনীয়াৰ আৰু অকনমানি স্তুতিজনী তৃতীয়-মানত। আমাৰ দুয়োখন ঘৰৰ মাজতে এটা

ভাল সম্বন্ধ গঢ়ি উঠিছিল। প্ৰথমতে অলপ ভয়, অলপ সংকোচ আৰু অলপ লাজৰে আমি মানে মই আৰু বাকুবা কুমবাইদেউৰ মাক পেহীদেউৰ দ্বিতীয় আৰু তৃতীয় কন্যা হৈ পৰিছিলো। চন্দনদা মাজে মাজে মাত্ৰ ঘৰলৈ আহে। কুমকুমবাইদেউক মই ভাল পাই ছিলোঁ। ওখ, লাহী গাটোৰে মুখখন বেচ মৰম লগা, আটাইতকৈ ভাল লাগিছিল মোৰ কুমকুমবাইদেউৰ মনটোক। কিন্তু মোৰ বন্ধুত্ব গঢ়ি উঠিছিল চন্দনদাৰ লগতহে। গুৱাহাটীৰ পৰা আহিলে স্তুতিৰ লগতে মোলৈও বহুতো মোৰ ভাল লগা বস্তু আনি দিছিল। চন্দনদা আহিলে ফুৰিবলৈ যোৱা, টেবুল টেনিচ খেলা আমাৰ দৈনন্দিন কাম। আমাৰ লগত কুমবাইদেউ আৰু কাকুবাই খুব কমেই যোগ দিছিল। কম সময়ৰ ভিতৰতে চন্দনদাই আমাৰ ঘৰখন আপোন কৰি ললে। ল'ৰা নোহোৱা ঘৰত মায়ে চন্দনদাক খুব ভালপালে। ভাল পালোঁ আমিও। এদিন মই জানিব পাৰিলো মই উপলক্ষ্যহে। আচলতে চন্দনদা আহে আমাৰ ঘৰলৈ' কাকুবাৰ বাবে।

সেইদিনাৰ পৰা এৰাই ফুৰিলো চন্দনদাক। নোৱাৰো মই সৰু হৈ থাকিব। মনটো মোৰ বেয়া লাগিল। কিন্তু কৰিবলৈ যে একো উপায় নাই। বেছিকৈ আঘাত পালোঁ। চন্দনদাৰ ব্যৱহাৰতহে, যেতিয়া মই এৰাই ফুৰাৰ বাবে চন্দনদাই এদিনলৈ ভুলতো কোনো অভিযোগ নুতুলিলে মোৰ ওপৰত তেতিয়া! আশা কিন্তু কৰিছিলোঁ। চন্দনদাই এদিন মাতিব আৰু হাতখনত ধৰি ঠিক আগৰ দৰেই সুধিব "টুটু তুমি আজি কালি কিয় নাহা মোৰ ওচৰলৈ? নুসুধিলে, ময়ে আঁতৰি থাকিলোঁ। তেতিয়া চন্দনদা কাকুবাৰ বন্ধুত্ব বেচ গাঢ় হৈ পৰিছিল।

এদিন তেওঁলোক গুৱাহাটীলৈ বদলি হৈ গুছি আহিল। তেওঁলোকৰ ঘৰৰ সকলোৰে ভাল পালে, আকৌ নিজৰ ঠাইখন পাবগৈ। কিন্তু দুখ লাগিল যাবৰ সময়তহে বেছিকৈ। আমাক এৰি যাবগৈ, আমাৰো কম বেজাৰ নালাগিল, যাবৰ সময়ত মাত লগাবলৈ গৈ কুমবাইদেৱে কান্দি পেলালে। কান্দিলে পেহীয়েও, মায়েও আৰু কাকুবায়েও, দুঃখ মোৰো লাগিছিল। কান্দিব পৰা নাছিলো, কুমবাইদেউহঁত যোৱা ভালেখিনি সময়ৰ পিছত মোৰ বেদনাখিনি চকুপানী হৈ ওলাল।

এই কুমকুমবাইদেউৰ বিয়াৰ বাবেই আৰু দুটাদিন বেছিকৈ থাকিব লগা হৈছিল মোৰ গুৱাৱাহাটীত, আৰু থাকিব লগা হোৱাৰ বাবেই আজি মোৰ এই অৱস্থা। কাৰণ তেওঁলোক গুৱাহাটীলৈ অহাৰ পিছতো আমাৰ সম্বন্ধ ভাগি পৰা নাছিল দিনতীয়াকৈ হলেও প্ৰায়ে চন্দনদা আমাৰ ঘৰলৈ আহি থাকি আমাৰ সম্বন্ধ সজীৱ কৰি ৰাখিছিল। বহুত পিছলৈ উলটি গৈছিলো যদিও মই কাকুবায়ে কোৱা কথাখিনি পাহৰিব নোৱাৰিলো — "টুটু, তুমি যে কৈছিলা কুমকুমবা'ৰ বিয়াত তোমাক লৈ চন্দন খুব ব্যস্ত হৈছিল বুলি, আজি আহিছিল নহয়, তেতিয়া সুধিছিলো, কি কলে জানা? কুমকুমবা'ৰ বিয়াত তোমাক লৈ ব্যস্ত হৈছিল তুমি মোৰ ভনী বুলি, তুমি মোৰ ভনী বাবেই





অলপ বেছি বেছি কৰিছিল। অলপ বেছি মৰম কৰিছিল। ইমান যে দুষ্ট এই চন্দনটো! বৰ কথা কয়!"

কথাখিনি শুনি মই অসহায় অনুভৱ কৰিছিলোঁ। চকু দুটা ডাঙৰ ডাঙৰকৈ মেলি কাকুবাৰ ফালে চাই ৰৈছিলোঁ, আৰু এটা সময়ত অজ্ঞাতসাৰেই মোৰ মুখৰ পৰা ওলাই পৰিছিল —"মই কিন্তু মোৰ পাব লগাখিনিতকৈ বেছি একো বিচৰা নাছিলো চন্দনদাৰ পৰা।"

—×—



"মোৰ বোধেৰে আমাৰ দেশত উপন্যাসৰ নিচিনা সাহিত্যৰ দ্বাৰাই কেতিয়াও পঢ়ুৱৈ সমাজ গঢ়িব নোৱাৰি।"

—হেমচন্দ্ৰ গোস্বামী।

# " আন্ধাৰ আঁতৰি গ'লে "

—লুকু খাওন্দ
প্ৰাক্তন ছাত্ৰী।

ডাক্তৰ প্ৰতুল হুৰবাই সদায় ভাবিছিল অজন্তাই যেন তাইৰ জন্ম ৰহস্যৰ কথা কেতিয়াও গম নাপায়। সেইবাবে তেওঁ প্ৰতি মুহূৰ্ত্তে সচেতন আছিল। কিন্তু ...........।

যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়া অজন্তা গৈ কলেজো পালেগৈ। সদায়েই মুখত এমোকোৰা হাঁহিৰে চঞ্চলা অজন্তাজনীক দেখি হুৰবা প্ৰায়েই অস্থিৰ হৈছিল— তাইৰ ভবিষ্যতটোৰ কথা ভাবি। তথাপি কোনোদিন জানিবলৈ দিয়া নাছিল তাইৰ অতীতটোৰ কথা। অথচ কিযে হৈ গল— হুৰবাৰ মাত্ৰ সামান্য এটা ভুলৰ বাবেই সকলোবোৰ ওলট পালট হৈ গল। হুৰবাই জানিছিল অজন্তা ডাঙৰ হৈছে। লগে লগেই ডাঙৰ হৈ আহিছে ইলোৰা। ল'ৰা হোৱা হেঁতেন হয়তো ইমান বেছি চিন্তা কৰিব নালাগিলহেঁতেন কিন্তু অজন্তা এজনী ছোৱালী, তাৰোপৰি তাই ধুনীয়া আৰু তাইৰ শ শ মানুহক মুহিব পৰা এটা কণ্ঠ আছে। কিন্তু তথাপি বহুত মানুহে জানে তাইৰ জন্ম ৰহস্যৰ কথা। সকলোৱে জানিলেও হুৰবাই অজন্তাক জনোৱা নাছিল। জনোৱা নাছিল ইলোৰাকো। কিন্তু..... .....। এবা সেই দিনটোৰ কথা ভাবিলেই ভয় লাগে হুৰবাৰ। ঘৰত তেতিয়া কোনো নাছিল। হুৰবাই ওচৰৰে ৰোগী এজন চাই আহি ঘৰৰ ভিতৰ সোমাব খোজোতেই দেখিলে তেওঁৰ সৰু কালৰে বন্ধু প্ৰসন্ন চৌধুৰী বহি আছে। বহু দিনৰ মূৰত বন্ধুক লগ পাই ভিতৰলৈ নোযোৱাকৈয়ে তেওঁৰ লগত কথা পাতিবলৈ লাগি গল। বহুত কথাৰ মাজতে চৌধুৰীয়ে কৈ উঠিল—

" বুজিছা হুৰবা মই তোমাৰ ওচৰলৈ ডাঙৰ কথা এটা লৈহে আহিছো।"

" মানে ? "

' মানেটো হ'ল আমাৰ অঞ্জনলৈ তোমাৰ একমাত্ৰ ছোৱালী ইলোৰাক বিয়া কৰাব খোজো "

" ওঁ ভাল কথা। অ' নহয়, ই কেতিয়াও ভাল কথা হব নোৱাৰে। মোৰ ডাঙৰ ছোৱালী অজন্তা থাকোতে কিয় আগতে ইলোৰাক বিয়া দিম ? " " জানো অজন্তা তোমাৰ খুব মৰমৰ। কিন্তু তুমি খং কৰিলেও মইযে কবলৈ বাধ্য মাৰ একমাত্ৰ লৰাটোলৈ বাৰু অজন্তাৰদৰে জনী বংশ পৰিচয় হীনা বানপানীত উটি অহা ছোৱালীক কেনেকৈ বিয়া কৰাওঁ ? "

" আ— চৌধুৰী মনে মনে থাকা। মই তোমাৰ আৰু এটা কথাও শুনিব নোখোজোঁ। আগে মোৰ দুইজনী ছোৱালী বুঢ়ী হৈ যাওক থাপি তোমাৰ ইঞ্জিনীয়াৰ পুত্ৰ পাই অজন্তাক ৰি ইলোৰাক বিয়া দিব নোৱাৰো। "

" কিন্তু তুমিয়েইচোঁন এদিন কথা দিছিলা লাৰাক অঞ্জনলৈ বিয়া দিম বুলি। "

হুৰবাৰ মুখৰ মাত বন্ধ হৈ গৈছিল। নীৰৱ বহি আছিল দুই বন্ধু। ইফালে অলপ গেয়ে কলেজৰ পৰা আহি পোৱা অজন্তাই িৰ আঁৰৰ পৰা সকলোবোৰ কথা শুনি নালে। জথৰ হৈ যোৱা শৰীৰটো ৰেই নো মতে আহি প্ৰতুল হুৰবাৰ কোঠাত সোমাই াৰ বৰ মৰমৰ আৰু বিশ্বাসৰ পাত্ৰী অজন্তাই ব নিষ্ঠুৰ ভাবেৰে বিশ্বাস ঘাতকতা কৰি হুৰবাৰ ৱৰী খন লৈ নিজৰ কোঠাত সোমাই ল। অজন্তাই নিজৰ ওপৰত থকা মায়ামোহ লো বোৰ হেৰুৱাই পড়ি গৈছিল— কোনোবা । বৰ্ষা মুখৰ ৰাতিপুৱা হুৰবা ওলাই গৈছিল মাইল দূৰৈত থকা গাওঁ এখনলৈ এজন ৰোগী চাবলৈ। হঠাতে তেওঁ দেখিবলৈ পালে আলিৰ কাষত এটা বুঢ়াই অকণমানী ছোৱালী এজনীক সাৱটি লৈ বৰষুণৰ পৰা ৰক্ষা পাবলৈ আপ্ৰান চেষ্টা কৰিছে। ডাক্তৰ হুৰবাই মটৰ চলাবলৈ পাহৰি একান্তমনে সেই দৃশ্যটো চাবলৈ লাগি গল। হুৰবাৰ মনত পৰিল তেওঁৰ বাৰবছৰীয়া একমাত্ৰ পুত্ৰ মনোজলৈ। আৰু মনত পৰিল বৰ্ত্তমানে, তেওঁৰ পত্নীয়ে গৰ্ভধাৰণ কৰা সন্তানটোলৈ। যদি সেই সন্তানটো ছোৱালী নহয়.........। তেওঁ আৰু ভাবিব নোৱাৰিলে। মটৰৰ পৰা নামি গৈ বুঢ়াক সুধি জানিব পাৰিলে ছোৱালী জনী হেনো এমাহৰ আগতে হোৱা পানীত উটি অহা। ক'ৰ ছোৱালী, কি কথা তেওঁ একো নাজানে। বিশেষ একো কথা নাপাতি মাত্ৰ এশ টকা বুঢ়াৰ হাতত দি হুৰবাই ছোৱালী জনী লৈ আহিল। হুৰবাৰ একমাত্ৰ সন্তান মনোজে মৰমতে ছোৱালীজনীৰ নাম দিছিল অজন্তা। অথচ পাহ দিনাই মিচেছ্ হুৰবাৰ এজনী কন্যাসন্তান জন্ম হৈছিল। মনোজে একেলগে দুজনী ভনীয়েক পাই আনন্দত আত্মহাৰা হৈ পৰিছিল। মিচেছ্ হুৰবাই ছোৱালী জনীৰ নাম থৈছিল ইলোৰা ..........। অজন্তাই আৰু পঢ়িব নোৱাৰিলে। মা বুলি বিকত চিঞৰ এটা মাৰি অজন্তা পৰি গৈছিল। যেতিয়া অজন্তাই জ্ঞান পাইছিল তেতিয়া তাইৰ কাষত ইমান দিনে আপোন বুলি ভবা মাক, দেউতাক ককায়েক আৰু ভনীয়েক খুউব অপৰাধীৰ দৰে থিয় হৈ আছিল। অজন্তাৰ মানুহকেইজনক খুউব অচিনাকি যেন লাগিল। জোৰেৰে চকু হাল মুদি দি ভাবিবলৈ

ধৰিলে— নাই নাই, তাই আৰু এই মানুহ-বোৰৰ লগত কেতিয়াও নাথাকে। তাই আত্মহত্যা কৰিব।

এয়া উনৈশ বছৰীয়া চঞ্চলা চপলা অজন্তাৰ জীৱনলৈ বিৰাট পৰিবৰ্ত্তন, যি পৰিবৰ্ত্তনে তাইৰ, হাঁহি মাত ফুৰাচকা আদি সকলোবোৰ বন্ধ কৰি পেলালে। তাইৰ খেচ্‌খেচনিতে এমাহৰ পাছতে ছুৱৰাই ইলোৰাক অঞ্জনলৈ বিয়া দিবলৈ বাধ্য হল। অজন্তাই সদায় ভাবে তাই আত্মহত্যা কৰিব। কিন্তু নোৱাৰে। তাইৰ লগত ঘৰৰ এটা নহয় এটা ছাঁৰ দৰে থাকেই। পদাৰ্থ বিজ্ঞানৰ অধ্যাপক মনোজৰ লগত সদায় কলেজলৈ অহা যোৱা কৰিব লগা হয়। দাদা বুলি মৰমতে পৰি মৰা অজন্তাই আজিকালি তাক একো বুলিয়েই নামাতে। তাই সকলোৰে মৰমবোৰক সন্দেহৰ চকুৰে চায়। মনোজে কিন্তু প্ৰত্যেক ক্ষেত্ৰতে আপ্ৰান চেষ্টা কৰে অজন্তাক আগৰ দৰে পাবলৈ। অথচ অজন্তাই নাইঁহে। তাই যেন কোনোদিনেই হাঁহিব নাজানিছিল। যি অজন্তাই কলেজ ফাংচনত গান নাগালে নহৈছিল, সেই অজন্তাই ফাংচন হোৱাৰ গম পালেই এসপ্তাহ আগৰে পৰা কলেজলৈ নগৈছিল। নীৰৱ ৰাতি প্ৰায়েই অজন্তাৰ উচুপনিয়ে মাক দেউতাক আৰু মনোজক অস্থিৰ কৰি তুলিছিল। কলেজৰ পৰা আহিয়েই বিচনাত পৰি থকা অজন্তাক মনোজে তাৰ বন্ধুবৰ্গৰ আগলৈ খুউব জোৰ কৰি লৈ যায়। কলেজৰ প্ৰফেচাৰ সকল চিনাকি অথচ অজন্তাই অচিনাকি ভাবত তলমূৰ কৰি শুনি যায় তেওঁলোকৰ ৰাজনীতি, দৰ্শন, বিজ্ঞান আদিৰ বক্তৃতাবোৰ।

মনোজৰ কথাবোৰ উপেক্ষা কৰিয়েই তাই প্ৰায়ে ভিতৰলৈ গুচি যায় কিবা এটা চেলু লৈ।

উনৈশ বছৰীয়া অজন্তাই এটা অশান্ত মন লৈ বিশ বছৰত ভৰি দিলেহি। তাইৰ জীৱনলৈ আহি পৰে কলেজৰ তৃতীয় বছৰটো। কলেজত ধুনীয়াবুলি নাম থকা অজন্তাজনী— তাইৰ জীৱনলৈ অহা ধুমুহাটোৱে গহীন কৰি পেলোৱাত আৰু বেছি ধুনীয়া হৈ পৰে। অথচ অজন্তাই এই এটা বছৰে সকলোবোৰ কৰিব পাৰিলেও এটা কাম কৰিব নোৱাৰিলে- মানে তাই আত্মহত্যা কৰিব নোৱাৰিলে। মহাপাপ বুলি নহয়, তাইৰ প্ৰতি ঘৰৰ মানুহ কেইটাৰ চোকা দৃষ্টি থকাৰ বাবে। কেতিয়াবা অজন্তাৰ বাপেকৰ ওপৰতো প্ৰতিশোধ লবৰ ইচ্ছা হয়। তা যেতিয়া বান পানীত উটি অহা এদাল জাঁজীয়েই আছিল, তেনে এদাল জাঁজীক মানুহৰ শাৰীলৈ আনি এই মানুহজনে কিয় বাৰু প্ৰতিশোধ ল'লে? তাতকৈ তাইক সেই অসহায় অৱস্থাত দেখি ডাক্তৰী অভিজ্ঞতাৰে পোৱা অকনমান মাত্ৰ বিহেৰে শেষ কৰি নেপেলালে কিয়? কিয় তাইক এই বাস্তৱ জগতৰ নিৰ্ম্মম কঠোৰ আঘাত বোৰ সহ্য কৰিবলৈ জীয়াই ৰাখিলে? অজন্তাই জানে এই পৃথিৱীৰ বহুত বোৰ অসহায় প্ৰাণীৰ মাজৰে তাইও এজনী— তাই কাৰো ওপৰতেই প্ৰতিশোধ লব নোৱাৰে। তাইৰ কোনো নাই। তাইৰ বাবে ঈশ্বৰ বোলা বস্তুটোও নাই। কৰবাত পঢ়িছিল ছিন্নমূল জীৱনত হেনো একোখনি শক্তিশালী অন্তৰ গঢ়ি উঠে। কিন্তু ক'তা তাইৰ দেখোন অন্তৰ শক্তিশালী হৈ





...চাৰি দিনে দিনে শেষ হৈ আহিৰহে ...ছে।

কলেজ, যাব লাগে বাবেই যায় কলেজ-লৈ— তাকো মনোজৰ লগত। ন বজাৰ ...টোলৈ সেইদিনাও মনোজৰ লগতে গৈছিল ...জন্তা। কলেজ পাই মনোজ গৈছিল— ...ফেচাৰৰ কমনৰুমলৈ। বয়জ কমন ৰুমৰ ...গেদি পাৰ হৈ যাওঁতে তাইৰ নামটো শুনি ...কি ৰৈছিল অজন্তা। কোনোবা এজনে কৈছিল ...বেয়া লাগে ভাই অজন্তাজনীলৈ" ...... ...... ...ই, চুপ সেয়া অজন্তা গল দেখা নাই নেকি?" পুতো! ছিঃ ছিঃ, তাইৰ আৰু এইবোৰ ...কনো সহ্য নহয়। তাই আৰু কাৰো পুতৌৰ ...াত্ৰী হৈ থাকিব নোখোজে। বেয়া লাগে ...লি নকৈ অজন্তা জনী বৰ বেয়া চৰিত্ৰৰ বুলি ...কোৱাহেঁতেন তাই কেতিয়াও বেয়া নেপালে ...হঁতেন। পুতৌৰ পাত্ৰী হবলৈ তাই বেয়া পায় ...থচ আজি অলপ দিনৰ পৰা তাই দেখোন ...হুত বোৰৰে পুতৌৰ পাত্ৰীহে হৈ পৰিছে। ...মনৰুমৰ খিড়িকী খনৰে বাহিৰলৈ চাই অজন্তাই ...াবিলে— এয়ে সুন্দৰ সুযোগ। মনোজ কলেজত ...াকিব, দেউতা চেম্বাৰত আৰু মা এই সময়ত ...নিজৰ ৰুমতে থাকে। আজিয়েই হয়তো তাইৰ আত্মহত্যা কৰাৰ সুন্দৰ দিন। যাবলৈ ওলাই হঠাৎ কিবা ভাবি অজন্তা ৰৈ গল— এবা মনোজক কৈ নগলে তাইৰ পাছতেই হয়তো ঘৰ ওলাবগৈ। কৈ যোৱাই ভাল, তাৰতো এতিয়া ক্লাছ আছেই! কমনৰুমত সোমায়েই ইংৰাজীৰ প্ৰফেচাৰ ৰবীন দত্তৰ লগত মনোজক দেখি অজন্তা থতমত খাই ৰৈ গল। ৰুমটোত আৰু কোনো নাছিল। মনোজে অজন্তাক

দেখিয়েই মাত দিলে- "জানু, কি হল? সোমাই আহ আক?" মনোজৰ মৰম সনা মাতত ইমান পৰে খুউব কষ্টৰে সম্বৰন কৰা চকুপানী বোৰ আৰু কোনোমতেই লুকুৱাই ৰাখিব নোৱাৰিলে। থোকা থুকি মাতৰে কলে "মোৰ খুউব মূৰ বিষাইছে। ঘৰলৈ যাঁ গৈ"

মনোজে তাইৰ কপালত হাত দি কলে— ধেৎ মূৰ বিষালেইনো অকনমান ছোৱালীৰ দৰে কান্দেনে? ৰবি মই বাৰু তোক থৈ আহিমগৈ, ক্লাছত কৈ আহো ৰ।

অজন্তাই কিবা এটা কবলৈ মুখ মেলিছিল কিন্তু ইতিমধ্যে মনোজ আঁতৰি গৈ-ছিল তাইক এটাও কথা কবৰ সুযোগ নিদিয়া কৈ। কিবা এটা ভাবি কমনৰুমৰ পৰা ওলাই যাব খোজোতেই হঠাৎ পাচফালে প্ৰফেচৰ দত্তৰ মাত শুনি চক খাই ৰৈ গল।

"অজন্তা"

"চাৰ"

"তোমাক এটা কথা সুধিম। উত্তৰ দিবা!

"চেষ্টা কৰিম"

"ধৰি লোৱা তোমাক যদি কোনোবা এজনে মৰম কৰিব খোজে তেন্তে তুমি তেওঁক প্ৰতিদান হিচাপে মৰম কৰিবানে?"

অজন্তাৰ চকুহালে ক্ষন্তেকৰ বাবে প্ৰফেচাৰ ৰবীন দত্তক অনুসৰণ কৰি পেলালে। বহুত দিনৰ চিনাকি যদিও একেথৰে চাই থকা প্ৰফেচাৰ জনক তাইৰ বৰ অচিনাকি যেন লাগিল। অজন্তাই প্ৰফেচাৰ দত্তৰ চকুৰ ভাষা পঢ়িবলৈ চেষ্টা নকৰিলে। নিজকে কষ্টৰে সংযত কৰি তললৈ মূৰ কৰি কৈ গল— "ওহো, কেতিয়াও নকৰো!

মই জানো মোৰ এই জন্মত এই পৃথিৱীত মৰম কৰা মানুহ কোনো নাই। বহুতেই মৰমৰ চলেৰে কৰে পুতৌ। মই কাৰো পুতৌৰ পাত্ৰী হব নিবিচাৰো। তাতকৈ আপুনি সোধক মোক কোনোবাই শাস্তি দিলে সহ্য কৰিব পাৰিম নে নোৱাৰিম? ”

“ তুমি এই বোৰ কি কৈছা অজন্তা? ” এটা ম্লান হাঁহিৰে অজন্তাই পুনৰ কলে— “ মই ঠিকেই কৈছো চাৰ। আজিৰ এই খন পৃথিৱীত মোৰ দৰে পৰিচয় হীনা ছোৱালী এজনীক মৰম কৰা মানুহ কোনোৱেই নাই। ইমান দিনে মৰমৰ চকুৰে চাই অহা মা-দেউতা হঁতেও মোক যে পুতৌৰ চকুৰেহে চাই ছল সেই কথা মই মাত্ৰ এবছৰৰ আগতহে জানিব পাৰিছিলোঁ। ”

প্ৰফেচাৰ দত্তই অজন্তাৰ বেদনা ক্লিষ্ট মুখ খনলৈ চাই কলে— ” তুমি বেছ ভালদৰেই জানা মনোজ আৰু মোৰ বন্ধুত্বৰ কথা। হয়তো খুৱেই আচৰিত হবা— তোমাৰ সকলোবোৰ কথাই তোমাতকৈ বহুত আগতে মনোজে মোক কৈ পেলাইছিল। সেই দিনা নীৰৱে মাত্ৰ সকলোবোৰ কথা ব্যক্ত কৰিছিলোঁ। — যিটো কথা শুনি মনোজে প্ৰথমে খুউব আচৰিত হৈছিল। তাৰ পাছত— এৰা তাৰ পাছত কলে তোমাক বুজিবলৈ। তোমাক মৰম কৰিব খোজা মানুহ জন আন কোনো নহয় অজন্তা। চবছৰৰ আগৰে পৰা তোমালৈ বুলি সাঁচি থোৱা মৰম বিলাক প্ৰকাশ কৰিবলৈ মই ইমান সাহ গোটাব পৰা নাছিলোঁ। জানোচা মোৰ কথাবোৰে তোমাৰ কোমল অন্তৰ খনত আৰু বেছি আঘাত কৰে। কিন্তু দিনে দিনে তোমাৰ হাঁহি মাতবোৰ শেষ হৈ যোৱা দেখি মই অস্থিৰ হৈ পৰিছিলোঁ। প্ৰত্যেক সময়তে ভাবো তোমাক কেনেকৈ কম? তুমি মোক বিমুখ নকৰিবা অজন্তা। তোমাকযে মই জীৱনৰ লগৰী হিচাপে পাবলৈ বিচাৰোঁ অ—জন্তা-” “ চাৰ ” বুলি কমনক্ষৰ পৰা দৌৰ মাৰিছিল অজন্তা।

আজি অজন্তাৰ প্ৰফেচাৰ ৰবীন দত্তৰ লগত বিয়া। ৰবীনে মাক দেউতাকৰ অবাধ্য সন্তান হৈ বিয়া পতা নাই — পাতিছে দুয়োৰে সন্মতি লৈহে। গোটেইবোৰ মানুহৰ মুখত চাই সানি অকল ভাল পোৱাৰ অভিনয়েৰেই দত্তই বিয়াপতা নাই— পাতিছে— বানপানীত উটি অহা এজনী ছিন্নমূল ছোৱালীয়ে নিজকে তিল তিলকৈ ধ্বংস কৰিবলৈ ওলোৱা প্ৰস্তুতি বোৰক ধ্বংস কৰিবলৈকে।

০—০





# আমাৰ কথা

নগাওঁ ছোৱালী কলেজ প্ৰতিষ্ঠা হোৱা ন বছৰ হ'ল। কলেজত ছাত্ৰীৰ সংখ্যা আশানুৰূপ নোহোৱাত আৰু যিখিনি ছাত্ৰী আছে তেওঁলোকৰ পৰাও যথেষ্ট পৰিমানে সঁহাৰি নোপোৱাত নগাওঁ ছোৱালী কলেজ আলোচনীৰ প্ৰকাশ ইমান দিনে সম্ভৱ হোৱা নাছিল। এতিয়াও ছাত্ৰীসকলৰ পৰা আশানুৰূপ সঁহাৰি পোৱা নাই। তথাপি আলোচনীখনি প্ৰকাশ কৰিবৰ কাৰণে কেইবা বছৰৰ পৰা চলাই অহা প্ৰচেষ্টা এইবাৰ অম্পষ্ট্ৰ পীয়াকৈ হলেও ফলৱতী হৈছে। কলেজৰ ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত আলোচনী এখনৰ প্ৰয়োজন কিমান সেইকথা কোৱা বাহুল্য মাথোন। আশা কৰোঁ আলোচনীখনৰ এই প্ৰকাশে আমাৰ ছাত্ৰী-সকলক প্ৰেৰণা যোগাব আৰু ইয়াৰ পৰিৱৰ্ত্তী সংখ্যা সমূহ নিয়মিত ভাৱে জাকজমকতাৰে প্ৰকাশ পোৱাত ছাত্ৰীসকলে সহায় কৰিব।

শিক্ষাৰ ক্ষেত্ৰত নগাওঁ ছোৱালী কলেজৰ যি এটা ঐতিহ্য আছে, সেই কথা আমি ইয়াত দোহাৰি কোৱাৰ প্ৰয়োজন নাই। এই কলেজৰ প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণীত বছৰি ভৰ্ত্তি হোৱা ছাত্ৰীসকলৰ শতকৰা ৯৮ গৰাকীয়েই মাধ্যমিক শিক্ষান্ত পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰী। আৰ্থিক অনাটনৰ বাবে কলেজৰ ঘৰ দুৱাৰ আজিও সম্পূৰ্ণ হৈ উঠা নাই। যাবতীয় আধুনিক আহিলা পাতিও এই কলেজৰ অধ্যাপক অধ্যাপিকা বা ছাত্ৰীসকলে ব্যৱহাৰ কৰিবলৈ পোৱা নাই। সেয়ে হলেও অধ্যাপক অধ্যাপিকা সকলৰ ঐকান্তিক প্ৰচেষ্টা আৰু ছাত্ৰীসকলৰ সহযোগিতাৰ বাবেই বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহত এই কলেজৰ ফলাফল প্ৰতি বছৰেই সন্তোষজনক হৈ আছে। এই কলেজৰ ৰাজনীতি বিজ্ঞান আৰু অসমীয়া বিভাগৰ দুগৰাকী ছাত্ৰীয়ে যথাক্ৰমে ১৯৬৯ আৰু ১৯৭০ চনত বিশ্ববিদ্যালয়ৰ ভিতৰত সন্মানেৰে সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰিছে। আমি আশা কৰোঁ শিক্ষাৰ ক্ষেত্ৰত থকা কলেজখনৰ এই ঐতিহ্য ৰক্ষা কৰিবলৈ ছাত্ৰীসকল যেন সদায়েই যত্নপৰ হয়।

আমাৰ অভাৱ অভিযোগৰ লেখ দি শেষ কৰিব নোৱাৰি। এক কথাত কবলৈ গলে সততা আৰু আন্তৰিকতাৰ বাহিৰে আমাৰ একোৱেই নাই। আমাৰ প্ৰিয় অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ আন্তৰিক তৎপৰতাত এই সকলোবোৰ অভাৱ ক্ৰমান্বয়ে আঁতৰি যাব বুলি আমি আশা কৰিব পাৰো। কিন্তু প্ৰচুৰ চৰকাৰী অনুদান ব্যতিৰেকে কলেজ এখনৰ সৰ্ব্বাঙ্গীন উন্নতি সম্ভৱপৰ নহয়। সংশ্লিষ্ট কৰ্ত্তৃপক্ষ আৰু স্থানীয় ৰাইজৰ আন্তৰিক সহযোগিতাত মধ্য অসমৰ ভিতৰত স্ত্ৰীশিক্ষাৰ এই এক মাত্ৰ উচ্চ অনুষ্ঠানটি অতি সোনকালে সৰ্ব্বতো প্ৰকাৰে এটা জাকত জিলিকা অনুষ্ঠানত পৰিণত হব বুলি আমি আশা কৰিছোঁ।

সম্পাদনাত——

পুণ্য প্ৰভা বৰদলৈ ।

শেৱালি প্ৰিণ্টাৰ্চত — শ্ৰীবুবুল চন্দ্ৰ শইকীয়াৰ দ্বাৰা মুদ্ৰিত আৰু অধ্যাপক শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞাৰ দ্বাৰা প্ৰকাশিত ।